

# এলচিবিয়ান

## ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয় বাৰ্ষিক মুখপত্ৰ

প্ৰতি,

শ্ৰীযুত/শ্ৰীমতী ------------------------

------------------------------------

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ ১৯৭৫-৭৬ বৰ্ষৰ বাৰ্ষিক আলোচনী 'এলচিবিয়ান' আগবঢ়ালো ॥

— ধন্যবাদেৰে

সম্পাদক।

তত্ত্বাৱধায়ক
অধ্যাপক বীৰেন্দ্ৰ নাথ শৰ্মা

সম্পাদক
অঞ্জন জ্যোতি বেজ

# এলচিবিয়ান

## ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয় বাৰ্ষিক মুখপত্ৰ

**ৰূপালী জয়ন্তী বৰ্ষ**

সপ্তম সংখ্যা, ১৯৯৫-৯৬ বৰ্ষ

তত্ত্বাৱধায়ক
অধ্যাপক বীৰেন্দ্ৰ নাথ শৰ্মা

সম্পাদক
অঞ্জন জ্যোতি বেজ

# এলচিবিয়ান

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয় আলোচনী
ৰূপালী জয়ন্তী বৰ্ষ
১৯৯৫-৯৬

অংগসজ্জা ঃ

শ্ৰীদিলীপ কুমাৰ চৌধুৰী
শ্ৰীঅঞ্জন জ্যোতি বেজ
শ্ৰীউৎপল দাস

পৰিকল্পনা ঃ

শ্ৰীঅঞ্জন জ্যোতি বেজ

বেটুপাত ঃ

শ্ৰীউৎপল দাস (বিমল)

চিত্ৰশিল্পী ঃ

শ্ৰীউৎপল দাস (বিমল)
শ্ৰীমৌচুমী বেগম

মুদ্ৰণ ঃ

কালাৰ আৰ্ট প্ৰিন্টাৰ্চ, মালিগাঁও, গুৱাহাটী-১১

কৃতজ্ঞতা স্বীকাৰ ঃ

ড° চন্দ্ৰপ্ৰভা দেৱী, সহ-অধ্যাপিকা
শ্ৰীচন্দ্ৰমোহন কলিতা, অধ্যাপক
শ্ৰীদীপক গোস্বামী, অধ্যাপক
শ্ৰীৰুদ্ৰপ্ৰসাদ বৈশ্য, অধ্যাপক
শ্ৰীমতী লক্ষী দাস পাঠক, অধ্যাপিকা
শ্ৰীগৌতম চৌধুৰী, অধ্যাপক
শ্ৰীদীলিপ ডেকা, অধ্যাপক
সমূহ লিখকবৃন্দ, কালাৰ আৰ্ট প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰ
আৰু কৰ্মচাৰীবৃন্দ, মনবেন্দ্ৰ, দিলীপ, জুনী, ৰবী,
জোনাকী, পৰেশ, অজন্ত দা আৰু সমূহ শুভাকাংখী
তথা ছাত্ৰ-ছাত্ৰী।

## সম্পাদনা সমিতি

শ্ৰীযুত গংগাপদ চৌধুৰী (সভাপতি)
অধ্যক্ষ, ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়

শ্ৰীযুত বীৰেন্দ্ৰ নাথ শৰ্মা
(তত্ত্বাৱধায়ক)

শ্ৰীযুতা কৃষ্ণা বৰ্মন, উপাধ্যক্ষা,
ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়

ৰবিন্দ্ৰ কুমাৰ দাস, অধ্যাপক

শ্ৰীঅঞ্জনজ্যোতি বেজ
সম্পাদক, এলচিবিয়ান

শ্ৰীঅজন্ত কুমাৰ বৈশ্য
সদস্য
শ্ৰীহন দাস
সদস্য

# শ্ৰদ্ধাঞ্জলি

*মৃত্যুওটো এটা শিল্প। জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য।*

অসমৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত যিসকল বীৰ শ্বহীদে অসমী আইৰ হকে প্ৰাণাহুতি দিলে তেখেতসকললৈ মোৰ শ্ৰদ্ধা — এলচিবিয়ানৰ জৰিয়তে জনালোঁ।

সাহিত্য সংস্কৃতি-সাধনাৰ লাইখুটা স্বৰূপ শিল্পী-সাহিত্যিক স্বৰ্গীয় মহেশ্বৰ নেওগ, লীলা গগৈ, দুৰ্গেশ্বৰ বৰঠাকুৰ, পুৰুষোত্তম দাস, পৰাগ কুমাৰ দাসৰ পবিত্ৰ স্মৃতিত এলচিবিয়ান উচৰ্গা কৰা হ'ল।

**সম্পাদক, এলচিবিয়ান**

# সূচীপত্ৰ

## অসমীয়া বিভাগ

### গল্প-প্ৰবন্ধ শিতান


- ট্ৰেজেডিৰ গতিপথেৰে বাট বুলি–
  'নৰকাসুৰ নান্দিকধ্বনি মেলোড্ৰামাৰে হ'ল / ড° চন্দ্ৰপ্ৰভা দেৱী / ১
- বিজ্ঞান, অন্ধবিশ্বাস আৰু আমি / মিছ চুবেইয়া বেগম / ৮
- বিভ্ৰান্ত / শ্ৰীমাধৱ চন্দ্ৰ দাস / ১২
- পৰাগ কুমাৰ দাস ঃ যাৰ মৃত্যুও এক ইতিহাস / উৎপল দাস / ১৮
- অপূৰ্ণাৰ শংখ / মিচ মৌচুমী বেগম/২১ ● এটি আবৰ্জনাৰ মৃত্যু/ অনিল কুমাৰ শৰ্মা / ২৩
- বিজ্ঞানালা / সিদ্ধাৰ্থ কুমাৰ শৰ্মা / ২৫ ● নিশ্চিহ্ন তৃষ্ণা / ভৱানন্দ ডেকা / ২৭
- আশাৰ একুমুকি / শ্যাম চৌধুৰী / ৩১ ● বিষাদৰ ছাঁ / মিচ মঞ্জু দেৱী / ৩৩
- ৰাষ্ট্ৰীয় সংহতি শিক্ষিত কেইটিমান দিশা / অঞ্জন জ্যোতি বেজ / ৩৫
- আজিৰ সাহিত্য আৰু সাহিত্যিক / বাবু ভূঞা / ৩৭
- এটা সৰু পৰিয়াল / দীপিকা দেৱী / ৩৯
- মাৰুতি / প্ৰফুল্ল চন্দ্ৰ দেউৰী / ৪২
- কম্পিউটাৰ / নিৰঞ্জন ডেকা /৪৫
- এখন দিনলিপিৰ ভিতৰত / হেমেন জ্যোতি নেওগ / ৪৮


### কবিতা শিতান


- নিজান জুৰি এটি / নীলিমা গোস্বামী শৰ্মা ● আকাংক্ষা / ধ্ৰুৱজ্যোতি হাজৰিকা / ৫১
- ক্ষুধা / মিচ দিতিমণি বুঢ়াগোঁহাই ● শোক তৰ্পণ / অজন্ত কুমাৰ বৈশ্য / ৫২
- অন্তৰ্দ্বন্দ্ব / হৃদয় কুমাৰ দাস ● সুদিন / সাৰদা ডেকা ● জাগ্ৰত প্ৰহৰী/কবিতা দাস / ৫৩
- সময়ৰ প্ৰতি / জয়ন্তী বৰা ● আশা / ফজিলা তুন নেচা
- সপোন / মিচ কুন্তলা শইকীয়া / ৫৪ ● আক্ষেপ / মিছ চুবেইয়া বেগম
- দিয়াহে আশীষ / ড° চন্দ্ৰপ্ৰভা দেৱী / ৫৫ ● শিল্পী / পৰেশ চন্দ্ৰ ডেকা
- ৰক্তিম আভা / ঘনশ্যাম নেওগ / ৫৬ ● ৰক্ত সূৰ্য্য / জোনাকী দাস ● নিৰাশা / ধীৰেন্দ্ৰ নাথ দাস / ৫৭ ● তুমি এদিন আহিবাই / দিলীপ কুমাৰ ডেকা ● বৰষা / ধীৰেন্দ্ৰ নাথ দাস / ৫৮ ● মহামিলন / জুলী দাস ● 'আশা' পোচাকৰ কবিতা / ৫৯
- প্ৰত্যাহ্বান / গগন পাঠক / ৬০


## ENGLISH SECTION


- **E-Mail-An Overview** / Samita Sarmar / 1
- **Women and Economic Development** / Mrs Ranjana Sen / 4
- **Causes of degradation of Environment and the future of Mankind** / Prof. C. M. Kalita / 8
- **Historical Development of Robotics** / Manisha Sharma / 11
- **Computer Virus & Precautions** / Satrapati Sarma / 13
- **A Dbase Programme** / Utpal Das / 15

বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন

## কৰ্মই যাৰ পৰিচয়



মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়
**শ্ৰীযুত গঙ্গাপদ চৌধুৰীদেৱৰ**
এটি ব্যস্ততাপূৰ্ণ মুহূৰ্ত

# সম্পাদকীয়

কোনো এটা জাতি বা সমাজ তথা দেশখন কিমান উন্নত মানদণ্ডৰ তাৰ বহিঃপ্ৰকাশ ঘটে সেই জাতি বা সমাজখনৰ ভাষা সাহিত্য সংস্কৃতি চৰ্চাৰ জৰিয়তে। জাত-পাত, অস্পৃশ্যতা, অন্ধবিশ্বাস, কু-সংস্কাৰেৰে পৰিপূৰ্ণ ৰক্ষণশীল মানসিকতাৰ উৰ্দ্ধত থাকি এটা সুস্থ, নৈতিকতাপূৰ্ণ, প্ৰগতিশীল জাতি গঢ়ি স্বীকৃতি পাবলৈ হ'লে ভাষা, সাহিত্য, সংস্কৃতি চৰ্চাৰ লগতে বিজ্ঞান, দৰ্শন, বুৰঞ্জী, চিত্ৰকলা, ভাস্কৰ্য্য, অৰ্থনীতি, নৃতত্ব আদি বিষয়বোৰ খৰচি মাৰি অধ্যয়ন কৰাটো নিতান্তই অপৰিহাৰ্য্য। অতীতৰে পৰা বৰ্তমানলৈ অৰ্থাৎ এই আধুনিক জগতলৈকে চিহ্নিত হৈছে সাহিত্য জাতিৰ মূল চালিকা শক্তিৰূপে। মানৱ শিশু এটিৰ পৰিপক্ক দৈহিক গঠনৰ বাবে যিদৰে পুষ্টিকৰ আহাৰৰ প্ৰয়োজন ঠিক তেনেদৰে ব্যক্তিৰ মানসিক আহাৰৰ বাবে অধ্যয়ন খুবেই অপৰিহাৰ্য্য আৰু ইয়াৰ প্ৰতিশ্ৰুতিৰ বৰমাল হাতত লৈয়েই এই সংখ্যাৰ আমাৰ মহাবিদ্যালয় আলোচনী এলচিবিয়ালৰ আগমন।

যি নহওঁক, এলচিবিয়ালৰ জৰিয়তে সমাজ জীৱনৰ বিভিন্ন দিশ সুগভীৰে বিশ্লেষণ কৰাৰ লগতে প্ৰশিক্ষক প্ৰশিক্ষাৰ্থীৰ উৎকৃষ্ট উদ্দীপনা বা প্ৰেৰণা যোগায় এক সুস্থ সবল উন্নত মননশীল সাহিত্য সৃষ্টি কৰাৰ এক ক্ষুদ্ৰ প্ৰচেষ্টা অব্যাহত আছে। বৰ্তমানৰ সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে অৰাজকতা দুৰ্নীতিয়ে চানি ধৰিছে। আমাৰ বাজাৰ মেধাবী আৰু কাৰো বহুতীয়া হৈ থকিব নোখোজা চেতনা বিপ্লৱী শক্তিবোৰক বাছিবাছি নিৰ্দয়ভাবে চক্ৰবেহুৰ ভিতৰত ভৰাই হত্যা কৰাত লাগিছে। মানৱীয় মূল্যবোধৰ ক্ৰমাগতভাৱে নতুন নতুন জগত বিধ্বস্ত হৈ যাব ধৰিছে। কেতিয়াবা ভয়, শংকা, ত্ৰাস, ভণ্ডামি, ব্যভিচাৰ, শোষণ, দৌৰাত্ম্যবোৰৰ অৱসান ঘটোৱাৰ বাবে এক সঁচা বাস্তৱধৰ্মী অনুশাসন অতিকৈ প্ৰয়োজন হৈছে। কিন্তু এই অনুশাসনে কি?

এই অনুশাসন হ'ল আদৰ্শৰ দ্বাৰা সমন্বয় ঘটাই আত্ম বিশ্লেষণ আৰু আত্ম সংশোধনেৰে প্ৰকৃত সৌন্দৰ্য্যবোধ, সৃষ্টি প্ৰতিভা, মানসিক উৎকৰ্ষ থকা মননশীল ভাষা সাহিত্য সংস্কৃতি শিল্প ক'লাৰ সৃষ্টি কৰা। গভীৰ আত্মবিশ্বাস, কঠোৰ শ্ৰম, পৰিপক্ক সংগ্ৰামী মানসিকতাৰে ঘাট প্ৰতিঘাটক নেওচি সঁচা সৌন্দৰ্য্যৰে বা প্ৰকৃতিৰ অপৰিসীম সুধাৰে মহিমা মণ্ডিত কৰি ভাষা সাহিত্য সংস্কৃতি সৃষ্টি কৰিছে আমি আমাৰ সমাজ তথা জাতিটোক এই বিধ্বংসী ক্ষণিত কুচক্ৰবোৰৰ পৰা মুক্তি দিবলৈ সক্ষম হ'ম। বৰ্তমানৰ পাৰিপাৰ্শ্বিক ভাবধাৰা বিৰল। সম্মুখত গভীৰ সংকট (!) আমাৰ চৌপাশৰ বায়ু-পানী আনকি উশাহ-নিশাহো দূষিত হৈ পৰিছে।

গতিকে এইবোৰৰ পৰা ৰক্ষা পাবলৈ হ'লে অৰ্থাৎ আমি সঁচা অৰ্থত এজন মানুহ হিচাপে পৃথিৱীত কিবা অলপ উপকাৰ কৰো বুলি চিন্তা কৰিবলৈ সময় হ'ল। সময়ৰ সংব্যৱহাৰ কৰিব নোৱাৰিলে আমি আৰু পিছত কোনো ফালৰ পৰাই পৰিত্ৰাণ নাপাম।

**এলচিবিয়ান সন্দৰ্ভত ঃ** এখন আলোচনী প্ৰকাশ কৰোতে কিমান দুৰ্বোধ্য, কষ্টকৰ পদক্ষেপ সেই কথা পূৰ্বতেই উপলব্ধি কৰিছিলোঁ। কিন্তু বাস্তৱ ক্ষেত্ৰত সেয়া নহ'ল। এলচিবিয়ানৰ সম্পাদকৰ দায়িত্ব লৈ এতিয়া ভালদৰে হৃদয়ংগম কৰিলোঁ। অপ্ৰিয় সত্য কথাটো হ'ল আমাৰ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ দৰে কলেজত এখন আলোচনী প্ৰকাশ কৰি উলিওৱাটো এটা জটিল পদক্ষেপ। কাৰণ আমাৰ কলেজত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা একেবাৰে সীমিত। এলচিবিয়ানৰ সম্পাদকৰ দায়িত্ব লৈ দুটা সমস্যা হাড়ে-হিমজুৱে উপলব্ধি হৈছিল– প্ৰথমটো হ'ল আৰ্থিক সমস্যা আৰু দ্বিতীয়টো হ'ল লিখনিৰ সমস্যা।

প্ৰথমটো জোৰা-টাপলি মাৰি সমাধান কৰিব পাৰি কিন্তু দ্বিতীয়টোৰ অভাৱ হ'লে এখন আলোচনী প্ৰকাশৰ পথেই বন্ধ হৈ যায়। নতুবা আলোচনীখনৰ মানদণ্ড নিম্ন হয়। সেয়ে এলচিবিয়ানৰ তৰফৰ পৰা টানি অনুৰোধ জনাওঁ যে L.C.B. কলেজৰ সাহিত্য, সংস্কৃতি, বিজ্ঞান আৰু অন্যান্য বিষয়বোৰ চৰ্চাৰ প্ৰতি যি অধ্যয়ন বিমুখতা দেখা গৈছে তাক যেন গুৰুত্ব সহকাৰে প্ৰত্যেকেই হৃদয়ঙ্গম কৰি সমাধান কৰাৰ পথত ব্ৰতী হয় আৰু লগতে মানসিক উৎকৰ্ষ থকা মৌলিক চিন্তাচৰ্চাৰে পৰিপক্ক মননশীল সাহিত্য, সংস্কৃতি, বিজ্ঞান আৰু অন্যান্য বিষয়বোৰ সৃষ্টি কৰাত অগ্ৰসৰ হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ** আৱশেষতে বিগত নিৰ্বাচনত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দই বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰি আলোচনী বিভাগৰ নিচিনা এটা গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই আজীৱন ঋণী।

আৰু বিশেষকৈ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ পথত বিশেষভাৱে দিহা-পৰামৰ্শ আগবঢ়োৱা বাবে শিক্ষাগুৰু অধ্যক্ষদেৱ শ্ৰীযুত গঙ্গাপদ চৌধুৰী, লগতে মোৰ তত্বাৱধায়ক শ্ৰীযুত বীৰেন্দ্ৰ নাথ শৰ্মা, ড° চন্দ্ৰপ্ৰভা বাইদেউৰ ওচৰত মই মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। আনহাতে বন্ধুবৰ দিলীপ, জুনী, অজন্তা, বিমল, মানবেন্দ্ৰইঁতে যি ত্যাগ স্বীকাৰ কৰি আলোচনীখন প্ৰকাশত অৰিহণা যোগালে তাক মই কেতিয়াও পাহৰিব নোৱাৰিম।

সামৰণিত মই সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দৰ লগতে মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আজিলৈ ইয়াতে সম্পাদকীয়ৰ পৰিসমাপ্তি মাৰিলো।

জয়তু ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়

শ্ৰীঅঞ্জন জ্যোতি বেজ
আলোচনী সম্পাদক

# গল্প-প্ৰবন্ধ শিতান

# ট্ৰেজেডিৰ গতিপথেৰে বাটবুলি

## 'নৰকাসুৰ' নাটকখনি মেলোড্ৰামাহে হ'ল

ড° চন্দ্ৰপ্ৰভা দেৱী, এম. এ; বি. টি
সহ-অধ্যাপিকা, অসমীয়া বিভাগ

(সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাদেৱৰ 'মাতৃ পুত্ৰসম প্ৰথম অঞ্জলি' স্বৰূপ নাটকখনি প্ৰথম মুদ্ৰিত পৌৰাণিক নাটক (mythological drama)। কাৰণ, সত্য, ত্ৰেতা আৰু দ্বাপৰ এই তিনিও যুগৰ প্ৰবাদ পুৰুষ বীৰ 'নৰকাসুৰ'ৰ কাহিনীৰ ভেটিত নাটকখনি ৰচনা কৰা হৈছে। কিন্তু নাট্য ৰীতিৰ সূক্ষ্ম বিশ্লেষণে ধৰিলে গ্ৰীক আৰু শ্বেক্সপীয়েৰিয়ান ট্ৰেজেডিৰ আনেবোৰ বৈশিষ্ট্যৰে ই এখনি ট্ৰেজিক অথচ বিয়োগান্ত নাটক। সেয়ে হ'লেও ট্ৰেজেডিৰ সৰ্বজনস্বীকৃত শৰ্ত সুসংগতভাৱে দুটি নুমাত আৰু উচ্চ খাপৰ ট্ৰেজেডিৰ মানদণ্ডৰে মূল্যায়িত হ'ব নোৱাৰি হৈ পৰিল। এখনি অতি নাটক বা মেলোড্ৰামা (melodrama) হৈছে—এই বিষয়ে এটি চমু আলোচনা এই নিবন্ধৰ যোগেদি আগবঢ়োৱা হ'ল। — লেখিকা)

**নাটকীয় কাহিনীৰ চমু পৰিচয় ঃ** বৰাহৰূপী নাৰায়ণে যেতিয়া সমুদ্ৰ গৰ্ভত আশ্ৰয় লোৱা পৃথিৱীক সমুদ্ৰ গৰ্ভৰপৰা উদ্ধাৰ কৰে, তেতিয়া তেওঁবিলাকৰ গোপনে মিলন হয়, এই মিলনৰ ফলত নৰকাসুৰৰ জন্ম হয়। তেওঁবিলাকৰ এই মিলনৰ কথা স্বৰ্গ, মৰ্ত, পাতালৰ কোনেও গম পোৱা নাছিল, সেয়ে নৰকক 'জাৰজ সন্তান বুলি কোনেও ক'তো আশ্ৰয় নিদিয়াত ধৰিত্ৰীয়ে 'জনক'ৰ পদূলিত বুজাপৰা হৈ ৰাজ পৰিয়ালত আশ্ৰয় দি নৰকক ৰাজপুত্ৰৰ সকলো শিক্ষা দীক্ষা দিয়ালে। সেই সময়ত ধৰিত্ৰীয়ে কাত্যায়নী নামেৰে ছদ্মবেশে ৰাজধাত্ৰীৰূপে নিজ পুত্ৰক লালন পালন কৰিছিল। নৰকক ক'তো স্থান নিদিয়াৰ কাৰণে ধৰিত্ৰীৰ অন্তৰত ইন্দ্ৰাদি দেৱতাকে আদি কৰি সকলোৰে প্ৰতি এক প্ৰচণ্ড প্ৰতিহিংসাৰ বহ্নি দাউ দাউকৈ জ্বলি আছিল। নৰক উপযুক্ত হলত কাত্যায়নীয়ে নৰকক পিতৃ মাতৃৰ পৰিচয় দি, নৰকৰ হতুৱাই কামৰূপ ৰাজ্যৰ কিৰাত নৃপতি ঘটকাসুৰক বধ কৰাই নৰকাসুৰক কামৰূপ ৰাজ্যৰ অধিপতি পাতে আৰু নৰকৰ অন্তৰত দেৱতাসকলৰ প্ৰতি প্ৰতিহিংসাৰ বীজ সিঁচি দিয়ে। বিদৰ্ভ ৰাজকন্যা মায়াদেৱীয়ে নৰকক বৰমাল্য দি পতিৰূপে গ্ৰহণ কৰে। নৰকে মাতৃ নিন্দাৰ প্ৰতিশোধ লবলৈ প্ৰচণ্ড হৈ উঠিল আৰু স্বৰ্গ-মৰ্ত্য-পাতাল জয় কৰি ইন্দ্ৰাদি দেৱতাসকলক বন্দী কৰি আনে। দেৱ-দ্বিজ-কাকোকে নমনা হৈ কামাখ্যা গোসানীকো বিয়া কৰাবলৈ প্ৰস্তুত হয়। নৰকাসুৰৰ দৌৰাত্ম্যত কোনো কতো তিষ্ঠিব নোৱাৰা হ'ল। অৱশেষত শ্ৰীকৃষ্ণই যদুকুলৰ বীৰসহ সদলবলে আহি নৰকক বধ কৰি পৃথিৱীত শান্তি স্থাপন কৰে।

### ট্ৰেজেডিৰ দৃষ্টিকোণেৰে 'নৰকাসুৰ' নাটকখনি

"নোহো মই সাধাৰণ বৈদেহী-কোঁৱৰ!" বোলা নৰকৰ উক্তিয়ে প্ৰমাণ কৰে যে তেওঁ এক সাধাৰণ পুৰুষ নহয়। গ্ৰীক ট্ৰেজেডিৰ মতে আৰু শেক্সপীয়েৰ ট্ৰেজেডিৰ মতেও ট্ৰেজেডিৰ নায়ক হ'ব লাগে সমাজৰ উচ্চ খাপৰ ব্যক্তি, নৈতিক গুণসম্পন্ন আৰু প্ৰথম অৱস্থাত পবিত্ৰ চৰিত্ৰৰ। নৰকৰ গাত ট্ৰেজেডিৰ নায়কৰ উক্ত গুণসমূহ থকাত ট্ৰেজেডিৰ উপযুক্ত নায়ক হৈ পৰিছে। বিদেহ ৰাজ্যৰ ৰজা জনকৰ ঘৰত ৰাজধাই কাত্যায়নীৰ স্নেহ-যত্নত লালিত-পালিত নৰকে নাজানিছিল যে কাত্যায়নী বসুমতী আৰু বসুমতীয়ে

তেওঁৰ মাতৃ আৰু তেওঁৰ পিতৃ স্বয়ং বিষ্ণু। যেতিয়া বসুমতীয়ে তাকে সমৰ্থন কৰে তেতিয়া তেওঁ গৰ্বিত হৈ কৈছিল ঃ "নোহো মই সাধাৰণ বৈদেহী কোঁৱৰ!" (১ম অঙ্ক, ১ম দৰ্শন)। আৰু যেতিয়া তেওঁ জানিলে যে স্বয়ং বিষ্ণু তেওঁৰ পিতৃ, তেতিয়া তেওঁ আচৰিত হৈছে ঃ

**ট্ৰেজেডিৰ নায়কৰ প্ৰাথমিক বৈশিষ্ট্য**

"হৰিপ্ৰী জাম্বপত্নী পিতৃ নাৰায়ণ!" (ঐ)– নাটকখনৰ নায়ক এনে উচ্চ কুলজাত আছিল। ৪ৰ্থ অঙ্কৰ ৬ষ্ঠ দৰ্শনত, শ্ৰীকৃষ্ণই সমৰক্ষেত্ৰত নৰকক কৈছে ঃ "তুমি মানবো নহোৱা, অসুৰো নহোৱা, মম অংশজাত তুমি তাতেহে বহুত গৰ্বৰত! দেৱবীৰ্য তোমাৰ শিৰাই শিৰাই।" নৰকৰ জন্ম যজ্ঞভূমিত, গতিকে তেওঁ পবিত্ৰ, তাৰোপৰি দেৱশক্তি তেওঁৰ শিৰাই শিৰাই। সেয়ে তেওঁ মহৎ চৰিত্ৰৰ। তেওঁৰ যে চিত্ত দৃঢ় সেই বিষয়ে তেওঁ নিজেই কৈছে ঃ

"জন্ম যাৰ সুপবিত্ৰ যজ্ঞৰ ভূমিত
লালিত পালিত যিটো তোমাৰ কোলাত
চিত্ত তাৰ কেনে হ'ব পাৰে?" (ঐ)

হঠাৎ পিতৃ-মাতৃৰ পৰিচয় পোৱা, প্ৰাগজ্যোতিষৰ অধিপতি হোৱা আদি আকস্মিক ঘটনাই নাটকৰ কাহিনীক ৰহস্যঘন কৰি তুলিছে; কাহিনীটোৰ জটিলতা আনিছে; সেয়ে নৰকে কৈছে ঃ "একে বুজা নাই, বুজিবৰ শক্তিও নাই।" ই নৰক চৰিত্ৰৰ দুৰ্বলতা সূচোৱা নাই। এনে পৰিস্থিতিত, সকলো বীৰ চৰিত্ৰই এনে আচৰণ প্ৰকাশ কৰিব, ই মানৱ ধৰ্ম। (নৰক চৰিত্ৰৰ পতনৰ বিষয়ে পিছত আলোচনা কৰা হ'ব।)

গ্ৰীক ট্ৰেজেডিত নাটকীয় সংঘাত দেখুওৱা হৈছিল মানুহ আৰু দেৱতাৰ মাজত। নৰকাসুৰ দেৱকুলত জাত যদিও 'দৈৱৰ পৰিহাসত মানুহৰূপে পৃথিৱীত থাকিবলগীয়া হৈছে; এতেকে তেওঁ মানুহ। তেওঁ যুদ্ধ কৰিছে ইন্দ্ৰাদি দেৱতা আৰু বিষ্ণুৰ পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণ (যি তেওঁৰ পিতৃ)ৰ লগত। ২য় অঙ্কৰ, তৃতীয় দৰ্শনত ইন্দ্ৰৰ লগত মুখামুখি হৈ নৰকে কৈছে ঃ "পুৰন্দৰ! তই স্বৰ্গৰ দেৱতা আৰু মই পৃথিৱীৰ মানৱ। তই ত্ৰিজগতৰ পূজিত, দেৱতাকুলৰ মান্য আৰু মই বিশ্বব্ৰহ্মাণ্ডৰ পদদলিত তুচ্ছ, ঘৃণ্য, সামান্য অসুৰ।" ৪ৰ্থ অঙ্কৰ, ৬ষ্ঠ দৰ্শনত নৰকে শ্ৰীকৃষ্ণৰ সৈতে সমৰ ক্ষেত্ৰত

**নাটকীয় সংঘাত**

মুখামুখি হৈ কৈছে– "............নৰকে আজি তোমাৰ অন্যায় যুঁজত হিৰণ্য কশিপু বধ আৰু দৈত্যৰাজ বলিক ছলনা কৰাৰ প্ৰতিশোধ লবলৈ আগবাঢ়িছে।"

নায়কৰ জীৱনত নিয়তি তথা ভাগ্যৰ পৰিহাস (Irony of Fate) ট্ৰেজেডীৰ আন এটা লক্ষণ। গ্ৰীক নাটকত বংশানুক্ৰমে বাগৰি অহা দেৱতাৰ অভিশাপ আৰু নৈতিক দুৰ্বলতা নায়কৰ পতনৰ কাৰণ বুলি উল্লেখ কৰিছে। নৰকৰ জীৱনত বংশানুক্ৰমে বাগৰি অহা কোনো অভিশাপ নাথাকিলেও নৰকৰ জন্ম লগ্নতেই লাগি আছিছে নিয়তিৰ ক্ৰূৰ পৰিহাস ঃ "জন্ম বহুসা যাৰ ঘন-ঘোৰ প্ৰলয়ৰ অন্ধকাৰত।" (১ম অংক, ২য় দৰ্শন) পিতৃ পৰিচয় অজ্ঞাত কাৰণে তেওঁ স্বৰ্গ-মৰ্ত্য পাতাল ক'তো স্থান নাপালে;

**ভাগ্য তথা নিয়তিৰ পৰিহাস**

আকাশ পাতাল কৈলাস গোলক
স্বৰ্গ-মৰ্ত-অমৰাৱতী-অলকাপুৰী
ক'তো মোৰ আশ্ৰয় নিমিলিল হঁনা?"
(১ম অংক, ১ম দৰ্শন)

মাতৃ বসুমতীয়ে অন্তৰৰ জ্বালা শয় কটাবলৈ আৰু নৰকক আত্ম প্ৰতিষ্ঠা কৰোৱাবলৈ নৰকৰ অন্তৰত প্ৰতিহিংসাৰ বীজ ৰোপন কৰি নৰকক পৰিচালিত কৰিছে। এইদৰে নিয়তি বা ভাগ্যৰ লগত ট্ৰেজেডিৰ নায়ক নৰকে যুদ্ধ কৰিব লগা হৈছে, কাৰণ ঃ "নিয়তিৰ সতে হেৰো মানুহৰ সংগ্ৰাম অক্ষম।" (লেখকৰ বক্তব্য)

"শান্তিৰ আধাৰে তুমি, কিয় আজি হ'লা এনে ঘোৰ অত্যাচাৰী?" (৪ৰ্থ অংক, ৩য় দৰ্শন)– মায়া দেৱীৰ এই উক্তিয়ে কয় যে এসময়ত নৰক সুমহান আছিল, কিন্তু পিছলৈ তেওঁৰ চৰিত্ৰৰ পতন ঘটে। ট্ৰেজেডিৰ নায়কৰ এক বিশেষ বৈশিষ্ট্য এয়ে যে নায়ক প্ৰথম অৱস্থাত পবিত্ৰ আৰু মহান চৰিত্ৰৰ হয়। পিছত জীৱনৰ পাক-চক্ৰত পৰি চৰিত্ৰৰ পতন ঘটে আৰু তাৰ ফলত নায়কৰ জীৱনৰ কৰুণ পৰিণতি ঘটে। প্ৰথম অৱস্থাত সুকোমল আৰু নিষ্কলঙ্ক 'তেজ' আৰু 'বশাংগ' তেওঁ জয় কৰিছিল। বজা সম্পৰ্কে তেওঁৰ আদৰ্শমূৰ্ত্তি আছিল, "মনুষ্যৰ ৰক্তপায়ী অসুৰ।" ঘটকাসুৰক বধ কৰি যেতিয়া তেওঁ প্ৰাগজ্যোতিষৰ অধিপতি হৈছিল সেই সময়ত নৰক চৰিত্ৰ উজ্জ্বলতাৰ

**নায়কৰ চৰিত্ৰৰ পতন**

বিষয়ে নৰক-পত্নী-মায়াদেৱীয়ে কৈছে যে যিদিনা তেওঁ নৰকক বৰমাল্য দিছিল সিদিনা নৰক আছিল অত্যাচাৰী ঘটকাসুৰৰ কবলৰ পৰা আৰ্তনাদকাৰীক ৰক্ষা কৰোঁতা, ন্যায় কাৰণত ন্যায় যুদ্ধত জিলিকি উঠা "মধ্যাহ্ন সূৰ্য্যৰ দৰে উজ্জ্বল।" সিদিনা আছিল তেওঁৰ 'দীপ্ত-সামা উজ্জ্বল মূৰ্তি।"

শেষলৈ নৰকে শোণিতপুৰৰ অধিপতি বান বজাৰ লগত বন্ধুত্ব পাতি আৰু নিজৰ দুৰ্দান্ত শক্তিৰ বলত অন্ধ হৈ, বশিষ্ঠৰ দৰে মুনিকো অপমান কৰি, ইন্দ্ৰাদি দেৱতাসকলক বন্দী কৰি, হিমাদ্ৰি প্ৰদেশৰ পৰা ষোল হাজাৰ কুঁৱৰীক বন্দী কৰি আনিও ক্ষান্ত নাথাকি আৰাধ্যা দেৱী "আই কামাখ্যাক বিয়া কৰাবলৈ উদ্যত হ'ল। বসুমতীয়ে শ্ৰীকৃষ্ণই নৰকক কি অপৰাধত হত্যা কৰিবলৈ ওলাইছে বুলি সোধাত শ্ৰীকৃষ্ণই কৈছে: "......কামাখ্যাৰ অসম্মান, দেৱতাৰ স্বাধীনতা অপহৰণ, ৰমণীৰ ক্ৰন্দন আৰু ব্ৰাহ্মণৰ অভিশাপ......। (৪ৰ্থ অঙ্ক, ২য় দৰ্শন) বসুমতীয়ে নিজেও নৰকৰ চৰিত্ৰৰ পতনৰ কথা কৈছে : " 'আতিথ্য গ্ৰহণ। দেৱ-দ্বিজ ৰমণীৰ উৎপীড়ক তই তোৰ আতিথ্য গ্ৰহণ।" (ঐ) আগৰ নৰক আৰু পিচৰ নৰকৰ পাৰ্থক্য দেখি বসুমতীয়ে মহাকালক সম্বোধি কৈছে : "ধন্য কাল! তোৰ অসাধ্য একো নাই। সেই সুখৰ কলি আৰু আজি। তাৰ মাজত যি কি যে ব্যৱধান— কি যে পৰিবৰ্তন।" (ঐ)

মাতৃ বসুমতীয়ে অন্তৰৰ জ্বালা শাম কটাবলৈ আৰু নৰকক আত্ম প্ৰতিশ্ৰু কৰোৱাবলৈ নৰকৰ অন্তৰত প্ৰতিহিংসাৰ বীজ ৰোপন কৰি নৰকক পৰিচালিত কৰিছে। এইদৰে নিয়তি বা ভাগ্যৰ লগত ট্ৰেজেডিৰ নায়ক নৰকে যুদ্ধ কৰিব লগা হৈছে, কাৰণ : "নিয়তিৰ সতে যেৱা মানুহৰ সংগ্ৰাম অক্ষয়।" (দেৱকান্ত বৰুৱা)

পৰিবৰ্তিত, উৰ্দ্ধত নৰকে নিজেও নিজৰ পতনৰ কথা বশিষ্ঠ মুনিক কৈছে : "বিশ্বগ্ৰাসী নৰকাসুৰ আজি দেৱতা-ব্ৰাহ্মণ সকলোৰে মূৰত পদাঘাত কৰি সৃষ্টি ওলট-পালট কৰি দিছে।" (৩য় অংক, ৩য় দৰ্শন)

ট্ৰেজেডিত মূল নায়কৰ ব্যক্তিত্বই আনবোৰ চৰিত্ৰক বশীভূত কৰি ৰাখে। নৰকাসুৰ নাটকতো দেখা যায় নৰকে বিৰাট ব্যক্তিত্বৰে আনবোৰ চৰিত্ৰৰ ব্যক্তিত্ব ম্লান কৰি তুলিছে। মাতৃভক্ত নৰকাসুৰে মাতৃ নিন্দাৰ প্ৰতিশোধ লবলৈ, নিজৰ হৃত গৌৰৱ উদ্ধাৰ কৰি স্বৰ্গ-মৰ্ত্ত ৰসক লগাবলৈ কৰা কাৰ্য্য প্ৰকৃত বীৰৰ পুৰুষাৰ্থৰ জ্বলন্ত দীপ্তি : "ইয়াতে ঘোষিত হয় মানৱৰ বীৰ্য্য।" নৰকৰ বীৰত্বক ভেটা দিবলৈ শ্ৰীকৃষ্ণই যাদৱ সেনা বাহিনীৰে সদলবলে আহিবলৈ বাধ্য হৈছিল। সেয়ে বীৰ নৰকে কৈছে : "........সমগ্ৰ বিশ্বৰ সম্মিলিত মহাশক্তিৰ আগত নৰকাসুৰ আজি অকলৈ থিয় হবলৈ প্ৰস্তুত।" (৪ৰ্থ অঙ্ক, ৪ৰ্থ দৰ্শন)

বীৰ বলৰামে নৰকাসুৰৰ পুৰুষাৰ্থক, বাহুবলক স্বীকৃতি দি কৈছে : "ধন্য নৰকাসুৰৰ বাহুবল! মই তাক প্ৰশংসা কৰোঁ.........নৰকৰ তেজ ব্ৰহ্মাণ্ডত জ্বলি উঠক। সাৰ্থক কৰক নৰকে তাৰ মহাশক্তি।" (৪ৰ্থ অঙ্ক, ২য় দৰ্শন) বলৰামে নৰকক সহায় কৰিবলৈ আগবাঢ়ি আহোঁতে বসুমতীয়ে কৈছে : ".....তোমাৰ সহায় গ্ৰহণ কৰি কদাপি সি তাৰ উচ্চ শিৰ অৱনত নকৰে।" (ঐ)

বীৰ নৰকে পিতৃ পৰিচয় বিচাৰিছে বীৰত্বৰ দ্বাৰা, সন্মুখ সংগ্ৰামত : .........."কেৱল ক'লেই নহ'ব তাৰ প্ৰমাণ লাগে। ........এই বিশ্ব ব্ৰহ্মাণ্ডৰ গতিৰোধ কৰা যদি পাৰা তেতিয়া বিশ্বাস কৰিম, তেতিয়া জানিম তুমি মোৰ পিতা, জগত পিতা নাৰায়ণ।" (৪ৰ্থ অঙ্ক, ৬ষ্ঠ দৰ্শন)

আনকি নৰকক হত্যা কৰি উঠিও শ্ৰীকৃষ্ণই নৰকৰ বীৰত্বক প্ৰশংসা কৰিছে :

"সত্যভামা! দেখিলা ইয়াতে আৰু
এনে বীৰ বসুধানন্দন।" (৪ৰ্থ অঙ্ক, ৬ষ্ঠ দৰ্শন) বীৰ নৰকক অমৰত্ব দান কৰিবলৈ শ্ৰীকৃষ্ণই তেওঁৰ মৃত্যু দিনটো দীপান্বিত পাতিবলৈ ঘোষণা কৰি থৈ গৈছে :

"বছৰে বছৰে হ'ব এই তিথিতেই
নৰকৰ যুগমীয়া কীৰ্ত্তিৰ দীপালী
অমৰত্ব সেয়েই তোমাৰ।" (ঐ)

"যোৱা যাওঁ। নৰকাসুৰে কোনো দিনে পৰিণাম চিন্তা নকৰে। (২য় অংক, ২য় দৰ্শন) নৰকাসুৰৰ এই উক্তিয়ে তেওঁ যে মৃত্যু নিৰ্ভীক তাক স্পষ্ট ভাৱে ঘোষণা কৰিছে। মৃত্যু স্বাভাৱিক কাৰণেই ট্ৰেজেডিৰ নায়কে মৃত্যুক ভয় নকৰে; তেওঁবিলাকক লাগে 'বীৰত্ব'। জন্মতে অভিশাপ লৈ অহা নৰকে মৃত্যুক ভয় নকৰে। সেয়ে, মায়াদেৱীয়ে দেৱকুলৰ বিৰুদ্ধে চলোৱা অভিযানৰ পৰা হ'বলগীয়া বিপদৰ কথা কোৱাত নৰকে কৈছিল : "জগৎ বহস্য যাৰ প্ৰলয়ৰ ঘনঘোৰ অন্ধকাৰত, মৃত্যুও নিশ্চয় তাৰ আন এটা মহাপ্ৰলয়। জন্মদিন, জন্মদাতা মোৰ সকলোৰে এটা অভেদ্য সাঁথৰ। আৰু মৃত্যু! সেই বাবে ভয় কি?...." (ঐ) নৰকে জীৱনৰ শেষ মুহূৰ্তলৈকে এই নিৰ্ভীকতা ৰক্ষা কৰিছিল। বসুমতীয়ে যাদৱ বাহিনীৰ হাতৰ পৰা আত্ম ৰক্ষাৰ কাৰণে নৰকক পলাবলৈ কোৱাত নৰকে উত্তৰ দিছিল : "শত্ৰুৰ ভয়ত, তুচ্ছ প্ৰাণৰ ভয়ত, আজি ত্ৰিলোকৰ শ্ৰীকৃষ্ণই জীৱন ভিক্ষা কৰিবলৈ কোৱাত তেওঁ কৈছে : "নৰকৰো জীৱন ভিক্ষা মৃত্যুৰ কাণত।" (৪ৰ্থ অংক, ৬ষ্ঠ দৰ্শন)

মূল চৰিত্ৰক উজ্জ্বল কৰি তুলিবলৈ ট্ৰেজেডিত বৈসাদৃশ্যমূলক (contrast) বা সমান্তৰাল (parallel) কাহিনী বা চৰিত্ৰ থাকে। 'নৰকাসুৰ' নাটকখনিত বিশ্বকৰ্মা দুহিতা 'ইন্দুৰ' চৰিত্ৰ নৰক চৰিত্ৰৰ বিপৰীতে বৈসাদৃশ্যযুক্ত বা সমান্তৰাল চৰিত্ৰ; এই বৈশিষ্ট্য এই কেইটা দিশত : (ক) ইন্দু পিতৃভক্ত আনহাতে নৰক মাতৃভক্ত। ইন্দুৱে নিজ তপোবনৰ প্ৰভাৱেৰে, ব্ৰহ্মচৰ্যৰ বলেৰে কিম্বা হৃদয়ৰ বক্তেৰে যেনে তেনে পিতাক বিশ্বকৰ্মাক অসুৰৰ দাসত্বৰ পৰা মুক্ত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈ পৰিছিল। আৰু প্ৰতিজ্ঞা ফলৱতী কৰি তুলিছিল শ্ৰীকৃষ্ণক যুদ্ধক্ষেত্ৰলৈ আহ্বান কৰি। ইয়াৰ বিপৰীতে নৰকে মাতৃৰ কলঙ্ক মোচন কৰি, হৃত গৌৰৱ উদ্ধাৰ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ; আৰু তাকে কৰিবলৈ পৈ তেওঁ জীৱন উছৰ্গা কৰিব লগা হৈছে। (খ) ইন্দু কামনা-বাসনা বৰ্জিতা; কিন্তু, নৰক ভোগ-বাসনাৰ জ্বলন্ত প্ৰতীক। (গ) ইন্দুৰ চৰিত্ৰত কলঙ্ক নাই। আনহাতে নৰকৰ নৈতিক পতনেই তেওঁৰ ধ্বংসৰ মূল। (ঘ) নৰকে শ্ৰীকৃষ্ণৰ হাতত মৰি অমৰত্ব ভিক্ষা খুজিছে; কিন্তু ইন্দুমতিৰ কাৰণে এনে অমৰত্ব তুচ্ছ। তেওঁ মানবী ৰূপী শ্ৰীকৃষ্ণৰ লগত মিলন বিচৰা নাই; তেওঁ ভূমাৰ লগত মিলি যোৱাৰ কামনা কৰি আত্মা-পৰমাত্মাৰ মহা-মিলনৰ কথা কৈছে।

নৰকৰ কৰ্ম আৰু ইন্দুৰ কৰ্মৰ মাজত কি বিশাল পাৰ্থক্য, তাক নৰকে নিজ মুখে স্বীকাৰ কৰি কৈছে : "দেৱবালা। তোমাৰ পিতৃপূজা শান্তিৰ নিজৰা, আনন্দৰ মন্দাকিনী আৰু মোৰ মাতৃপূজা বিশ্বৰ প্ৰলয়, প্ৰতিহিংসাৰ জ্বালামুখী।" (৩য় অংক, প্ৰথম দৰ্শন)।

আমাৰ পৌৰাণিক নাটকবোৰত থকা দেৱতাৰ ছিদ্ৰযুক্ত বৰৰ প্ৰভাৱেও নায়কৰ জীৱনলৈ করুণ (Tragic) পৰিণতি আনিছে। মাতৃ বসুমতীয়ে নৰকৰ 'অমৰত্ব লাভৰ বৰ' খোজাত বিষ্ণুই এইবুলি বৰ দিছিল যে নৰকৰ চৰিত্ৰ পতন ঘটিলেও বিষ্ণুই মাতৃ বসুমতীৰ আদেশ লৈহে তেওঁ নৰকক বধ কৰিব। ই আছিল এটা ছিদ্ৰযুক্ত বৰ; তাৰ গূঢ় অৰ্থ তেওঁ বুজা নাছিল। সেয়েহে শ্ৰীকৃষ্ণৰ নেতৃত্বত যাদৱ সেনা আগবাঢ়ি অহাত বসুমতীয়ে শ্ৰীকৃষ্ণক কৈছে : "নৰক মোৰ অমৰ-অবধ্য। তাক বধ কৰিবলৈ হ'লে তোমাক মোৰ অনুমতি, মাতৃৰ অনুমতি লব লাগিব— যি কদাপিতো সম্ভৱ হ'ব নোৱাৰে।" (৪ৰ্থ অংক, ২য় দৰ্শন) বসুমতীৰ এক অংশ মানবী সত্যভামাৰ অনুৰোধত মাতৃ আজ্ঞা পূৰ্ণ হৈ নৰকক বধ কৰাৰ ছিদ্ৰ যে মুকলি হৈ পৰিব সেই কথা বসুমতী অথবা সত্যভামাইও নাজানে। সেয়ে শ্ৰীকৃষ্ণই কৈছে : "অহনি বসুমতী...... আজি তেওঁৰ সত্যভামাৰূপে মানবী জীৱন আৰু এই সত্যভামাৰ অনুৰোধতেই নৰক-নিধন সহজতে হ'ব। হতভাগিনী ধৰিত্ৰীয়ে সেই কথা বুজি পোৱা নাই।" (ঐ) নৰকে এই বৰৰ বিষয়ে সম্পূৰ্ণ অজ্ঞাত। কিন্তু, নৰকে মাতৃ বসুমতীৰ পৰা বৈষ্ণৱাস্ত্ৰ লাভ কৰিছিল। এই অস্ত্ৰৰ তেজ বিষ্ণুৰ সুদৰ্শন চক্ৰৰ বাহিৰে কোনে প্ৰতিৰোধ কৰিব নোৱাৰে। সেয়ে বসুমতী আৰু নৰকে (নৰক) অবধ্য বুলি ভাবি মদমত্ত হৈ পৰিছিল। কিন্তু, বিষ্ণুৰ ছিদ্ৰযুক্ত বৰৰ সকলো বন্ধন নোহোৱা হৈ শেষত সত্যভামাৰ বিশেষ অনুৰোধত শ্ৰীকৃষ্ণই সুদৰ্শন চক্ৰৰ দ্বাৰা নৰকক বধ কৰে। এইদৰে বিষ্ণুৰ ছিদ্ৰযুক্ত বৰে নাটকখনত শ্লেষ অৰ্থাৎ নিয়তিৰ পৰিহাস (Irony of Fate) করুণ পৰিণতিৰে সিক্ত কৰিছে। বিষ্ণুৰ ছিদ্ৰযুক্ত বৰে নিয়তিৰূপে চতুৰ্থ ভাৰতীয়াই নৰকাসুৰৰ

পতন ঘটাইছে।

উচ্চ খাপৰ ট্ৰেজেডি বিশেষকৈ গ্ৰীক আৰু এলিজাবেথান নাটকত দেখা যায় উক্তিৰ ছন্দোবদ্ধ সুষমায় নাটকীয় ঘটনাৰ বিষাদাত্মক ঘনঘোৰ মুহূৰ্তত খণ্ডেকৰ কাৰণে হ'লেও দৰ্শকৰ মনক আনন্দলৈ কঢ়িয়াই মধুৰ কৰি তোলে।[৮] 'নৰকাসুৰ' নাটকতো নৰকৰ প্ৰতিটো উক্তি তেজোদীপ্ত হোৱাৰ উপৰিও ইয়াৰ ভগ্ন অমিত্ৰাক্ষৰত (Blank-verse) দিয়া ছন্দোবদ্ধ উক্তিয়ে আমাক যুদ্ধ-বিগ্ৰহ আদিৰ ঘনঘোৰতাৰ মাজতো মনক এক স্বৰ্গীয় আনন্দ প্ৰদান কৰিছে। সেইদৰে নাটকখনৰ নাটকীয় দৃশ্যও গোটেই দলিয়াই পেলাব লগীয়া নহয়। উদাহৰণ স্বৰূপে, নটীখনিৰ আৱৰ্তনীতে : অসম্ভৱ— অতি অসম্ভৱ কথা!

এনেতেই নহয় বিশ্বাস মোৰ।"

বোলা নৰকৰ হুঙ্কাৰ ধ্বনিয়ে দৰ্শকক চমক খুৱাই নাটকীয় ঘটনাৰ প্ৰতি তীব্ৰ আকৰ্ষণৰ সৃষ্টি কৰিছে। উচ্চ খাপৰ ট্ৰেজেডিত থকাৰ দৰে ইয়াৰ গীতবোৰো পৰিস্থিতিৰ লগত খাপখোৱা। উদাহৰণ স্বৰূপে ৩য় অঙ্কৰ, ৩য় দৰ্শনৰ আৱৰ্তনীত দিয়া নটীগীতটিয়ে বশিষ্ঠ মুনিৰ দৰে এক গাম্ভীৰ্যপূৰ্ণ চৰিত্ৰ আগমনিৰ সঙ্কেত দিছে অৰ্থাৎ গীতবিলাকে প্ৰতিটো দৃশ্য প্ৰতীক ধৰ্মী (symbolical) কৰি তুলি ট্ৰেজেডিৰ বৈশিষ্ট্য ৰক্ষা কৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে 'নৰকাসুৰ' নাটকখনিত বহু পৰিমাণে উচ্চ ট্ৰেজেডিৰ ধৰ্ম ৰক্ষিত হৈছে, তথাপি ভালদৰে বিচাৰ কৰি চালে দেখা যায় যে নাটকখনে উচ্চ ট্ৰেজেডিৰ সকলো গুণ ৰক্ষা কৰিব নোৱাৰাত ই উচ্চ খাপৰ ট্ৰেজেডি নহৈ অতি-নাটক বা মেলোড্ৰামাৰ শাৰীলৈ পৰ্যবসিত হৈছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ দৰে বিদগ্ধ পণ্ডিত তথা সমালোচকেও ইয়াক মেলোড্ৰামা বুলি অভিহিত কৰিছে।

**'নৰকাসুৰ' নাটকখনি মেলোড্ৰামা হোৱা যুক্তি :**

মহামতি এৰিষ্টটলে অবাস্তৱ ঘটনা বা কথা আৰু ভয়ঙ্কৰ ভাৱ সৃষ্টি কৰা দৃশ্যৰ অৱতাৰণা কৰিলে প্ৰকৃত ট্ৰেজেডি হ'ব নোৱাৰে বুলি কৈছে। 'নৰকাসুৰ' নাটকত নৰকৰ জন্ম, একেটা কাহিনীতে বসুমতীৰ অংশত জাত সত্যভামাই নৰকৰ মাতৃৰূপে অংশ গ্ৰহণ কৰা আদি কথা অবাস্তৱ আৰু অসম্ভৱ। সেইদৰে ইন্দ্ৰৰ বাক্যত বৰুণৰ জটালিকাৰ বৰ্ণনা, বিশ্বকৰ্মাৰ অদ্ভুত কাৰ্য্য : "শিল ভাঙিছো। চকুপানীৰে নৰকৰ দুৰ্গৰ দেৱাল গাঁঠিছো।........ বিৰাম নাই, বিশ্ৰাম নাই, কেৱল কাম কৰিছোঁ।" (৪ৰ্থ অঙ্ক, ৪ৰ্থ দৰ্শন) আদি বাস্তৱত খাপ নোখোৱা কথা। কিন্তু পৌৰাণিক কাহিনী এনেবোৰ বৈশিষ্ট্যৰে চমক্ লগা; গতিকে পৌৰাণিক নাটক হিচাপে 'নৰকাসুৰ' নাটকখনত এৰিষ্টটলৰ উক্ত নিষেধ খুটি আহিব নোৱাৰে। মানি লবই লাগিব যে আমাৰ পৌৰাণিক নাটকবোৰ যিহেতু ভাৰতীয় আদৰ্শত গঢ় লৈ উঠা সেয়ে আমাৰ পৌৰাণিক নাটকবোৰত প্ৰকৃত ট্ৰেজেডি ফুটাই তোলা অসম্ভৱ।

নৰকে মাতৃনিন্দাৰ প্ৰতিশোধৰ দাবানল বুকুত বহি, স্বত গৌৰৱ উদ্ধাৰ কৰি, অস্ত্ৰ-প্ৰতিষ্ঠা কৰিবলৈ ঘটকাসুৰক বধ কৰি প্ৰাগজ্যোতিষৰ অধিপতি হৈ স্বৰ্গ-মৰ্ত্ত-পাতাল ছাৰখাৰ কৰিছে প্ৰবল ভাৱাবেগ (Primary Sentiment)ৰ তাড়নাত। নাটকখন পৰিচালিত হৈছে বহিৰ্দ্বন্দ্বৰ ঘটনাৰ দ্বাৰা।

নায়কৰ অন্তৰত যি ধুই জ্বলিছে, মানসিক দ্বন্দ্বই তেওঁৰ হিয়াৰ অটল-তলিত কি ধুমুহাৰ সৃষ্টি কৰিছে তাৰ সন্ধান আমি নাপাওঁ। ফলত নাটকখনে মানৱ-জীৱনৰ গভীৰতাক স্পৰ্শ কৰি জীৱনবোধ ফুটাই তুলিব পৰা নাই। অৱশ্যে তেওঁ এবাৰ মায়াক কৈছে : "বুকুফালি চোৱা যদি মায়া! দেখা পাবা হৃদয়ৰ তীৰে তীৰে শোণিতেৰে লিখা আছে— মাতৃঋণ,......।" (২য় অংক, ২য় দৰ্শন)। আকৌ শ্ৰীকৃষ্ণই নাৰায়ণৰ পুত্ৰ বুলি কোৱাত উচ্চসহিত কণ্ঠত কৈছিল : "........সকলোৱে শুনাকৈ উচ্চস্বৰে কোৱা মই দৈত্য নহওঁ, অসুৰ নহওঁ, জন্ম অধিকাৰত মই দেৱতা...। ৪ৰ্থ অংক, ৬ষ্ঠ দৰ্শ এনে ধৰণৰ দুই এটা উক্তিৰ। অন্তৰ্যত্ৰে নৰকৰ হিয়াৰ সামান্য পৰিচয় পোৱা যায় যদিও— ট্ৰেজেডিৰ নায়কৰ অন্তৰ্দ্বন্দ্বৰ ই প্ৰকৃত পৰিচয় নহয়।

প্ৰতিশোধ পৰায়ণতাৰ ভেটিত ৰচিত হোৱা নাটকৰ এক বিশেষ সুবিধা এয়ে যে প্ৰতিশোধ লবলৈ অগ্ৰসৰ হওঁতে নায়কৰ মনত দ্বিধা বা ইতস্ততঃতাৰ অৱেং আৰু ইয়ে নাটকীয় কাহিনীলৈ আনে বক্তৱতা আৰু গভীৰতা। হাজৰিকাদেৱে সেই সুযোগ গ্ৰহণ নকৰাত নাটকখন সাধাৰণ স্তৰলৈ নামি গৈ মেলোড্ৰামা হৈ পৰিছে। ড°

শৈলেন্দ্ৰ নাথ ভৰালীয়ে তেখেতৰ ‘ট্ৰেজেদি বিচাৰ’ নামৰ গ্ৰন্থত কৈছে ঃ “মেলোড্ৰামাৰ প্ৰকৃত বিচাৰ্য বিষয় নাটকৰ আত্মিক গুৰুত্বৰ অভাৱ অৰ্থাৎ অন্তঃসাৰশূণ্যতাৰ মাত্ৰাটো। গতিকে ভাৱৰ অগভীৰতাই মেলোড্ৰামাৰ প্ৰধান লক্ষণ বুলি ক’ব পৰা যায়।”

নৰকৰ প্ৰতিহিংসাৰ উৎস হৈছে বসুমতী। বসুমতী শেষলৈ হতাশ হৈ পৰিছে। তেওঁ সহিব নোৱাৰা হৈছে নৰকৰ মৃত্যু সন্নিকট অৱস্থা; শ্ৰীকৃষ্ণ আৰু নৰকৰ লগত বাকযুদ্ধত নামিছে। কিন্তু তেওঁৰ জ্বালাকালা হোৱা অন্তৰৰ পৰিচয় আমাৰ আগত দাঙি ধৰা নাই। অৱশ্যে তেওঁ শ্ৰীকৃষ্ণক কৈছে ঃ “কʼলৈ যাম? পুত্ৰৰ বিকট মৃত্যুদৃশ্য চাবলৈ নহয়নে? উস্। হৃদয়ত বাৰুদৰ চিতা জ্বলিছে। সাতো সাগৰৰ পানী ঢালিলেও তাক নুমুৱাব পৰা নাই।” (৪ৰ্থ অধ্যায়, ২য় দৰ্শন) কিন্তু ই এক প্ৰবল উত্তেজনাৰ মুহূৰ্তত কৰা ধনিকৰ উক্তিহে; বিবেক আৰু মনৰ মাজত হোৱা অন্তৰ্দ্বন্দ্বৰ পৰিচয় নহয়। সেইদৰে আন চৰিত্ৰবোৰ আনকি ইন্দ্ৰাদি দেৱতাসকলৰ চৰম বিপৰ্যয় ঘটাতো তেওঁলোকৰ অন্তৰ্দ্বন্দ্বৰ পৰিচয় পোৱা নাই। অৱশ্যে উত্তেজনা বশতঃ কৰা খণ্ডেকীয়া উক্তি আছে; উদাহৰণস্বৰূপে বিশ্বকৰ্মাৰ “ভাঙ, শিলভাঙ!” আদি কৰা উক্তিয়ে তেওঁৰ উক্তি অন্তৰ্দ্বন্দ্ব আৰু জীৱনবোধৰ সামান্য পৰিচয় দিয়ে। কিন্তু ই খণ্ডেকীয়া উক্তি আৰু চৰিত্ৰটো হৈছে আংশিক ভূমিকা লোৱা এটা পাৰ্শ্ব চৰিত্ৰ (Side-character) হে।

মুঠতে ভাৱৰ অগভীৰতা, অবাস্তৱতা আৰু জীৱনবোধ শূণ্যতা আদিৰ কাৰণে হজৰিকাদেৱৰ ‘নৰকাসুৰ’ নাটকখন উচ্চখাপৰ ট্ৰেজেদি নহৈ মেলোড্ৰামাৰ শাৰীলৈ পৰ্যৱসিত হৈছে। এজন সমালোচকে ঠিকেই কৈছে যে ট্ৰেজেদিয়ে মানুহৰ অন্তৰ্নিহিত আধ্যাত্মিক সমস্যা (eternal spiritual problems) দাঙি ধৰে, আনহাতে মেলোড্ৰামাই ক্ষণস্থায়ী, পাৰ্থিৱ বস্তু আৰু শাৰীৰিক ভোগ-লালসাৰ ওপৰত গুৰুত্ব দিয়ে।৪ নৰকাসুৰ নাটকত যদিও নৰকে শেষ শ্ৰীকৃষ্ণৰ হাতত অমৰত্ব বিচাৰিছে তথাপি গোটেই নাটকখন পৰিচালিত হৈছে নৰকৰ হৃত গৌৰৱ উদ্ধাৰ আৰু আত্ম প্ৰতিষ্ঠাৰ যোগেৰে বিচাৰিছে ইন্দ্ৰৰ সিংহাসন, অদিতিৰ কুণ্ডল যি ক্ষণস্থায়ী আৰু পাৰ্থিৱ বস্তু, হিমাদ্ৰি প্ৰদেশৰ পৰা ষোড়শ হাজাৰ কুমাৰী আনিও ক্ষান্ত নাথকি কামাখ্যাক বিয়া কৰবলৈ ওলাইছে- – যি শাৰীৰিক ভোগ বিলাসৰ মাধ্যোন। এতেকে নৰকাসুৰ নাটকখনি মেলোড্ৰামাহে।

গ্ৰীক ট্ৰেজেদি আছিল পৰিণতিত বিয়োগান্ত আৰু শেক্সপীয়েৰিয়ন ট্ৰেজেদিটো শেষত সদায় নায়কৰ মৃত্যু দেখুৱা হৈছে। কিন্তু নিয়তিৰ মতে যুঁজি যুঁজি মৃত্যু বৰণ কৰা এই নায়ক সকলৰ মৃত্যুত দৰ্শক বা পাঠকৰ অন্তৰ উথলি এখনি থাই ঐ দেহি বুলি এটি হুমুনিয়াহৰ সমবেদনা ওলায় আৰু অজানিতে দুটোপাল তপত চকুলো বৈ আহে। কিন্তু, নৰকৰ মৃত্যু আছিল কাম্য, কাৰণ “নৰকৰ অত্যাচাৰত আজি দেৱতাৰ টোপনি নাই। তিৰোতাৰ যৌৱনত হাবিলাষ নাই। তপস্বীৰ তপস্যাত শান্তি নাই।” (৪ৰ্থ অঙ্ক, ২য় দৰ্শন)। নৰকৰ মৃত্যুত অধৰ্মৰ পৰাজয় হৈ ধৰ্মৰ জয় হৈ পৃথিৱীত শান্তি স্থাপন হোৱাত সকলোৱে এক আত্মিক শান্তি লাভ কৰিছে, পৃথিৱীত শান্তি স্থাপন কৰাই ভগৱানৰ কাম্য। আৰু তাৰ কাৰণেই তেওঁৰ আৱিৰ্ভাৱ; সেয়ে নৰকক বধ কৰি উঠি শ্ৰীকৃষ্ণই কৈছে;

“পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।”
(৪ৰ্থ অঙ্ক, ৬ষ্ঠ দৰ্শন)

আমাৰ পৌৰাণিক নাটক বিলাকত ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় দেখুৱায়; সেই অনুসাৰে এইখন নাটকতো অধৰ্মৰ প্ৰতিমূৰ্তি নৰকৰ মৃত্যু দেখুৱা হৈছে। কিন্তু শ্ৰীকৃষ্ণৰ হাতত মৃত্যু হোৱাত তেওঁ মোক্ষ লাভ কৰি পৰম গতি পাইছে; আত্মা-পৰমাত্মাৰ লগত মহা মিলন ঘটিছে। হিন্দু ধৰ্মৰ শ্ৰেষ্ঠ কথা এয়ে যে মোক্ষ লাভ কৰা নৰকৰ এই মহা মিলন সন্নিকট জানি বিশ্বকৰ্মাই হৰ্ষিত হৈ কৈছে ঃ “আজি নৰকৰ ইমান ভাগ্য হʼল নে যে তুমি নিজে আহি শঙ্খধ্বনি কৰি কৰি নৰকক মুক্তি দিবা!” ৪ৰ্থ অঙ্ক, ৪ৰ্থ দৰ্শন) ইয়াত আত্মা-পৰমাত্মাৰ মিলনৰ সুখ দেখুওৱা হৈছে, এতেকে এই দৃষ্টিকোণৰ পৰা ই ট্ৰেজেদি নহৈ কমেডি হৈ পৰিছে।

শ্ৰীকৃষ্ণ। “যোৱা বীৰ!
বৈকুণ্ঠত নিজা স্থান কৰা অধিকাৰ। (ঐ)

পৰমাত্মাৰূপী শ্ৰীকৃষ্ণই নৰকৰূপী আত্মাক সাৱটি লৈ বৈকুণ্ঠত স্থান দিছে, ই যে মহা মিলন! আত্মা পৰমাত্মাৰ মহা মিলন!! — ট্ৰেজেদি মেলোড্ৰামা? — এই বিচাৰৰ উৰ্দ্ধত।

ট্ৰেজেডি : সাধাৰণ দৃষ্টিত যি নাটকৰ পৰিসমাপ্তি বা ফলাফল ক্ৰন্দন অৰ্থাৎ শেষ পৰিণতিত নায়ক-নায়িকাৰ বিচ্ছেদ বা মৃত্যু দেখুৱা হয় তাক ট্ৰেজেডি বা বিয়োগান্ত নাটক বোলে। কিন্তু প্ৰকৃত অৰ্থত ট্ৰেজেডিৰ অৰ্থ বৰ গভীৰ। ট্ৰেজেডিৰ কথাবস্তুৰ ভিতৰত মানৱ-জীৱনৰ গুৰুত্ববোধ লুকাই থাকে। 'জীৱনৰ গুৰুত্ববোধ' এই কথাষাৰৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে ট্ৰেজেডিৰ নায়কে ভাগ্য বা নিয়তিৰ ওচৰত পৰাভূত হৈয়ো হয়তো বাৰে বাৰে আত্ম প্ৰতিষ্ঠাৰ কাৰণে মূৰ তুলি উঠিবলৈ আপ্ৰাণ চেষ্টা কৰে। নায়কে বহিৰ্দ্বন্দ্ব (Outer conflict) আৰু অন্তৰ্দ্বন্দ্বৰ (Inner-conflict) দ্বাৰা খণ্ড-বিখণ্ড হৈও পৰাজয় স্বীকাৰ নকৰে : "ইয়াতে দেখিবলৈ পোৱা যায় মানৱৰ বীৰ্য।" 'বীৰ্য' দেখিবলৈ পোৱা কাৰণেই ট্ৰেজেডিৰ দুখ-বেদনাইও মনুষ্যক আনন্দ দিয়ে। সেয়ে সমালোচক এবাৰক্ৰম্বি (Abercrombie)য়ে কৈছে যে ট্ৰেজেডিয়ে হতাশাৰ মুহূৰ্ততো আমাক শান্তি দিয়ে ("Tragedy satisfies us even in the moment of distression.")

মহামতি এৰিষ্টটল (Aristotle) আৰু ৰিচাৰ্ড (Richard) আদিৰ মতে যি নাটকে দৰ্শক তথা পাঠকৰ অন্তৰত কৰুণা আৰু ভীতিৰ (Pity and Terror)) সঞ্চাৰ কৰিব পাৰে সেয়ে ট্ৰেজেডি। ট্ৰেজেডিৰ সাৰ্থকতা এইখিনিতে যে ই মানৱ মনত অভিভূত কৰি মানুহৰ অন্তৰত থকা দুখ বেদনাবোৰৰ নিৰ্গম হোৱাত সুবিধা কৰি দি মানুহৰ মনক পৰিশোধন কৰি মনলৈ সুস্থিৰতা আনে। প্ৰকৃত ট্ৰেজেডি উপভোগ কৰি মানুহৰ দুচকুৰে চকুপানী নিগৰি, এটি দুখৰ হুমুনিয়াহ ওলাই আহে, ফলত চিত্ত পৰিষ্কাৰ হৈ পৰে। এই পৰিস্থিতিকে এৰিষ্টটলে 'কেথাৰছিছ' (Catharsis) আখ্যা দিছে।

ট্ৰেজেডিৰ চমু ইতিহাস : গ্ৰীক সাহিত্যত পোনতে ট্ৰেজেডিৰ প্ৰচলন হয়। Aristotle-এ পয়েটিকছ (Poetics) নামৰ পুথিখনত গ্ৰীক ট্ৰেজেডিৰ লক্ষণ সম্বন্ধে আলোচনা কৰিছে। গ্ৰীক ট্ৰেজেডিৰ প্ৰভাৱতে পাশ্চাত্য সাহিত্যত ট্ৰেজেডিৰ প্ৰচলন হয়। মহান ইংৰাজ নাট্যকাৰ শ্বেক্সপীয়েৰৰ লেখনিত ট্ৰেজেডিৰ সুন্দৰ বিকাশ হোৱা দেখা যায়। তাৰ পাছত আধুনিক নাট্যকাৰ সকলৰ হাতত ট্ৰেজেডিৰ প্ৰচুৰ প্ৰচলন হ'বলৈ ধৰে। এইদৰে ট্ৰেজেডিৰ তিনিটা ধাৰা দেখা যায়। ১। গ্ৰীক ট্ৰেজেডি, ২। শ্বেক্সপীয়েৰিয়ান ট্ৰেজেডি আৰু ৩। আধুনিক ট্ৰেজেডি। প্ৰতিবিধ ট্ৰেজেডিৰ নিজস্ব বৈশিষ্ট্য আছে।

১। ছিদ্ৰযুক্ত বৰ : শেষ লগোৱা বৰ। দেৱতা সকলে অসুৰ ওৰ নকৰাকৈ বধ দিওঁতে অসুৰক বধ কৰিবলৈ এটা সুৰুঙা ৰাখে আৰু সেইটো অসুৰে বুজি নাপাই নিজকে অমৰ কৰি ধৰাৰ 'ৰক্ষা কৱচ' বুলি ভাবে। উদাহৰণ স্বৰূপে প্ৰহ্লাদ-পিতৃ হিৰণ্যকশিপুক নাৰায়ণে বৰ দিছিল যে তেওঁ দিনতো নমৰে ৰাতিও নমৰে আৰু মানুহ বা জীৱ জন্তুৰ হাততো নমৰে। কিন্তু দিন-ৰাতিৰ সন্ধিক্ষণ কালৰ কথা অসুৰে বুজি নাপালে আৰু নাজানিলে নৰসিংহ ৰূপী সিংহ মানুহৰ আবিৰ্ভাৱ হ'ব পৰাৰ কথা, সেয়ে তেওঁ অমৰত্ব লাভ কৰা বুলি ভাবিলে। এয়ে ছিদ্ৰযুক্ত বৰ।

২। নিকলে (Nicoll) 'Oedipas Tyrannus' নামৰ নাটকৰ আলোচনাত "চতুৰ্থ অভিনেতা" ভাগ্য (Fate)ৰ কথা কৈছে : "Fate appears above the stage like a fourth actor, playing a principal part, cheating deceiving, betraying, watching with a grim smile the blundering actions of the miserable king."

(Nicoll, Alardyce : The Theory of Drama)

৩। "...... in high tragedy.... particularly in the Greek and Elizabethan plays, the rhythm of the verse, to reave away our minds for a moment from the gloomy depths of the tragedy." (Nicoll : Ibid ঐ) মেলোড্ৰামা (melodrama) যি ট্ৰেজেডিত ট্ৰেজেডিৰ মুখ্য লক্ষণবোৰ প্ৰকাশ নাপায় তাক মেলোড্ৰামা বা নিম্নমানৰ ট্ৰেজেডি বোলা হয়। মহামতি এৰিষ্টটলে ট্ৰেজেডিৰ দুটা মুখ্য ধৰ্মৰ বিষয়ে এইদৰে কৈছে : (১) ট্ৰেজেডিৰ কাহিনীত অযৌক্তিক পৰিস্থিতি বা অযুক্তিকৰ কোনো ঘটনা থাকিব নোৱাৰে। (২) কোনো ঘৃণাৰ দ্বাৰা ভয়ৰ ভাবৰ সৃষ্টি কৰিব নোৱাৰিব। — য'ত এই দুটা ধৰ্ম ৰক্ষা নপৰে সেই ট্ৰেজেডিয়েই মেলোড্ৰামা বা অপকৃষ্ট ট্ৰেজেডি; অসমীয়াত ইয়াক 'অতি-নাটক' আখ্যা দিয়া হৈছে। নাটক জীৱনৰ অনুকৰণ; য'ত জীৱনত খাপ নোখোৱা ঘটনা, ঘৃণা আদি থাকে সেয়ে 'অতি-নাটক'। 'অতি নাটক' বা 'মেলোড্ৰামা'ৰ লক্ষণসমূহ : (১) ঘটনাৰ ওপৰত অনৱশ্যক প্ৰাধান্য দিয়া হয় বাবে মেলোড্ৰামাত আকস্মিক আৰু চাঞ্চল্যকৰ ঘটনাৰ সমাবেশ হয়। (২) চৰিত্ৰ নিজস্ব বৈশিষ্ট্য নথকাত চৰিত্ৰবোৰ হৈ পৰে টাইপ অৰ্থাৎ একে ধৰণৰ বৈশিষ্ট্যযুক্ত। (৩) ঘটনাৰ অন্তৰালত কোনো গভীৰতা নাথাকে অৰ্থাৎ মেলোড্ৰামাত জীৱন-বোধ বা জীৱন সম্বন্ধে গভীৰ ভাব স্ফুৰ্তি নুঠে। (৪) নাটকীয় কাহিনী মাথো বহিৰ্দ্বন্দ্বৰ দ্বাৰা পৰিচালিত হয়। চৰিত্ৰৰ অন্তৰ্দ্বন্দ্ব নথকাৰ কাৰণে মানৱ জীৱনৰ গভীৰ জীৱনবোধ ফুটি নোলায়। ফলত এনে নাটক অন্তঃসাৰশূন্য হৈ পৰে। "ভাবৰ অগভীৰতাই মেলোড্ৰামাৰ প্ৰধান লক্ষণ বুলি কব পৰা যায়।" (ড° শৈলেন ভৰালী)

৪। "Tragedy considers the eternal spiritual problems, melodramas deals with transitory, the material, the physical." — ট্ৰেজেডি বিচাৰ : ড° শৈলেন ভৰালী।

# বিজ্ঞান, অন্ধবিশ্বাস আৰু আমি

মিছ চুবেইয়া বেগম

'বিজ্ঞান, অন্ধবিশ্বাস আৰু আমি' শীৰ্ষক আলোচনাটিৰ ভিতৰত প্ৰবেশ কৰাৰ আগতে 'বিজ্ঞান কি?' আৰু 'ইয়াৰ প্ৰয়োজনীয়তা কি?'— এই বিষয়ে দু-আষাৰ কৈ ল'লে আলোচনাটি বুজাত সহজ হ'ব বুলি ভাবি এই বিষয়ে কিছু কথা কোৱা হ'ল। 'বিজ্ঞান' শব্দৰ আভিধানিক অৰ্থ 'উত্তম জ্ঞান'। যি জ্ঞান তথা বিশ্বাস যুক্তিৰ ভেটিত প্ৰতিষ্ঠিত কৰাই সত্য বুলি প্ৰমাণ কৰা হয় সেয়ে 'বিজ্ঞান' ('বি'-উত্তম, + জ্ঞান)। এই বিশ্বাসত সন্দেহ বা সংশয়ৰ প্ৰশ্ন উঠিব নোৱাৰে। জীৱ, পদাৰ্থ আৰু শক্তিৰ সু-সংগঠিত জ্ঞানেই হৈছে 'বিজ্ঞান'। ই হৈছে বিশ্ব-ব্ৰহ্মাণ্ডৰ বিষয়ে ভালকৈ জানিবলৈ আৰু কৰ্ম কৰিবলৈ পথ দেখুওৱা বিদ্যা; সেয়ে কিছুমানে ইয়াক জ্ঞান অৰ্জনৰ মৌলিক-নীতি বুলিও কয়। বিজ্ঞানে অন্ধবিশ্বাস, ভুল ধাৰণা আদিক বিনাশি মানৱ মনলৈ আনে আশা আৰু উদ্দীপনা। সেয়ে বিখ্যাত বৈজ্ঞানিক এলবাৰ্ট আইনষ্টাইনে কৈছে : "বিজ্ঞানৰ দৃষ্টিভংগী সাৰ্বজনীন। ই সাংস্কৃতিক আহিলা হিচাপে উদাৰ আৰু বহল আদৰ্শ পাতি ধৰি চেতনাহীন প্ৰতিয়তাবাদৰ পৰা মানুহক মুক্ত কৰে আৰু প্ৰগতিত সহায় কৰে।"

ঘৰ এটা সাজিবলৈ যিদৰে এটা সুন্দৰ আৰু সুদৃঢ় ভেটিৰ প্ৰয়োজন সেইদৰে সুস্থ-সবল জীৱন-যাত্ৰা আৰু দেশ এখনৰ প্ৰগতিৰ বাবে জন-মানসত সুদৃঢ় বৈজ্ঞানিক জ্ঞানৰ ভেটিৰ প্ৰয়োজন। কিন্তু দুখৰ বিষয় যে আমাৰ দেশৰ শতকৰা আশীভাগ মানুহে গ্ৰাম্য অঞ্চলত বসবাস কৰে আৰু তাৰে প্ৰায় ৭৪% ভাগ মানুহেই নিৰক্ষৰ। বিজ্ঞান কি বস্তু তেওঁলোকে নাজানে; বৈজ্ঞানিক প্ৰগতিৰ বিষয়ে জনাটোতো দূৰৈৰ কথা। দেখা গ'ল যে আমাৰ জনসংখ্যাৰ বৰিষ্ঠ সংখ্যকেই বিজ্ঞানৰ বিষয়ে অজ্ঞ। সেয়ে আমাৰ দেশত এক বৈজ্ঞানিক মানসিকতাৰ অভাৱ আৰু ফলস্বৰূপে আমাৰ জীৱন-যাত্ৰাৰ মানদণ্ড উন্নত হ'ব পৰা নাই। দেশৰ উন্নতিৰ কাৰণে বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে ডঃ হোমি জাহাংগীৰ ভাবাই কৰা উক্তি উল্লেখযোগ্য : "এটা শক্তিশালী বৈজ্ঞানিক ভেটি প্ৰথমে সুদৃঢ় কৰিলেহে তাত উদ্যোগ গঢ় লৈ উন্নতি হ'ব পাৰে।" বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি পণ্ডিত নেহৰুৱে তেওঁৰ জীৱনী গ্ৰন্থত মন্তব্য কৰিছে : "আমাৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ আৱশ্যক বা কি? আমাৰ মাজত বিজ্ঞানৰ বুনিয়াদত গঢ়ি উঠা চিন্তাৰ প্ৰয়োজন। আমাক আজি বিজ্ঞান আৰু বিজ্ঞান ভিত্তিত গঢ় লোৱা আধ্যাত্মিকতাবাদহে যুক্তিৰ প্ৰয়োজন হৈ পৰিছে।"

আজি একবিংশ শতিকাত ভৰি দিবলৈ ওলাইও, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সাফল্য প্ৰত্যক্ষ কৰিও আমি বিজ্ঞানক বহল আৰু উদাৰ দৃষ্টিৰে গ্ৰহণ কৰিব পৰা নাই। সেয়েহে সামাজিক সংস্কাৰ হিচাপে আৰু সময়ে সময়ে ধৰ্মৰ পৰা লৈ 'অন্ধবিশ্বাসে' আমাৰ সমাজত বিশেষ স্থান লাভ কৰি থকা দেখা গৈছে। বিশ্বৰ প্ৰায় সকলো দেশতেই এনেকুৱা কিছুমান অন্ধবিশ্বাসৰ প্ৰচলন আছে। আমাৰ সমাজত প্ৰচলিত এনেকুৱা কিছুমান 'অন্ধবিশ্বাস' এই প্ৰবন্ধটিত বিজ্ঞানৰ দৃষ্টিৰে ফঁহিয়াই চাওঁ আহক।

অন্ধবিশ্বাসনো কি? পৰ্যবেক্ষণ পৰীক্ষা কৰি নোচোৱাকৈ, কোনো যুক্তি বিচাৰ কৰি নোচোৱাকৈ অন্ধভাৱে যি বিশ্বাস কৰা হয়, সিয়েই অন্ধবিশ্বাস। মানৱ সমাজত প্ৰাচীন কালৰেপৰা মানুহে কিছুমান ৰীতি-নীতি, কু-সংস্কাৰ মানি লৈ অন্ধবিশ্বাসত বুৰ গৈ আছে। নতুনকৈ বিয়া হৈ অহা বোৱাৰীজনীয়ে ঘৰৰ কোনো বস্তু লৈ উঠোঁতেই পা-পা খুই চোতাল মচি থ'ব লাগিব। নহ'লে বাহি চোতাল ঘৰৰ বয়সস্থ মানুহে দেখিলে আয়ুস টুটে বুলি বিশ্বাস কৰে। খোৱা-বোৱাৰ

ক্ষেত্ৰটো দেখা যায় তিৰোতাই সকলো ধৰণৰ মাছ খাব নোৱাৰে। কোনো গোঁসাইৰ ওচৰত 'শৰণ' লোৱা তিৰোতাই শাল মাছ, শিঙি মাছ, মুৰ্গীৰ মাংস ইচ্ছা থাকিলেও খাব নোৱাৰে। বিধৱা তিৰোতাসকলে কোনো সামাজিক কাম বা ধৰ্মীয় উৎসৱত মুকলিভাৱে অংশ গ্ৰহণ কৰিব নোৱাৰে। একবিংশ শতিকাৰ দুৱাৰ দলিত থিয় হৈয়ো আমি শুনিবলৈ পাইছো অন্ধবিশ্বাসৰ বলী হৈ সংঘটিত হোৱা সতীদাহ, হৰিজন বধ, মুছলমান মহিলা শ্বাহ বানুৰ অপমাননাৰ কাহিনী। সমাজৰ এটা অংশ এই মহিলাসকলক এনেদৰে অৱজ্ঞা বা সমাই বাখোতেও অন্ধবিশ্বাসেই ক্ৰিয়া কৰে। মহিলাসকলক কৰা অৱজ্ঞা আৰু অসমতাৰ বাবে সমাজত মহিলাৰ স্থান সম্পৰ্কে ধাৰণাসমূহ নিঃসন্দেহে অন্ধবিশ্বাসৰ শাৰীত হ'ব পাৰি। কিয়নো এইবোৰত কোনো বৈজ্ঞানিক যুক্তি নাই।

একেদৰে ভাৰতবৰ্ষত 'ধৰ্মৰ গোড়ামী' আৰু 'বৰ্ণভেদ' প্ৰথাকো অন্ধবিশ্বাসৰ আন এটা ৰূপ বুলি ক'ব পাৰি। যিহেতু ইয়াৰ দ্বাৰাও সমাজৰ বিভিন্ন গোষ্ঠীৰ মানুহৰ মাজত ভিন্নভাৱ সৃষ্টি হয়। মানুহৰ মন সাধাৰণতে দুৰ্বল, আৰু এই মানসিক দুৰ্বলতাই প্ৰশ্ৰয় দিয়ে অন্ধবিশ্বাসক। কেতিয়াবা কেতিয়াবা অজ্ঞতাও ইয়াৰ কাৰণ হয়। দুৰ্বল চিত্তৰ মানুহে ঈশ্বৰৰ দোহাই দি অন্ধবিশ্বাস আৰু কু-সংস্কাৰক প্ৰশ্ৰয় দিয়ে। উদাহৰণ স্বৰূপে আকস্মিক কোনো দুৰ্ঘটনাত যদি কথমপি বাচি যাওঁ তেন্তে ভাগ্য বা ঈশ্বৰৰ দয়া বুলি সান্ত্বনা লওঁ আৰু যদি মৃত্যু হয় তেন্তে দুষ্ট গ্ৰহৰ ওপৰত দোষ জাপি দিওঁ। ভাৰতীয় মানুহে ধৰ্মৰ নামত প্ৰশ্ৰয় দিয়া কু-সংস্কাৰৰ বিষয়ে ক'বলৈ গৈ পণ্ডিত লেখকজনে তেখেতৰ আত্মজীৱনীত এটি উদাহৰণ দাঙি ধৰি কৈছে যে চন্দ্ৰগ্ৰহণৰ সময়ত বাহুগ্ৰস্ত চন্দ্ৰদৰ্শন কৰিলে বা তাৰ প্ৰভাৱত পাপ হয় বুলি বা শৰীৰ অশুচি হয় বুলি হেজাৰ হেজাৰ ধৰ্মপ্ৰাণ মানুহে গঙ্গাত গা ধুই শুচি হয়। ইয়াত ধৰ্ম গোড়ামিৰ বাহিৰে বৈজ্ঞানিক সত্যতা একো নাই।

বৰ্তমান যুগতো এচাম মানুহে গতিশীল বস্তুৰ আঁৰত অশৰীৰী আত্মাৰ অস্তিত্বৰ কথা যিদৰে বিশ্বাস কৰে সেইদৰে বেমাৰ আজাৰ আদিও অপদেৱতাৰ প্ৰভাৱত হোৱা বুলি বিশ্বাস কৰে, আৰু কিছুমান বেমাৰৰ ক্ষেত্ৰত (যেনে- বসন্ত, কলেৰা আদি) কোনো দেৱ-দেৱীৰ অলৌকিক শক্তিৰ প্ৰভাৱ বুলি বিশ্বাস কৰে। এই বিশ্বাস বিলাকৰ ওপৰত বিশ্বাসেই ইয়াৰ আধাৰ। এনে অলৌকিক শক্তিত বিশ্বাস থকা বাবেই মানুহে নিজৰ বাস্তৱ, সক্ৰিয়া, গতিশীল সত্তাক হেৰুৱাই পেলাইছে।

অলপ মন কৰিলেই আপুনি ওপৰত উল্লেখ কৰা অলৌকিক শব্দটোৰ লগত সাক্ষাৎ পাই পৰিব। কিয়নো যদিহে আপুনি যাদুবিদ্যা চাবলৈ কেতিয়াবা গৈছে, নিশ্চয় যাদুখেল দেখিবলৈ পাইছে। এই যাদুখেলবোৰৰ ভিতৰত আমাক আচৰিত কৰি দিয়া খেলটো হ'ল দেহৰ কলিজা বা ডিঙি কটাৰ খেল। সাধাৰণ মানুহে ইয়াক অলৌকিক বুলিয়ে ভাৱিব। কিন্তু কলিজা কটা বা ডিঙি কটা খেলটো কোনো অলৌকিক কাণ্ড নহয়, ই এটা মানুহৰ চকুত ধূলি দিয়া কৌশলহে। চকুত ধূলি দিয়া বুলি এই কাৰণেই কৈছো যে ডিঙি বা কলিজা কটা কৌশলটো চুবিখনতে লুকাই আছে। আন কিছুমান খেল যেনে, বতাহৰ পৰা বস্তু লৈ পইচা সৃষ্টি কৰা, চুটি লাঠি দীঘল কৰা, পিলাচৰ ভিতৰৰ পৰা পানী চলাই ওলোৱা আদিবোৰ আমাৰ অলৌকিক যেন লাগিলেও অলৌকিক নহয়, কিছুমান বিশেষ কৌশলহে মাত্ৰ।

সেইদৰে আমাৰ সমাজত বেমাৰ আজাৰ ভাল কৰাৰ ক্ষেত্ৰতো যাদুখেল বিশেষ ভূমিকা লোৱা দেখা যায়। কোনো সাঁই বাবাই হাতৰ তলুৱাৰে পৰা বিভূতি তৈয়াৰ কৰি কঠিন ৰোগ ভাল কৰাৰ দৰে যাদুখেল আমাৰ সমাজত আছে।

আমি বাস্তৱ দৌতিত লাইব্ৰা বজাৰ আনিত প্ৰায়েই দেখিবলৈ পাওঁ সাপৰ খেল দেখুৱা মানুহজনে সাপৰ বিষ খালে অথচ মানুহজনৰ একোৱেই নহ'ল। ইয়াত আচৰিত হ'বলৈ একো নাই কিয়নো বিষ খালে হজম হৈ যায়। যদিহে সাপুড়িয়া জনৰ দাঁত পাইৰিয়া ৰোগগ্ৰস্ত অথবা পাচনতন্ত্ৰৰ কোনো অংশত ঘা বা কটা-ছিঙা থাকে তেনেহ'লে সেই বিষ তেজত মিহলাৰ ভয় থাকে। তেনে ক্ষেত্ৰত বাদিয়াজন ধন্যবাদৰ যোগ্য। সি যি কি নহওঁক আমি মনত ৰখা উচিত যে যাদুখেল কোনো অলৌকিক কাণ্ড নহয় ই মাথোঁ কৌশলহে। এই কৌশল সমূহ বিভিন্ন ধৰণে

ব্যৱহাৰ কৰি জন-চক্ষুৰ আগত দাঙি ধৰে।

১৯৮৫ চনত বাংগালোৰত বৰষুণৰ অভাৱত পানী যোগান ব্যাহত হৈছিল। ফুল মহৰ 'শুভ মুহূৰ্ত' এটাত স্বামী শিৱবাল যোগী ধ্যানত বহিল। বাংগালোৰ পানী যোগানৰ মূল আধাৰ টিপ্পা গোৱালি বিজাৰ্ভয়ৰৰ যদি বৰষুণ নমাই ভৰাই দিব পাৰি তেনেহলে বাইজে উশাহ নিশ্বাস পেলাব পাৰিব। পঞ্চাশ বছৰীয়া স্বামীজী ধ্যানমগ্ন হ'ল এখন বাখৰ ছালৰ ওপৰত। তেওঁৰ শিষ্যসকলে ভজন, স্তোত্ৰ পাঠ আৰম্ভ কৰিলে আৰু ভজনৰ তালে তালে নাচিব ধৰিলে। প্ৰায় আঢ়ৈ ঘণ্টা ধ্যান কৰিলে তাৰ পিছত সাংবাদিক সকলক ক'লে যে তেওঁ আৰু বেছি সময় ধ্যান কৰিব নলাগে, বৰষুণ সোনকালে হ'ব। সেইদিনা সচাঁকৈয়ে আকাশত ক'লা ডাৱৰ দেখা গ'ল আৰু বৰষুণ নামিল। বতৰ বিজ্ঞানী সকলে বৰষুণ হ'ব বুলি দিয়া আগলি বতৰা আৰু বাতিপুৱা আকাশবাণীযোগে প্ৰচাৰিত সময় অনুসৰিহে বৰষুণ হৈছিল। কিন্তু জনসাধাৰণে সেইটো পৰ্যবেক্ষণ নকৰাকৈয়ে বিশ্বাস কৰি ল'লে যে স্বামীজীৰ ধ্যানৰ অলৌকিক ফল স্বৰূপে বৰষুণ হ'ল।

সেইদৰে ভূত-প্ৰেতত বিশ্বাস, ৰাশিফলৰ পঞ্জিকা, তাবিজ, মাদলি, বাবাজী, আই-গোঁসানীৰ আত্মাৰ তত্ত্বৰ বোমাঞ্চ আদি আমাৰ সমাজত প্ৰচলিত অন্ধবিশ্বাস।

আন কিছুমান অন্ধবিশ্বাস আমাৰ সমাজত প্ৰচলিত যেনে হাঁচি মৰা। হাঁচি সম্পৰ্কেও বহু অন্ধ-সংস্কাৰ আছে। হাঁচিৰ জৰিয়তে সূক্ষ্ম আত্মা ওলাই যোৱাৰ ভয়ত এচাম মানুহৰ মুখৰ পৰা স্বতঃস্ফূৰ্ত ভাৱে ওলাই আহে 'জীৱ বহ' অৰ্থাৎ আত্মা ওলাই নাযাবা ভিতৰতে বহি থাকা। আকৌ যাত্ৰা কালৰ পাছত হাঁচিয়ালে যাত্ৰা নাস্তি হয়। বিজ্ঞানীসকলে হাঁচিৰ কাৰণ ব্যাখ্যা কৰিছে— ই এক শাৰীৰিক প্ৰতিক্ৰিয়া। নাকৰ ভিতৰত থকা পাতল আৱৰণটো উত্তেজিত হ'লে ট্ৰায়েজেমিনেল আৰু অ'লফেক্টৰি নামৰ স্নায়ু উত্তেজিত হয় আৰু তাৰ ফলত শ্বাস-প্ৰশ্বাসৰ মাংসপেশীবোৰ হঠাৎ সংকুচিত হৈ হাঁচি ঘটায়। এলাৰ্জি, ইনফ্লুৱেঞ্জা আদিৰ ফলতো হাঁচি আহে।

চকুৰ পতা নচাক কেন্দ্ৰ কৰিও অন্ধবিশ্বাস চলি আছে। শুক্লপক্ষৰ বাতি মহিলাৰ বাঁও চকু নাচিলে শুভ খবৰ আহে বুলি আজিও মানুহে বিশ্বাস কৰে। বিজ্ঞানৰ মতে চকুৰ পতা নাচে সাধাৰণতে 'অৰ্বিকুলাৰিছ অকুলি' উত্তেজিত হোৱাৰ বাবেহে। ঘন ঘনকৈ চকুৰ পতা নাচিলে শৰীৰত কৰবাত গণ্ডগোল হোৱা বুলি জানিব লাগে আৰু চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে।

সংখ্যা সম্পৰ্কেও আমাৰ সমাজত অন্ধবিশ্বাস আছে। উদাহৰণস্বৰূপে এটা সংখ্যা হ'ল '১৩ নম্বৰটো' (Unlucky thirteen)। এই নম্বৰটো বিশেষকৈ খ্ৰীষ্টীয়ানসকলৰ মাজত বেছি প্ৰচলিত। যীশু খ্ৰীষ্টৰ শেষ নৈশভোজনত বাৰজন শিষ্যৰে সৈতে মুঠ তেৰজন লোক খাইছিল। বিশ্বাসঘাটক 'যুডাছ ইছকেৰিয়ট' আছিল অন্যতম। সেয়েহে ১৩ নম্বৰটোক খ্ৰীষ্টীয়ান সকলে অমংগলীয়া বুলি গণ্য কৰে। ঠিক তেনেদৰে '৩ নম্বৰ'টোও উল্লেখযোগ্য সংখ্যা। বেছিভাগ খ্ৰীষ্টীয়ানে 'ট্ৰিনিটি' বিশ্বাস কৰে। 'ট্ৰিনিটি' মানে তিনিটা ৰূপ। সেইদৰে তিনিৰ তিনি গুণ 'ন' টো এক উল্লেখনীয় নম্বৰ। বিজ্ঞানৰ দৃষ্টিৰে চাবলৈ গ'লে এই সংখ্যাবোৰক অমংগলীয় বুলি গণ্য কৰাৰ কোনো যুক্তি পৰিলক্ষিত নহয়।

জ্যোতিষ শাস্ত্ৰ আৰু হস্তৰেখাক কেন্দ্ৰ কৰিও মানৱ সমাজত কিছুমান অন্ধ বিশ্বাসে স্থিতি লাভ কৰি আহিছে। প্ৰাচীন কালৰে পৰা ভাৰত, চীন আদি দেশত জ্যোতিষ বিদ্যাৰ প্ৰচলন হৈ আহিছে। জ্যোতিষ বিদ্যাৰ মতে কোনো মানুহৰ ভৱিষ্যত তেওঁৰ জন্মৰ লগে লগে নিৰ্ধাৰিত হয়। মানুহজনৰ স্বভাৱ, চৰিত্ৰ, উন্নতি, অৱনতি, বিবাহ, মৃত্যু আদিবোৰ নিৰ্ভৰ কৰে কেইটামান গ্ৰহ-নক্ষত্ৰৰ অৱস্থানৰ ওপৰত। অলপ বিশ্লেষণ কৰি চালেই দেখা যাব যে, গ্ৰহ-নক্ষত্ৰৰ প্ৰভাৱেই নহয়, জ্যোতিষ শাস্ত্ৰৰ অন্যান্য মূলতত্ত্ব সমূহৰো কোনো বৈজ্ঞানিক ভিত্তি নাই। জ্যোতিষ শাস্ত্ৰৰ মতে, পৃথিৱীখন স্থিৰ আৰু ইয়াক কেন্দ্ৰ কৰি সূৰ্য্য আৰু গ্ৰহ-নক্ষত্ৰবিলাকে প্ৰদক্ষিণ কৰিছে। তাৰোপৰি জ্যোতিষ শাস্ত্ৰত যিবিলাক গ্ৰহৰ কথা কোৱা হয়, তাৰে ভিতৰত বুধ, শুক্ৰ, মঙ্গল, বৃহস্পতি, শনি এই পাঁচটাৰহে কথা উল্লেখ থাকে। জ্যোতিষ শাস্ত্ৰত শিশুৰ জন্মৰ সময়ৰ ভূমিকা মন কৰিবলগীয়া। সকলো জ্যোতিষীৰ মতে এই সময় বেলেগ বেলেগ। কিছুমানৰ মতে মাতৃ গৰ্ভৰ পৰা ওলাই অহা সময়খিনিয়েই শুভ মুহূৰ্ত। আন কিছুমানৰ মতে গৰ্ভ

সন্তানৰ সময়টোহে আচল মুহূৰ্ত। তেনেক্ষেত্ৰত আজিকালি 'চিজাৰিয়ান' অপাৰেচনৰ দ্বাৰা চিকিৎসক সকলে যি কোনো ক্ষণতে শিশু এটাক জন্ম দিয়াব পাৰে। তেনে এটা শিশুৰ জন্মৰ মুহূৰ্তৰ ওপৰত যদি ভাগ্য নিৰ্ভৰ কৰে তেন্তে সেই শিশুটোৰ ভাগ্য নিয়ন্ত্ৰা হ'ব চিকিৎসকজন।

জ্যোতিষ বিদ্যাৰ দৰেই হস্তৰেখা বিদ্যাও এক অপবিজ্ঞান (Pseudo Science) মাত্ৰ। হস্তৰেখাবিদসকলে হাতৰ ৰেখা কেইডালমান পৰীক্ষা কৰি ভাগ্য বা ভৱিষ্যত নিৰূপণ কৰে। কিন্তু বিজ্ঞানৰ মতে ভ্ৰূণ অৱস্থাত ৭-৮ সপ্তাহৰ ভিতৰত শিশুৰ ছাল আৰু ১২-১৪ সপ্তাহৰ ভিতৰত ভাঁজ (Skin crease) তৈয়াৰ হয়। গৰ্ভস্থ সন্তানে মুঠি মাৰি থকাৰ ফলত হাতৰ তলুৱাত ৰেখাবিলাকৰ সৃষ্টি হয়। হাতৰ বিভিন্ন ধৰণৰ সঞ্চালনৰ বাবে এই ৰেখা বিলাক অপৰিহাৰ্য। গতিকে দেখা গ'ল যে তলুৱাৰ বা আঙুলিৰ মূৰত ৰেখাবিলাকৰ পৰা মানুহৰ ভাগ্য গণনা কৰাৰ কোনো বৈজ্ঞানিক ভিত্তি নাই।

কলিকতাৰ পৰা প্ৰকাশিত 'উৎস মানুষ' নামৰ এখন পত্ৰিকাত এক আমোদজনক তথ্য প্ৰকাশ পাইছিল। তথ্যটো এনে ধৰণৰ— এজন প্ৰখ্যাত হস্তৰেখাবিদৰ ওচৰলৈ দুখন হাতৰ ছাপ পঠোৱা হৈছিল। হস্তৰেখা বিচাৰ কৰি হস্তৰেখাবিদজনে অন্যান্য তথ্যৰ লগতে কৈছিল— যিজন লোকৰ হাতৰ ছাপ পঠোৱা হৈছিল তেওঁ মূৰ্খী ৰোগত আক্ৰান্ত, পঢ়াশুনাত খুব উন্নতি কৰিব পাৰিব, তেইশ বছৰত উপাৰ্জনশীল হ'ব আৰু ৬০-৬২ বছৰ জীয়াই থাকিব। আপুনি তথ্যটো পঢ়ি ভাবিছে হ'বপায় এইটো আমোদজনক কেনেকৈ হ'ল। এই বাতৰিটো আমোদজনক এই কাৰণেই আছিল যে যি দুখন হাতৰ ছাপ পঠোৱা হৈছিল সেই ছাপ দুটা কোনো মানুহৰ নাছিল, এটা তেৰ বছৰীয়া বান্দৰৰহে আছিল।

মানসিক ৰোগকো একপ্ৰকাৰৰ সংক্ৰামক ৰোগ বুলি বহুতে বিশ্বাস কৰে। কিছুমানৰ মতে, মানুহ যদি এবাৰ উম্মাদ হয়, তেন্তে তেওঁ আৰু তাৰপৰা মুক্ত হ'ব নোৱাৰে; তেওঁ হয় চিৰ উম্মাদ। আন কিছুমানৰ মতে, মানসিক ৰোগী সকল বুদ্ধিহীন আৰু অকৰ্মন্য। এই সকলো ধ্যান-ধাৰণা আচলতে অন্ধবিশ্বাসহে। 'চৰক সংহিতা'ৰ মতে মানসিক ৰোগৰ কাৰণ সমূহ হ'ল পৰিত্যক্ত ঘৰত বাস কৰা, চন্দ্ৰ গ্ৰহণ, সূৰ্য্য গ্ৰহণত শাস্ত্ৰৰ বিধি নমনা, দেৱস্থান-তীৰ্থস্থানত শৌচ-পেচাব কৰা, অস্নান অৱস্থাত তেনে ঠাইলৈ যোৱা, শ্মশান-বধ্যভূমি বা নিৰ্জন ঘাটৈদি অকলে যোৱা, দেৱ-দেৱী, ব্ৰাহ্মণ-সিদ্ধপুৰুষক অশ্ৰদ্ধা কৰা, ভুল গায়ত্ৰী জপ কৰা, ৰজঃস্বলা নাৰী সম্ভোগ, ব্ৰহ্মচৰ্য্যৰ নিয়ম ভংগ ইত্যাদি।

'চৰক সংহিতা'ৰ মতে ওপৰত উল্লেখ কৰা মানসিক ৰোগৰ কাৰণসমূহ কিছুক্ষেত্ৰত সত্য হ'লেও সম্পূৰ্ণ যুক্তিসম্মত নহয়।

উল্লেখিত আলোচনাটিৰ পৰা আমি অজিও যে আমাৰ দৈনিক জীৱনৰ প্ৰতি খোজতে অন্ধবিশ্বাসৰ বন্দী হৈ আছোঁ তাৰ কথাই প্ৰমাণ হয়। যি সমাজত এনে কোটি কোটি অন্ধবিশ্বাস বৰ্ত্তি থাকে সেই সমাজত বিজ্ঞান ভিত্তিহীন, সেই সমাজ প্ৰগতিশীল। গতিকে আঙুলিয়াই দেখুৱালেহে এটি নৱজাগৰণ হ'ব। তাৰ বাবে আমাৰ মানসিক প্ৰস্তুতি আৰু বুদ্ধিমত্তাৰ প্ৰয়োজন। আমাৰ সমাজৰ পৰা অন্ধবিশ্বাস দূৰ হ'লেহে আমি সুস্থ-সৱল সামাজিক জীৱন-যাপন কৰিব পাৰিম। তাৰ কাৰণে আমাৰ সমাজৰ প্ৰতিজন ব্যক্তিয়ে কিছু শিক্ষাৰ পোহৰ পাব লাগিব; শিক্ষাৰ পোহৰত যেতিয়া সকলোৱে বাস্তৱ স্বৰূপ অৰ্থাৎ সত্যটো উপলব্ধি কৰিব পাৰিব, তেতিয়া 'বিজ্ঞান কি'? আৰু 'ইয়াৰ প্ৰয়োজনীয়তা কি?' এই কথা সকলোৱে বুজি পাব। আৰু তেতিয়াহে জন-মানসত সুদৃঢ় বৈজ্ঞানিক ভেটি গঢ়ি উঠিব। এই ক্ষেত্ৰত আমাৰ দৰে উঠি অহা কিশোৰ-কিশোৰী সকলৰ দায়িত্বই অধিক। আমিয়ে গঢ়ি তুলিব লাগিব এক বৈজ্ঞানিক জন-মানস। এই দিশত এই সৰু আলোচনাটিয়ে কিছু আলোকপাত কৰিব বুলি আশা ৰাখি প্ৰবন্ধটিৰ ইয়াতে সামৰণি মাৰিলোঁ।

# বিভ্ৰান্ত ...

মাধৱ চন্দ্ৰ দাস
অতিথি লিখক



পিংকি ধীৰে ধীৰে ইউনিভাৰচিটিৰ গাতে লাগি থকা ফুটপাথেৰে আগবাঢ়ি গৈ কৃষ্ণকান্ত সন্দিকৈ লাইব্ৰেৰীৰ বাৰান্দাখনতে বহি পৰিল। আৰু কিছু আগবাঢ়িলেই চায়েঞ্চ কেন্টিন। বহুদিনৰ চিনাকী কথা এটা পিংকিৰ মনত পৰিল। ইয়াতেই বহি কথা পাতিছিল পিংকিয়ে প্ৰীতমৰ সতে। প্ৰীতমৰ কথাত পিংকিয়ে কান্দিছিল, কাষেৰে আগবাঢ়ি গৈছিল দুই এজন ছাত্ৰ-ছাত্ৰী। সেইবোৰলৈ ভ্ৰুক্ষেপ নাই পিংকিৰ। বহুতো নিৰ্লিপ্ত উদাস ভংগী। মনত তাৰ হৈছিল কিমান দিন যে পিংকিয়ে ইয়ালৈ অহা নাই। অন্তৰ ভুমুৰি উঠে। এইবোৰ ঠাই তাইৰ কিমান চিনাকী। এদিনাখন কিমান আপোন আছিল। বুকু ভেদ কৰি এটি দীৰ্ঘশ্বাস বাহিৰ হৈ আহিল। সকলোবোৰ কিমান সলনি হৈ গৈছে। এতিয়া আৰু কোনেও তাইক চিনি নেপায়। প্ৰত্যেকে নিজৰ নিজৰ দায়িত্বত আতৰি গৈছে। মুহূৰ্ততে বহুতো চিনাকী মুখ চকুৰ আগত ভাঁহি উঠে আৰু নাইকিয়া হয়। বহাৰপৰা উঠি এখোজ দুখোজকৈ আগবাঢ়ি গল পিংকি। ওচৰৰ প্ৰকাণ্ড এডমিনিষ্ট্ৰেটিভ বিল্ডিংটোৰ গাত এতিয়া আবেলিৰ ক্লান্ত মলিন পোহৰ পৰিছে। কেন্টিনৰ বিপৰীত ফালৰ ফুটপাথৰ গছৰ ওপৰত তাৰ দুৰ্ব্বল কঁপা কঁপা হাঁ বোৱে লুকাভাকু খেলিছে। সেইফালে বহুসময় ধৰি চাই থাকিল তাই। কি বিচাৰিছিল, সি জানে। থাকি থাকি আৰু এটা হুমুনিয়াহ পেলালে। এই সকলোবোৰেই আজি তাইৰ মনত নতুন অচিনাকী বুলি ধাৰণা হৈছে। অথচ এদিনাখন হৃদয়ৰ গভীৰ আবেগ, মমতা, বেদনা আনন্দৰ প্ৰতিটো ধূলিকণাতেই মিলাই দিছিল। আজি আৰু তাৰ কোনো চিন নাই। সময়ৰ সোঁতে সকলো মুচি পেলাইছে। ওচৰেৰে যি দুই এজন অহা যোৱা কৰিছে, পিংকিয়ে ভালকৈ এবাৰ চালে সিহঁতক। কোনো তাইৰ পৰিচিত নহয়। এই কেইদিনৰ ভিতৰতেই যে তাই একেবাৰে অপৰিচিত, অৱাঞ্চিত হব সেইটো কেতিয়াও ভবা নাই। অথচ এই ঠাইতেতো তাইৰ এদিনাখন অন্তৰঙ্গৰ গঢ়ি উঠিছিল। কেনি গল সেই দিনবোৰ। তাইৰ ধাৰণা হল, ইয়াতে তাই অকলশৰীয়া নিঃসংগ। গুৱাহাটীত তাই ভৰি দিয়াৰে পিচত তাই এক গাঢ় উষ্ণ আবেগ বোধ কৰিছিল। ভাবিছিল কিমান দিনৰ পিচত তাইৰ বন্ধু বান্ধৱীবোৰৰ

লগত দেখা হ'ব। কিন্তু এতিয়া মনত হল নাহিলেই হয়তো ভাল আছিল। বুকুৰ ভিতৰত এক গভীৰ যন্ত্ৰণা। তাই অন্যমনস্ক হৈ পৰিছিল। হঠাৎ সচকিত হ'ল।

বহুতো হাই উৰুমিৰে এখন কেঞ্জৰ অহি ৰাখিলে তাইৰ কাষত। আগৰ ষ্টপেজত পিৰিয়েক নামিছে। এই ষ্টপেজত ধৈণীয়েক আৰু লৰাটো নামিলে বহুতো ভিৰ হৈলি। বাকীবোৰৰ মাজত তেতিয়াও কাজিয়া কৃতপত্তিত। পিংকি লাহে লাহে আনটো পাৰলৈ আহিল। দুই এটা আৰু সৰুসুৰা কাম আছেই। নাইট চুপাৰ সেইদিনাহি। যোৱাকালি আবেলি তাই আহিছে। পল্টন বজাৰৰ হোটেল মহুৰত তাই উঠিছে। অৱশ্যে হাতত এতিয়াও যথেষ্ট সময় আছে। এবাৰ ভাবিছিল চিনেমাই চাব। এখন ভাল ছবি চলিছে ইয়াত—"আকেলে হাম আকেলে তুম।" কিমান দিন যে চিনেমা চোৱা নাই। এবাৰ প্ৰীতমে খুব কৈ ধৰিছিল এখন চিনেমা চাবলৈ প্ৰাগ'ত "প্ৰেম"। কিন্তু সেইদিনা যথেষ্ট কামৰ হেঁচাত পিংকিয়ে প্ৰীতমৰ কথা ৰাখিব নোৱাৰিলে। সেইদিন যদি পিংকি আজিলৈ আৰু চিনেমা চোৱা পাহৰিয়ে গৈছে। ইয়াত থকোতে অৱশ্যে বন্ধু বান্ধৱৰ লগত যথেষ্ট ছবি চাইছিল, কথাৰ কটাকটি হৈছিল। ভাবিছে। এতিয়া বুজিব পাৰিছে পিংকিয়ে, সেই উত্তেজনাৰে পূৰ্ণ দিনবোৰ নিজৰ অগোচৰে কোনে যেন আঁতৰাই নিলে। ঘৰৰ পৰা অহাৰ সময়ত এই গোপন ইচ্ছা নিয়েই বাহিৰ ওলাইছিল। ছবিখন চাই যাব। কিন্তু আহোঁতে আহোঁতে বহুতো অইন কথা মনলৈ আহিল। ভাল নেলাগিল। লক্ষ্যভ্ৰষ্ট মানুহৰ দৰে এই ফালেই আহিল। ইয়াতে তবি দিয়েই বহুদিনৰ পৰিচিত মুখবোৰ ভাল এখন দেখা পালে। জীৱনৰ পৰা হেৰাই যোৱা বহুত কেইটা বছৰ যেন দেখা পালে চকুৰ আগত। ইয়াতেই থিয় হৈ পিংকিয়ে দেখা পালে এজন চঞ্চল যুৱকে কেইজনীমান সুদৰ্শনা যুৱতীক কেণ্টাৰত তুলি দিছে। সিহঁতে হাঁহিৰ ৰোল তুলিছে, ৰং ধেমালি কৰিছে। কোনে কি কৈছে, কি ভাবিছে ভ্ৰুক্ষেপ নাই। এদিন তাইও প্ৰিতম, প্ৰবীৰ, পঙ্কজ আৰু কিমান জনক যে কেণ্টাৰত তুলি দিছিল। একেলগে অহা-যোৱা কৰিছিল, হাই উৰুমি কৰিছিল, বনভোজ খাইছিল হাঁহিমতে। এনেদৰে সেই দিনবোৰ আৰু কি ঘূৰাই পোৱা যাব?

গছৰ গুলাল পাত সময়ত উৰি উৰি পিংকিৰ গাতে পৰিল। বিস্ময় একমুঠি বতাহ তাইৰ গাত লাগি এ এছ টি চি বছ দুই তিনিখন চলি গ'ল পশ্চিম ফালে। অকণমান হাঁহি উঠিল। এতিয়াও কেইটামান কাম বাকী আছে তাইৰ। তাইৰ কাষেৰেই এন পি চেপাই চেপাই দুজন যুৱক যুৱতী গুচি গ'ল। সিহঁতে হাঁহিছিল। প্ৰাণখুলি। এই হাঁহি ক'ত যেন শুনিবলৈ পাইছিল পিংকিয়ে। অসম্ভৱ মিল আছে ইয়াৰ লগত। কাণ দিয় কৰি বুজিলে আজিও শুনিবলৈ পাইছে। তাই অন্যমনস্ক হৈ পৰিছিল। হঠাৎ সচকিত হ'ল। কোনে যেন তাইৰ কান্ধত হাত দিছে। পিংকিয়ে মুখ ঘূৰাই চালে। অবাক। সামান্য অপ্ৰস্তুত। এইটো যে হ'ব তাই সপোনতো ভাবিব নোৱাৰে। সেই পুৰণি মিঠা হাঁহিতো মাৰি কলে আৰে নিকি! তথাপি যে তই চিনি পাইছ। নিকিয়ে হাত আঁতৰাই নিলে পিংকিৰ কান্ধৰ পৰা। ওচৰলৈ আহিল।

পিংকিয়ে, সেই উত্তেজনাৰে পূৰ্ণ দিনবোৰ নিজৰ অগোচৰে কোনে যেন আঁতৰাই নিলে। ঘৰৰ পৰা অহাৰ সময়ত এই গোপন ইচ্ছা নিয়েই বাহিৰ ওলাইছিল। ছবিখন চাই যাব। কিন্তু আহোঁতে আহোঁতে বহুতো অইন কথা মনলৈ আহিল।

কি কৰিছ তই? দেহটো একেবাৰে মেত মৰা হোৱা। চিনাকটো কোনো উপায়েই নাই।

পিংকিয়ে হা হা কৰি হাঁহি দিলে।

একেবাৰেই চিনা নেযায়। নিকিয়ে হাঁহিছিল মুখ টিপি টিপি। প্ৰথমতে মোৰটো সন্দেহেই হৈছিল।

মই কিন্তু ঠিক চিনিব পাৰিছো।

মোৰটো একো সলনি হোৱা নাই।

নিকিয়ে হাঁহিলে। সলনি হৈছ বহুত। অলপ মনে মনে থাকি আকৌ কলে বহুদিন পিচত দেখা হ'ল তোৰ লগত।

মইও ইয়ালৈ অহা নাই বহুত দিন।

সেই যে এবাৰ প্ৰিতমৰ লগতে কথা কতাকতি, সেই দিনবোৰ তেতিয়াই শেষ। ঠিক সেইটো নহয় ইয়াৰ পিচতো দুবাৰ গুৱাহাটীলৈ আহিছিলো। অৱশ্যে কাৰো লগত দেখা হোৱা নাই।

গোবিন্দৰ ওচৰত তোৰ ঠিকনা খুজিছিলো। সি একোকেই নকলে। নিকিয়ে পিংকিক অলপ ভালকৈ চালে। এটা হুমুনিয়াহ পেলাই নিকিয়ে ক'লে,— তই যে এই ভাবে ডুব মাৰিবি মই ভবাই নাছিলো। মই প্ৰিতমক সুধিও একো উত্তৰ নেপালো।

পিংকি চমকি উঠিল। পুৰণি ঘাঁ এটুকুৰাত খোচা এটা মাৰি দিলে নিকিয়ে। ভাৱ হৈছিল মনটো শুকাই গৈছে। কিন্তু সেইটো নহয়। বুকুৰ ভিতৰখন দুক দুক কঁপে কিয়। অলপ সময় মনে মনে থাকি তাই নিজকে চম্ভালি ল'লে। পিচত নিকিৰ চকুলৈ চাই ক'লে যাব দে সেইবোৰ। প্ৰথমে মই তহতক প্ৰায়কেই চিঠি দিছিলো। গোবিন্দৰ পৰাই যি দুই এখনৰ উত্তৰ পাইছিলো। পিচত আৰু তাৰ পৰাও নাই। এই ভাবেই এদিন আমাৰ সকলো আনন্দ উৎসৱ শেষ হ'ল। প্ৰথম প্ৰথম খুবেই বেয়া লাগিছিল জান, এতিয়া আৰু নেলাগে। পিংকিয়ে অন্যফালে দৃষ্টি ঘূৰাই দিলে।

যিয়েই নোকোৱা কিয় তোক পাই আজি মোৰ দাৰুণ ভাল লাগিছে। সেইটোতো মোৰো। অলপ সময় মনে মনে থাকিল পিংকি। তাইৰ মুখত আনন্দৰ ৰং নিকিক পাই এতিয়া তাইৰ মনৰ নিস্তব্ধতা শাঁত পৰিছে। মুখ তুলি এবাৰ চালে। আকৌ ক'লে কি কৰি— মোৰ ঠিকনা বিচাৰিছিলি কিয়?

নিকিয়ে হাঁহিলে। ঠিকনা পালে মোৰ বিয়াত মাতিবলৈ কলোহেঁতেন। সকলো বন্ধুকেই মাতিছিল তোক বাদ দি। সকলোৱে তোৰ কিমান যে খবৰ ল'লে। তোৰ অভাৱ সেইদিনা আমি সকলোৱে অনুভৱ কৰিছিলো। তই আহিলে কি যে মজা লাগিলহেঁতেন। অলপ সময় মনে মনে থাকিল নিকি। কিছু সময় এক দৃষ্টিৰে চালে পিংকিলৈ। হাঁহি হাঁহি আকৌ ক'লে প্ৰিতমো আহিছিল। অকলে। দেখিলে নিশ্চয় তোৰ দুখ লাগিলহেঁতেন। তাৰ শৰীৰ শুকাই ক্ষীণাই গৈছে। আগৰ প্ৰিতমটো হৈ থকা নাই।

পিংকিয়ে একোকে নকলে। তাইৰ মুখৰ ফালে চাই চকু আনফালে ঘূৰাই দিলে। তাইৰ কোলাহ'ল বুদ্ধি হেৰা খুলি ভাব হ'ল। এইবোৰ পুৰণি কথা মনত পেলোৱাৰ প্ৰয়োজনেইবা কি? নিকিয়ে কি ইচ্ছা কৰিয়ে প্ৰিতমৰ কথা শুনালে। চাওঁতে চাওঁতে আবেলিৰ ৰং ও মলিন হৈ আহিল। তাইক এই বৰ্বৰটোৱে ভিতৰি ভিতৰ কাতৰ কৰিছিল। নিজকে গোপন কৰাৰ বাবে পিংকিয়ে অন্য প্ৰসঙ্গ ল'লে— তই ক'ত গৈছিলি?

এটা কাম আছিল বাবেই ইয়ালৈ আহিছিলো। হঠাৎ দেখোন তই আনএক্সপেক্টেড। নিকিয়ে হাঁহিলে।

ব'ল ভিতৰলৈ যাওঁ—

এই গণ্ডগোল বোৰ তোৰ ভাল লাগিব? মোৰ কে এইবোৰ একেবাৰে সহ্য নহয়।

মই ও পৰা কি নোৱাৰো নেজানো, চাওঁচোন যাব। আহিছো যেতিয়া পেপচি এটা খায়ে যাওঁ।

ব'ল তেতিয়াহলে। নিকিয়ে পিংকিৰ ফালে চাই হাঁহি দিলে, এতিয়াও তই পেপচিৰ মোহ এৰিব পৰা নাই?

কি কম নিকি এয়া মোৰ বহুদিনৰ পুৰণি অভ্যাস এতিয়া কি এৰা সম্ভৱ।

বন্ধ কৰা।

দ্বাইভাৰ কেণ্টিনৰ একেবাৰে কোনৰ টেবিলখন বাছি ল'লে দুই বান্ধবীয়ে। পিংকিয়ে দেখিলে ইয়াতো বহুত সলনি হৈছে। প্ৰত্যেকখন টেবিলতেই বান্ধৱী সকলোৱে কথা কৈ আছে, হাতত ধৰিছে, মাজে মাজে হো হো কৰি হাঁহি দিছে। এখন টেবিলৰ পৰা আন এখন টেবিললৈ অতি কম সময়ৰ ভিতৰতে পিংকিৰ দৃষ্টি কোণাৰ শেষৰ টেবিল স্পৰ্শ কৰি উভতি আহিল নিজৰ টেবিললৈ। পৰিচিত এজনকো দেখা নেপালে। সকলোৱে এজন একজনকে আতৰি গৈছে আৰু আনবোৰে সিহঁতৰ ঠাইবোৰ দখল কৰি লৈছে এই মুহূৰ্তত তাইৰ ভাৱ হৈছিল সিহঁত আজি অনাহুত

এখো নোকোৱা যে— নিকিয়ে ক'লে।

ইয়াত আমাৰ কোনো পৰিচিত নাই।

তোৰ ভাল লাগিছে?

খুউব বেয়া লাগিছে, মনত ভাব হৈছে দুৰ সময়ে যেন আমাক ইয়াতে পেলায় থৈ গলাই গৈছে আমি তাৰ কোনো গমকেই পোৱা নাই। পিংকি

চকুত বিষণ্ণতা। কিছু সময় পিচত এটা দীৰ্ঘশ্বাস পেলালে।

এটা ল'ৰা আহি থিয় হ'ল সিহঁতৰ কাষত। পিন্ধনত বগা পোচাক। মাথাত টুপি। মুখত অলপ অলপ হাঁহি। বয়স কম। নিকি পিংকিৰ ফালে চাই ক'লে— কি খাব কওক।

অকল পেপচি হ'লেই হ'ব।

ঠিক আছে, দুটা কাতলেট আৰু দুটা পেপচি। ল'ৰাটো গুচি গল। পিংকিয়ে ঠাট্টা কৰিলে, এইটো তোৰ কিহৰ খোৱা?

নিকি হা হা কৰি হাঁহি দিলে। এতিয়া দুটি সন্তান হোৱাৰ পপত, পতিকে বিয়া'ৰ খোৱা কি আছিলে।

ঠিকেই কৈছ, মইতো তোৰ আৰু কোনো খবৰ পোৱা নাই। ঠিক আছে, কালি ৰাতিপুৱাতেই তই আমাৰ ঘৰলৈ আহ। লগে লগে নিকিয়ে তাইৰ বেগৰ পৰা নাম লিখা এখন কাৰ্ড দিলে।

পিংকিয়ে কাৰ্ডখন ঘূৰাই পকাই চাই তাইৰ বেগত ৰাখি দিলে। এইবাৰ কিন্তু নহবো দেই।

কিয়?

আজি ৰাতিয়েই যাম গৈ।

তই আহিছিলি কেতিয়া?

যোৱা কালি আবেলি।

কেইদিনমান থাকিবি? নিকিৰ কণ্ঠত আন্তৰিকতা।

নহব দে। এইবাৰ আৰু নহব তোৰ তাত খোৱা। ভগৱানে তোৰ লগত দেখা হল। লাহে লাহে কৈ গ'ল পিংকিয়ে। থাকি যা এদিনত তোৰ কি ইমান ক্ষতি হব।

নহয় দে। এইবাৰ কোনো ৰকমেই নোৱাৰো। কৈছো নহয়, ইয়াৰ পিচত আহিলে তোৰ তাতে আগে যাম।

দুই বান্ধৱী কিছু সময় মনে মনে থাকিল। নিকিয়ে পিংকিৰ ফালে চাই আছে। তাৰ পিচত অলপ হাঁহি ক'লে— স্বাস্থ্য তোৰ আগতকৈ বহুতো ভাঙি গৈছে।

সেহেৰা, সময়ৰ লগে লগে ইয়াৰো জোৱাৰ ভাটা খেলে। কিছু সময় কিবা ভাবিবলৈ ধৰিলে। তাৰ পিচত নিকিৰ চকুলৈ চাই ক'লে— তই এতিয়া কি কৰিছ?

বৰ্ত্তমান এটা দেশী কনচাৰ্নতে আছো। অৱশ্যে ক্ষতি সোনকালেই এইটো বাদ দিম। কিছুদিন আগতে এটা বিদেশী কোম্পানীত ইন্টাৰভিউ দিলো, তাতেই হব।

তই ল'ও পঢ়িছিলি নহয়— পিংকিয়ে প্ৰশ্ন কৰিলে।

পাচও কৰিছো। বহুদিন হৈ গল। কিন্তু কি হব, কোৰ্টতটো আৰু যাব নোৱাৰো। বাবা। শহুৰে যে সেইটো মুঠেই পছন্দ নকৰে। থাওঁক সেইবোৰ কথা। তই কি কৰিছ ক।

কি আৰু কৰিম, স্কুল মাষ্টৰী। তাকো এখন পাৰ্বত্য নগৰৰ প্ৰপাৰৰ পৰা অলপ ভিতৰত। অলপ সময় থকি লাহে লাহে কবলৈ ধৰিলে— প্ৰথমতে ভাবিছিলো ইয়াতেই কিছুদিন কৰি তাৰ পিচত বেতাৰ মেট্ৰিক ৰিজাল্ট ওলালে কোনো কলেজে তলেজে সোমাই যাম। কিন্তু সেইটো আৰু নহ'ল। তাতেই মোৰ জীৱন প্ৰায় স্থায়ী হল। বুকুৰ ভিতৰৰ পৰা এটা দীৰ্ঘশ্বাস বহিৰ হল। ভীষণ গধুৰ বতাহে তাইৰ বুকুখন বন্ধ কৰি ৰাখিছিল। ওপৰৰ ভেণ্টিলেচনৰ ফাঁকেৰে এক গ্লান পোহৰৰ ৰেখা সিহঁতৰ টেবিলৰ ওপৰত বিৰাজমান।

খোৱাৰ প্লেট আৰু পেপচি লৈ আহিছে ল'ৰাটিয়ে। পিংকিৰ প্লেট আৰু পেপচি আগবঢ়াই দিলে নিকিয়ে। ল'।

খোৱা শেষ হলত নিকিয়ে মুখখন মচি ললে। পিংকিৰ মুখলৈ চাই কলে— অলপ চেষ্টা কৰিলে কলেজত হৈ যাব তোৰ। ও আৰু এটা কথা তই যে প্ৰীতমক কৈছিলি তোৰ হেনো আৰু এটা বিষয়ত এম এ পঢ়াৰ ইচ্ছা। পঢ়িলি জানো? প্ৰীতমে তোক কিন্তু ভাল কথাকেই কৈছিল.

এতিয়া আৰু সেইবোৰ ভাৱ নোহোৱাই হ'ল। গুৱাহাটীৰ লগতে মোৰ সকলো সম্পৰ্ক শেষ হৈ গৈছে।— কিমান ক্লান্ত শুনা গৈছিল তাইৰ কণ্ঠস্বৰ।

নিকিয়ে কিছুসময় নিৰৱে পিংকিলৈ চালে। কি ভাবি প্ৰশ্ন কৰিলে,— বিয়া হৈছে?

কি ভাব হব তোৰ? গোপনে এবাৰ লক্ষ্য কৰিলে। কি কৰি কম।

এতিয়াও হোৱা নাই, ভাবিছো এইবাৰ কৰিম। বুজিব পৰা নাছিলো নিকিৰ এইটো ঠাট্টা নে সঁচা কথা।

কিছু সময় আৰু কোনো কথা নাই। দুজনেই মনে মনে কি ভাবিছিল। অলপ পিচত নিকিয়ে পিংকিলৈ চালে আৰু ক'লে এটা কথা তোক সুধিব পাৰো?

পিংকিয়ে কেৱল চালে। একোকে নক'লে।

পিংকি নিৰবে থকা দেখি নিকিয়ে ক'লে— প্ৰীতমৰ কথা কি তই এতিয়াও পাহৰা নাই?

মুহূৰ্ততে পিংকিৰ চকুৰ দুটাত বিদ্যুত সৃষ্টি হ'ল। এক অসহ্যায় যন্ত্ৰণা ফুটি উঠিছিল তাইৰ চকুৰে মুখে। পাৰ্যমানে তাই নিজকে সম্ভালি ল'লে। এনেকুৱা এটা প্ৰশ্নৰ বাবে তাই কেতিয়াও প্ৰস্তুত নাছিল। এবাৰ স্বাভাৱিক ভাৱে নিকিলৈ চালে। নিকিয়ে তাইক একোকে নেস্বানে। ইয়াৰ পৰা আঁতৰি যোৱাৰ মূলতে যে এক তীব্ৰ অভিমান আছিল এই কথা তাই কোনো বন্ধুকেই কোৱা নাছিল। তাই তেতিয়া মনে মনে এনেকুৱা এটা নিৰ্বাসনকেই বিচাৰিছিল। আৰু পৰা নাছিল। কিয়নো ইয়াৰ মাজতে ইমান দিন তাই বাটি হকাৰ পথ বিচাৰি পাইছিল। ম্লান হাঁহি মাৰি পিংকিয়ে ক'লে— পাহৰিব খুজিলেই কি সকলো পাহৰা যায় ? নিকিয়ে তাইৰ ফালে এক দৃষ্টিৰে চাই থাকিল।

পিংকিয়ে ক'লে— প্ৰথমে খুউব কষ্ট পাইছিলো, কান্দি দিছিলো। এতিয়া আৰু তেনেকুৱা নহয়। বেছ গম্ভীৰ শুনা গৈছিল তাইৰ কণ্ঠস্বৰ।

— তাৰ বিচেনী কোনো খবৰ পাইছ ?

— নাই। প্ৰয়োজনবোধ কৰা নাই।

নিকিয়ে যেন মনে মনে কিবা এটা ভাবিছে। তাই যেন মোক কিবা এটা ক'বলৈ বিচাৰে। অলপ পিচতেই পিংকিক ক'লে— তোৰ পাপৰিৰ কথা মনত আছে ?

— অ'। আমাৰ লগত মাজে মাজে আছে। প্ৰিতমে তাইক লৈ আছে। পাপৰিৰ চাবজেক্টতো ফিল'চফি।

— প্ৰিতমৰ লগত যে তাইৰ বিয়া হ'ল তই গম পাইছ ?

— মইতো তেতিয়া দিল্লীত।

পাপৰিৰ তেজত দোষ আছিল। প্ৰিতমৰ লগত তাইৰ কেতিয়াও মিল নাছিল শেষ পৰ্যন্ত। সি এদিন তোৰ কথা কৈছিল। আৰু মনে মনে থাকিল। তাই ভাবি চালে কথাটো কেনেদৰে ক'ব পাৰি। তাইৰো যথেষ্ট কষ্ট হৈছিল। কিন্তু এতিয়াহে আৰু নকৈ উপায় নাই তাইৰ। তাই নিজেও বেছ গম্ভীৰ হৈছিল। অলপ নিৰবে থাকি ক'লে—প্ৰিতমে হিতাহত ভুল কৰিছিল সেই বাবেই তাৰ আপচোচৰ শেষ নাছিল। তইতো ইয়াৰে একোকে নেজান।

— মই জনা মতে তাৰ কাৰোবাৰ কোনো লাব লোকচান নাই।

— আছে, আছে পিংকি। নিকিয়ে গাঢ় দৃষ্টিৰে পিংকিলৈ চালে। পিংকিয়ে এক দৃষ্টিৰে চাই আছে চকুত উৎকণ্ঠা। তাইৰ কথাবোৰ যেন কেনেকুৱা শুনা গ'ল। তাই যেন ক'বলৈ শুছি গৈছে।

নিকিয়ে এইবাৰ লাহে লাহে ক'বলৈ ধৰিলে— আজি প্ৰায় পোন্ধৰ দিন হ'ল প্ৰিতমৰ মৃত্যু হৈছে। কওঁতে কওঁতে যেন নিকিৰো কণ্ঠৰুদ্ধ হৈ গ'ল।

পিংকি স্তম্ভিত, বিমূঢ়। তাইৰ মুখ শুকাইছে। হাত ভৰি কঁপিছে। তাইৰ আৰু থিয় হোৱাৰ শক্তি নাই। এতিয়া আৰু তাই কাৰ ওপৰত অভিমান কৰিব। বুকুখন খালী বনা দিছে, জ্বলি গৈছে। কি এটা কৰ বিচাৰিছিল তাই আৰু নোৱাৰিলে। তাইৰ সকলো তেজ যেন এক নিমিষতে শেষ হৈ গৈছে।

কিছু সময় পিচত নিকিয়ে ক'লে— মৃত্যুৰ কিছুদিন আগতেই মই তাৰ তাত গৈছিলো। সি খবৰ পঠাইছিল। তেতিয়া শয্যাগত। মোক দেখি সি খুউব আনন্দিত হৈছিল। কেৱল তোৰেই কথা ক'লে। তই কি কৰিছ, ক'ত আছ, বিয়া হ'ল নে নাই ইত্যাদি। তোক দেখাৰ হেনো তাৰ খুউব ইচ্ছা হৈছে। মই তাক তোৰ কোনো খবৰ দিব নোৱাৰিলো। অহাৰ সময়ত খুউব কান্দিছিল। লাহে লাহে কথাবোৰ কৈ গ'ল নিকিয়ে। নিকিকো এতিয়া বিচলিত কৰুণ দেখা গৈছিল।

পিংকিয়ে আহত কাণেৰে শুনি গ'ল সকলো। প্ৰিতমৰ বিষয়ে এনেকুৱা এটা দুঃসংবাদ শুনিব বুলি তাই ভবা নাছিল। চকুৰ সমুখত তাৰ মুখখন ভাঁহি উঠিছে। তাৰ কিমানবোৰ কথা এই মুহূৰ্তত তাইৰ মনত পৰিছে। কোনো কোনো মুহূৰ্তত প্ৰিতমৰ আচৰণে তাইক কেৱল উত্তেজিত কৰিছিল। পাপৰিৰ প্ৰাচুৰ্যই তাক অলপ অলপকৈ কাষলৈ টানি নিছিল প্ৰিতমে তাৰ গম পাইছিল। প্ৰিতমে ভৰি দিছিল এক

নোভৰ বনিত। পিংকিয়ে তাক আগতেই সাৱধান কৰি দিছিল। সি নুশুনিলে। বৰং তাইক ওলোটাহে বুজিছিল। অপমান কৰিছিল। সংসাৰৰ আৰু পাচেটি ডেকাৰ দৰে সিও এখন ধনী সংসাৰৰ সপোন দেখিছিল। পিংকিয়ে জানে পাপৰিৰ নিচিনা বিত্তবান যুৱতীৰ লগত তাৰ কোনো তুলনা নহয়। তাই গাড়ী লৈ আহে। তদুপৰি পাপৰি যি ফালে আগুৱাই আহিছিল পিংকিৰ তাইক উপেক্ষা কৰাৰ সাধ্য নাছিল। প্ৰিতম কি তেতিয়াহ'লে সুখী হোৱা নাছিল। কিয় ? কিহৰ দুখ আছিল তাৰ ? ইয়াকেইতো চাইছিল সি। আজি কিয় তেনেহ'লে এনেকুৱা খবৰ এটা শুনিবলৈ পালে। সকলোবোৰ যেন কেনা লাগি গ'ল। চকুৰ সমুখত শেষ দিনৰ ছবিখন ভাঁহি উঠিছে।

এল এল বি ৰ পাৰ্ট ওৱানৰ বেক পৰীক্ষাৰ পিচতেই পিংকিয়ে এটি চাকৰিৰ খবৰ পালে। গাঁৱত যাব লাগিব। মাষ্টৰি। পিংকি ৰাজি। প্ৰিতমৰ লগত তেতিয়া তাইৰ মৌন বিবাদ চলি আছে। প্ৰিতমে তাইক এৰি চলে। পিংকি এদিনাখন দুপৰীয়া প্ৰিতমৰ ঘৰলৈ গ'ল। সি তেতিয়া বাহিৰত যোৱৰ বাবে সাজু।

পিংকি এই সময়ত অহাটো সি আশা কৰা নাছিল। - সামান্য বিৰক্ত।

— মই অহাকাইলৈ যামগৈ প্ৰিতম্। তোমাৰ লগত কিছু কথা আছিল। কেনো দ্বিধাবোধ নকৰাকৈ কৈছিল পিংকিয়ে।

প্ৰিতমে পিংকিলৈ চালে। — কোৱা।

তাৰ মুখৰ ফালে চাই ঋজু কণ্ঠস্বৰত প্ৰশ্ন কৰিলে- - তোমাৰ লগত কি পাপৰিৰ বিয়া হৈ গৈছে ?

প্ৰিতমে তাইৰ চকুৰ ফালে চালে। তাৰ পিছত দৃষ্টি ঘূৰাই নি ক'লে— "ঠিক হোৱা নাই, ভাবিছে আছো।" সি বহীলৈ চালে। ঠোঁট কামুৰি ধৰিছিল। আৰু তাইৰ ফালে চাই কি ভাবি কলে, —তুমি পিচত আহিবা। মোৰ খুউব দেৰি হৈ গ'ল। মই খাই যাবা।

মই নহলে সং কৰিব। প্ৰিতমে আৰু দেৰি নকৰিলে।

পিংকিও গভীৰ এক কষ্ট সহকাৰে উভতি আহিছিল সেইদিনা। সেয়াই শেষ। আজি তাইৰ ইমান দিন পিচত মনত পৰিল সেই দৃশ্যটো। প্ৰিতমে তাইৰ শেষ কথাটো নুশুনিলে। আৰু কোনো দিনে নুশুনে। বুকুখন ভাঙি গৈছে পিংকিৰ। সকলো অভিমান আজি পানী হৈ গ'ল। সিতো তাইক শেষ দিন পৰ্যন্ত মনত ৰাখিছে।

নিকিয়ে এখন হাত পিংকিৰ হাতৰ ওপৰত ৰাখিলে, —কি ভাবিছ পিংকি ?

— নাই একো ভবা নাই। কবলৈ গৈও তাইৰ কণ্ঠৰ সুৰ নাইকিয়া হ'ল। অস্পষ্ট কান্দোন শুনা গ'ল। আৰু নোৱাৰি।

নিদাৰুণ দুখ দিয়েই বেচেৰা গুচি গ'ল। তোক এবাৰ দেখাৰ বাবে কি যে ইচ্ছা হৈছিল তাৰ। তই কাষত থাকিলে সি হয়তো ইমান কষ্ট লগত লৈ নমৰিলহেঁতেন।

আৰু নকবি। শব্দবোৰ ভাঙি ভাঙি গ'ল। কণ্ঠৰুদ্ধ। চকু মুদিলে। বুকুৰ ভিতৰত এটাৰ পিচত এটা ঢৌ উঠিছে।

বগা পোচাক পিন্ধা ল'ৰাটোৱে বিল লৈ আহিল। নিকিয়ে পইচা দিলে। কেন্টিনৰ ভিৰ ক্ৰমাৎ বাঢ়িছে।

যাওঁ ব'ল। পিংকিয়ে কোনেৰকম কলে।

দুই বান্ধৱী বহাৰ পৰা উঠিল। মুৰ তললৈ কৰি পিংকি ওলায় আহিল। এই ঠাইখন তাইৰ যেন একেবাৰেই অচিনা, অনাত্মীয়। আৰু অলপ পিচতেই তাই ইয়াৰপৰা আঁতৰি গুচি যাব। কেতিয়াবা জানো তাই আৰু ইয়ালৈ আহিব। প্ৰিতমৰ কথা মনত পৰিল। নিকিয়ে আজি তাইৰ এটা ভুল ভাঙি দিলে। ইয়াৰ পিচতো কি আৰু প্ৰিতমৰ ওপৰত অভিমান কৰি থাকিব পাৰিব। তাইৰ বুকুত আকৌ এবাৰ কান্দোনৰ বোল উঠে। ইয়াক তাই কিহেৰে দমাব।

"এই ভাষা অসমৰ বাইজৰ প্ৰাণৰ ভাষা, শতামপুৰুষীয়া ভাষা মহাতাৰ আমেলৰ ভাষা। এই ভাষা একে দিনে পাৰত পৰা নাই, কোনো ঠাইৰ পৰা উৰি আহি বিৰিহৈতেক আনহীৰ শাৰীত বহৱাই এই ভাষাই ৰাজপাট খাবলৈকো বিচৰা নাই, ধনুৱা আন কোনো জনজাতীয় ভাষাৰ প্ৰতিও বিদ্বেষ ভাব নাই। অসমৰ মাজ বুকুৰেদি বৈ যোৱা ব্ৰহ্মপুত্ৰৰ সমান গভীৰ, প্ৰশান্ত আৰু প্ৰাচীন এই অসমীয়া ভাষা।"

অতুল চন্দ্ৰ হাজৰিকা

# পৰাগ কুমাৰ দাস ঃ যাৰ মৃত্যুও এক ইতিহাস

উৎপল দাস
উঃ মাঃ ২য় বৰ্ষ

এজন সাংবাদিক হত্যা কৰা হ'ল। স্বাধীনোত্তৰ কালৰ অসমৰ ৰাজধানী গুৱাহাটী মহানগৰীৰ বুকুত যোৱা ১৭ মে '৯৬ তাৰিখে দুপৰতে গুপ্তঘাতকে নিষ্ঠুৰভাৱে গুলীয়াই হত্যা কৰিলে 'অসমীয়া প্ৰতিদিন' কাকতৰ কাৰ্যবাহী সম্পাদক পৰাগ কুমাৰ দাসক, সাত বছৰীয়া পুত্ৰৰ সম্মুখত। এটা যুগৰ অৱসান ঘটালে। এক প্ৰতিবাদী বিৰাট সত্বাৰজীৱন অকালতে চিৰদিনলৈ আমাৰ মাজৰপৰা আঁতৰাই পঠিয়ালে বুকুত তেওঁটোকৈ বুলেটৰ আঘাত দি। দেশপ্ৰেমৰ উজ্জ্বল পৰাকাষ্ঠা দেখুৱাব বিচৰা পৰাগ কুমাৰ দাসৰ মত আৰু পথৰ লগত মিল নথকা কিছু সংখ্যক লোকে তেওঁৰ কলমৰ লিখনিক যুক্তিৰে বলে নোৱাৰি শেষত বুলেটৰ সহায় ল'লে। এই গুপ্তঘাতক সকলে এবাৰো ভাবি নাচালে তেওঁলোকে এখন কাকতৰ সম্পাদক অথবা এগৰাকী সাংবাদিকক হত্যা কৰা নাই, হত্যা কৰিছে গণতন্ত্ৰক, হত্যা কৰিছে বাক-স্বাধীনতাক, হত্যা কৰিছে নাগৰিকৰ মৌলিক অধিকাৰক। পৰাগ কুমাৰ দাস আজি আমাৰ মাজত নাই; কিন্তু আমাৰ হৃদয়ত তেওঁৰ স্মৃতি চিৰকাল সজীৱ হৈ থাকিব।



পৰাগ কুমাৰ দাস। ১৯৬১ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে শিলচৰত জন্ম গ্ৰহণ কৰা পৰাগ কুমাৰ দাসৰ দেউতাক আছিল এগৰাকী আৱকাৰী বিষয়া। গুৱাহাটীৰ 'চেনিকুঠী বুনিয়াদী বালক বিদ্যালয়'ত প্ৰাথমিক শিক্ষা আৰম্ভ কৰি উজান বজাৰৰ এম. ডি. এম. ই. স্কুলৰ পৰা মাধ্যমিক শিক্ষা লাভ কৰে। কটন কলেজিয়েট স্কুলৰ পৰা অসমৰ ভিতৰতে চতুৰ্থ স্থান লাভ কৰি তেখেতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। কটন মহাবিদ্যালয়ৰ পৰা প্ৰাক-বিশ্ববিদ্যালয় বিজ্ঞান বিভাগত পুনৰবাৰ অসমৰ ভিতৰত চতুৰ্থ স্থান অধিকাৰ কৰি উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। প্ৰাক্ বিশ্ববিদ্যালয়ৰ তৰ্ক বিভাগৰ সম্পাদক আছিল। দিল্লীৰ 'চেণ্ট ষ্টিফেন কলেজ'ৰ পৰা স্নাতক (কেলা)ৰ শিক্ষা গ্ৰহণ কৰি 'দিল্লী স্কুল অব ইকনমিক্স'ৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

শিক্ষা জীৱন সিমানতে শেষ কৰি ১৯৮৪-৮৫ চনত 'পাঞ্জাব নেচনেল বেংক'ৰ গুৱাহাটী শাখাত তেওঁৰ কৰ্মজীৱন আৰম্ভ হয়। ইয়াৰ পিছত তেওঁ 'ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া'ত নিযুক্তি লাভ কৰে। তাতে তেওঁ দুবছৰমান কাৰ্যনিৰ্বাহ চলোৱাৰ পিছত 'গুৱাহাটী ষ্টক এক্সচেঞ্জ'ৰ মহা-প্ৰবন্ধক হিচাবে কাৰ্যনিৰ্বাহ কৰে। কিন্তু অসম তথা অসমীয়া জাতিৰ স্বাৰ্থ ৰক্ষা অৰ্থাৎ ভালপোৱাৰ, কু-চক্ৰান্তকাৰী এচামৰ প্ৰবাহৰ পৰা অসম তথা অসমীয়া জাতিসত্তাৰ ধ্বংসলীলাৰ পৰা ৰক্ষা কৰিবলৈ, কেৱল মাথো এটা কলমৰ সহায়েৰে অসমীয়াৰ মনত প্ৰতিবাদী মনোভাব দৃঢ়তৰ কৰি তুলিবলৈ, তেওঁ মহা প্ৰবন্ধকৰ পদৰ পৰাও ইস্তফা দিয়ে আৰু সাংবাদিকতাত জঁপিয়াই পৰে।

মাত্ৰ পঁয়ত্ৰিশটা বছৰত এটা ন্যায্য বিদ্ৰোহক কলমৰ জৰিয়তে প্ৰতিনিধিত্ব কৰি এটা নতুন প্ৰতিবাদী প্ৰজন্মৰ ক্ষোভ আৰু আশাক ন্যায্যতা প্ৰদান কৰিবলৈ দৃঢ় সংকল্পৰে আগবাঢ়িছিল 'পৰাগদা'। তেওঁৰ ক্ষুৰধাৰ কলমৰ আগেৰে নিগৰি ওলাইছিল অসম আৰু অসমীয়া জাতিৰ প্ৰতি থকা তেওঁৰ গভীৰ ভালপোৱা আৰু জাতিদ্ৰোহী দুৰ্নীতিগ্ৰস্ত সকলৰ বিৰুদ্ধে জেহাদ ঘোষণাৰ স্ফুলিংগ। এই দুঃসাহসিক সাংবাদিক গৰাকী তেওঁৰ সাংবাদিক জীৱন আৰম্ভ কৰে 'দি চেন্টিনেল' কাকতৰ এগৰাকী স্তম্ভলেখক হিচাপে। পিছত তেওঁ পহেকীয়া 'প্ৰান্তিক' আলোচনীত কেবাটাও তথ্যভিত্তিক নিবন্ধ লিখিছিল। ১৯৮৯ চনত তেওঁ প্ৰকাশ কৰে সাপ্তাহিক 'বুধবাৰ'। এই কাকতখনৰ জৰিয়তে তেওঁ অসমীয়া ৰাইজৰ মাজত দৃঢ় পদক্ষেপ পেলায়। অসমৰ পঢ়ুৱৈ সমাজৰ পৰা তেওঁ লাভ কৰে মৰম। এই কাকতখনৰ জৰিয়তে তেওঁ তেওঁৰ প্ৰতিবাদী সত্তাক স্পষ্ট আৰু নিৰ্ভীকভাৱে প্ৰকাশ কৰে। স্থিতাৱস্থাৰ সৈতে কোনো দিনেই আপোচ কৰিব নিবিচৰা, সংগ্ৰামী সত্তাৰ লৌহ কঠিন মানসিকতাৰ এই গৰাকী সংগ্ৰামী সাংবাদিকক তেতিয়াৰ শইকীয়া চৰকাৰে দুৰ্বাৰকৈ টাডা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰি কাৰাগাৰৰ বন্ধ কোঠাত আৱদ্ধ কৰি ৰাখিছিল। এটি প্ৰতিবাদী সত্তাক আৱদ্ধ কৰি ৰাখিব বিচাৰিছিল; ভাৰতীয় সংবিধানৰ অন্তৰ্গত কেইটামান ক'লা আইনৰ দকাৰ জৰিয়তে অন্ধকাৰ কুঠৰীৰ মাজত। এই প্ৰতিবাদী সত্তাটোক ধ্বংস কৰিবলৈকে 'বুধবাৰ' কাকতখনক চৰকাৰী মনোভাৱেৰে পৰিবেষ্টিত বাতৰি কাকতলৈ পৰিবৰ্ত্তিত কৰা হৈছিল। হ'ল জানো বন্ধ এই প্ৰতিবাদী কণ্ঠস্বৰ? ধ্বংস হ'ল জানো প্ৰতিবাদী লিখনি? তেতিয়াই বন্ধ হোৱাহেঁতেন আজি তেওঁৰ মৃত্যু ইতিহাস নহ'লহেঁতেন।

১৯৯৩ চনত তেওঁ মতাদৰ্শ কাৰণত 'বুধবাৰ'ৰ সম্পাদকৰ কাৰ্যভাৰ ত্যাগ কৰে। ইয়াৰ পিছত তেওঁ দহদিনীয়া 'আগান'ত তেওঁৰ লিখনি প্ৰকাশ কৰে আগতকৈও বলিষ্ঠ ৰূপত। সময় যিমানেই আগবাঢ়িছিল 'পৰাগ দাৰ' কলমৰ ভাষাও তীব্ৰতৰ হৈ উঠিছিল। ১৯৯৫ চনত তেওঁ 'অসমীয়া প্ৰতিদিন'ৰ কাৰ্যবাহী সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। অতি কম সময়ৰ ভিতৰতে 'পৰাগদা'ৰ লিখনিৰে সমৃদ্ধ 'প্ৰতিদিন'হে পৰে অসমীয়া ৰাইজৰ প্ৰতিদিনৰ লগৰী। অসম ধ্বংস যজ্ঞৰ পুৰোহিত সকলৰ বাবে ই হৈ পৰে এক প্ৰত্যাহ্বান আৰু 'পৰাগ দা' সেনাপতি।

দুষ্কৃতিকাৰীৰ প্ৰৰোচনাত পৰি তেওঁ কোনোদিনে শিৰ নত নকৰিলে। হয়তো তেৰটাকৈ বুলেটৰ আঘাত বুকুত লৈও তেওঁৰ শিৰ নত নহ'ল। তেওঁ আছিল অসম আৰু অসমীয়াৰ অতি আপোন, অতি মৰমৰ। তেওঁৰ মৃত্যুৱে কন্দুৱাই থৈ গ'ল সমগ্ৰ অসমবাসীক। অসমীয়াৰ প্ৰতি ঘৰে ঘৰে কান্দোনৰ ৰোল উঠিল। 'পৰাগ দাস' যাৰ জীৱনটো এক ইতিহাস, তেওঁৰ মৃত্যুও এক ইতিহাস হ'ল। এয়া প্ৰত্যক্ষ কৰিছিলোঁ 'পৰাগ দা'ৰ অন্তিম শয়নৰ শেষ যাত্ৰাত। সমগ্ৰ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বাছ, ৰেলেৰে ঢপলিয়াই আহিছিল গুৱাহাটীৰ মালিগাঁৱত অৱস্থিত তেওঁৰ নিজা বাসভৱনলৈ, 'পৰাগ দা'ৰ শেষ যাত্ৰাত যোগ দিবলৈ। নলবাৰী, নগাওঁ, বিং, গুৱাহাটী আদি চহৰবোৰ স্বতঃস্ফূৰ্ত ভাৱে বন্ধ হৈ পৰিছিল। হাতত ক'লা পতাকা লৈ 'পৰাগ দাস অমৰ হওঁক', 'পৰাগ হত্যাৰ বিচাৰ লাগে' আদি ধ্বনিৰে 'পৰাগ দা'ৰ শৱদেহৰ পিছে পিছে লানি নিছিগা মানুহৰ সোঁত। 'গুৱাহাটী প্ৰেছ ক্লাব', 'সাদিন-প্ৰতিদিন' কাৰ্যালয়ৰসন্মুখত কম্পনৰত অৱস্থাত এবাৰ মাত্ৰ তিনিদিনলৈ বিশ্ৰাম লোৱা 'পৰাগ দা'ক চাবলৈ বিচৰা সভীৰ্থ, গুণমুগ্ধৰ ভিৰ। 'পৰাগ দা'ই যদিহে এবাৰ চাই প'লহেঁতেন যে তেওঁ অকলশৰীয়া নাছিল। তেওঁৰ প্ৰতিবাদী লিখনিক অসমৰ জনগণে নিজৰ বুলি মানি লৈছিল। অসমৰ ৰাইজে তেওঁক আপোনতো আপোন বুলি ভাবিছিল।

'মানৱ অধিকাৰ সংগ্ৰাম সমিতি' (মাছ) আৰু 'গণতান্ত্ৰিক অধিকাৰ সমিতি' (গছ)-এ 'পৰাগ দা'ৰ উপস্থিতিত অধিক সজীৱ আৰু সতেজ হৈ উঠিছিল। তেওঁৰ এই হত্যা মানুহৰ মৌলিক অধিকাৰৰ হত্যা। 'পৰাগ দা' কেৱল এজন প্ৰতিভাৱান সাংবাদিকেই নাছিল, তেওঁ আছিল বিৰাট পৰিবৰ্ত্তনৰ পৰিকল্পনা কৰিব পৰা আৰু তাৰ কাৰণে জীৱনৰ সকলো সুখ-স্বাচ্ছন্দ্য ত্যাগ কৰিব পৰা এজন সাহসী চিন্তাশীল ব্যক্তি। নিজৰ আদৰ্শৰ বেদীত জীৱন উছৰ্গা কৰিবৰ কাৰণে তেওঁ একাধিক লোভনীয় উচ্চপদ ত্যাগ

কৰিছিল। তেওঁ যুঁজিছিল অসমৰ বাবে, অসমীয়া জাতিৰ বাবে। জাতিদ্ৰোহীহঁতে এণ্ডেৰে গুলি নাচালে যে বন্দুকৰ গুলীৰে ধ্বংসহে কৰিব পাৰি; কিন্তু কলমেৰে কেৱল সৃষ্টিহে কৰিব পাৰি।

স্পষ্টবাদিতা, সাধুতা, সাহস আৰু প্ৰতিভাৰ সমন্বয়েৰে অসমৰ সংবাদ জগতত উজ্জ্বল নক্ষত্ৰৰ দৰে জ্যোতিষ্মান হৈ পৰা এইজনা পুৰুষে এখন প্ৰগতিশীল অসমৰ বুনিয়াদ ৰচনাত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছিল, 'ছাংনেট তেখলো', 'স্বাধীনতাৰ প্ৰস্তাৱ', 'নিষিদ্ধ কলম আৰু অন্যান্য', 'স্বাধীন অসমৰ অৰ্থনীতি', 'মোক স্বাধীনতা লাগে' আৰু 'ৰাষ্ট্ৰদ্ৰোহীৰ দিনলিপি আদি গ্ৰন্থৰ ৰচনাৰে।

'পৰাগ দা' আছিল এক জুই শিখা। অসমীয়া জাতিক তেওঁহে কিবা এটা দি যাব বিচাৰিছিল। বুকুত আছিল অদম্য হেঁপাহ, আৰু দুৰ্জেয় সাহস। মনত আছিল ক্ষোভ আৰু আকাংক্ষা। কলমৰ আগেৰে ওলাইছিল কিছু দুৰ্ভেদ্য জাতীয় প্ৰেম তথা জাতি সত্তাৰ উন্নতিৰ ভাষা, যি আছিল কু-চক্ৰান্তকাৰী বিচ্ছেদকামী কাপুৰুষৰ বাবে এক শক্তিশেল। এই শক্তিশেলত বহু কাপুৰুষ ৰণত পৰিছিল। ৰাইজৰ আদালতত স্পষ্ট ভাষাৰে উদঙাই দিছিল সেইবিলাকৰ চৰিত্ৰ, সিহঁতৰ দেশদ্ৰোহিতাৰ কথা। শেহতীয়াকৈ '৯৬ৰ ৰাজ্যৰ নিৰ্বাচনত বিচ্ছেদকামী চৰকাৰখন পদচ্যুত হোৱাৰ প্ৰথম আৰু প্ৰধান কাৰণ আছিল পৰাগ দাস আৰু তেওঁৰ সাদিন-প্ৰতিদিন। ৰাইজে পৰিবৰ্তন বিচাৰিছিল আৰু এই পৰিবৰ্তনৰ ধ্বজা বহন কৰি আনিছিল কাকতৰ জৰিয়তে 'পৰাগ দা'ই। তেওঁ অসমৰ অসমীয়াক সদয় কৰাৰ বিচাৰিছিল। 'পৰাগ দা'ই কৈছিল, 'জন্মসূত্ৰে আমি লাভ কৰিছোঁ স্বাধীনতাৰ অধিকাৰ। নিজ জাতি, নিজ মাতৃভূমিক ভালপোৱাৰ অধিকাৰ। ৰাষ্ট্ৰৰ সামান্য ভাবুকিতে, জীৱনৰ নিৰাপত্তা হেৰুওৱাৰ আশংকাত, সেই জন্মগত অধিকাৰ কাপুৰুষৰ দৰে বিসৰ্জন দিয়াৰ পক্ষপাতী আমি নহয়। গতিকেই গণতান্ত্ৰিক ভাৱে যুঁজ দি যাম ৰাষ্ট্ৰই কাঢ়ি নিয়া সেই স্বাধীনতা পুনৰুদ্ধাৰৰ বাবে। মুকলি আকাশৰ তলত, মনৰ ভাৱ মুক্তভাৱে প্ৰকাশৰ অধিকাৰ আমাক লাগে। কোনো ভয়-ভাবুকিৰ সন্মুখীন নোহোৱাকৈ নিজ অস্তিত্ব ভালপোৱাৰ অধিকাৰ, জাতীয় মান-মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰ আমাক লাগে। আমাৰ ওপৰত চলা অত্যাচাৰ উৎপীড়নৰ প্ৰতিকাৰ গণতান্ত্ৰিকভাৱে বিচৰাৰ স্বাধীনতা আমাক লাগে।" (প্ৰতিদিন : ২৩ মে'৯৬) পালে জানো সেই স্বাধীনতা? আমাৰ ওপৰত চলা অত্যাচাৰ উৎপীড়নৰ বলি হ'ব লগা হ'ল গণতান্ত্ৰিকভাৱে স্বাধীনতা বিচৰা নিৰ্ভীক ব্যক্তিগৰাকী, এক অগণতান্ত্ৰিক, অসাংবিধানিক ভাৱে কিছু কাপুৰুষৰ ৰাইফলৰ আগত।

পৰাগ কুমাৰ দাসৰ হত্যাকাৰীয়ে ভবাৰ দৰে এটি প্ৰতিবাদী কণ্ঠক নিঃচিহ্ন কৰি পেলালে বুলি ভবাটো জানো উচিত হ'ব? এনে কৰিলে যিজন পুৰুষে জীৱনটো একমাত্ৰ অসম আৰু অসমীয়াৰ উন্নতিৰ বাবে বলি দিলে, সেইজন পুৰুষক অপমান কৰা নহ'ব জানো? আজি অসমৰ জনগণে সংকল্প লোৱা উচিত 'এটা পৰাগৰ মৃত্যুৱে হাজাৰটা পৰাগৰ জন্ম দিব।' অসমৰ প্ৰতিজন মানুহৰ হৃদয়ত 'পৰাগ দা'ৰ স্মৃতিয়ে সজীৱ হৈ ৰ'ব চিৰকাল, চিৰদিন। অসমৰ প্ৰতিজন মানুহে আজি অন্ততঃ এবাৰৰ বাবে হলেও সংকটৰ কৰাল গ্ৰাসৰ পৰা অসমক ৰক্ষা কৰিবলৈ ক্ষন্তেক থমকি ৰৈ 'পৰাগ দা'ৰ লিখনিক চিন্তা কৰি চোৱাৰ প্ৰয়োজন। মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল-"যিজনে কেৱল ভাল উপদেশ দিয়ে তেওঁ এখন হাতেৰে কাম কৰে। যিজনে ভাল উপদেশ দিয়াৰ লগতে ভাল কাম কৰে তেওঁ দুয়োখন হাতেৰে কাম কৰে।' তেখেতৰ এই বাণীৰ উদ্ধৃতি দি আমি নিঃসন্দেহে এটা কথা স্পষ্টকৈ ক'ব পাৰো যে পৰাগ কুমাৰ দাস এনে এগৰাকী ব্যক্তি, সব্যসাচী। অসম তথা অসমীয়াৰ প্ৰতি ভাল উপদেশ দিয়েই তেওঁ ক্ষান্ত থকা নাছিল। হাতে কামে তেওঁ অসম তথা অসমীয়াৰ উন্নতিৰ হকে লাগিছিল। পৰাগ কুমাৰ দাসে গঢ়িব খোজা অসমখনক আমি বাস্তৱত ৰূপ দিবলৈ চেষ্টা কৰিব লাগিব। সেইটোৱেই হ'ব পৰাগ কুমাৰ দাসৰ প্ৰতি জনোৱা সৰ্বোত্তম শ্ৰদ্ধাঞ্জলি।

চুটি গল্প

# অপূৰ্ণাৰ শংখ

মিছ মৌচুমী বেগম
স্নাতক ২য় বৰ্ষ (কলা)



কলেজৰ পৰা আহিয়েই মাৰ মুখত এটি সু-খবৰ শুনিলো; অপূৰ্ণাৰ হেনো বিয়া। মোৰ পঢ়া টেবুলতে অপূৰ্ণাৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰখন পাই খুলি চাই জানিব পাৰিলো চলিত মাহৰ বিশ তাৰিখে তাইৰ বিয়া।

অপূৰ্ণা মোৰ সৰু কালৰ বান্ধৱী। দেখাত কোমল আৰু ধুনীয়া বগা মুখখনিৰে কিয় জানো মোৰ তাইক বৰ মৰম লাগে। ভায়েকটো যে কি উৎপটীয়া। বৰুনে পৰ্বৰ কিছুমান কেহেটে বগাই লৈ হুলস্থুল কৰি থাকে ঘৰখনত। তাৰ আগত ধৰ্ম-কৰ্ম একো নৰকে। ব্ৰেক্ ডেন্সৰ তালিম লোৱাতেই সি ব্যস্ত। ঘৰৰ কাম-কাজৰ পিনেটো খবৰেই নাই। খুড়া মানে অপূৰ্ণাৰ দেউতাকে সেইবাবে বৰ চিন্তিত। 'এই ল'ৰা সোপাই যে কি কৰি খাব।' অৱশ্যে অপূৰ্ণাৰ বাবে দেউতাকে অলপো চিন্তা নকৰে। পঢ়া-শুনাটো ভালেই, দেখা-শুনটো ধুনীয়া। স্কুলত পঢ়া দিনৰে পৰাই এটাৰ পিছত আনটো ল'ৰা আহিয়েই আছিল। গহুত আম থাকিলেতো কমুটিয়াবই। পিছে তাইৰ মনত কি আছে মাক-দেউতাকে জানো তাৰ বুজ পায়। সাগৰৰ সামুকবোৰটো তাইক তেওঁৰে দিছিল। সাগৰে-সাগৰে, দেশ-দেশান্তৰে ভমি ফুৰা তেওঁৰ নাম দিগন্ত ফুকন। তাৰ দৰেই আপোন এই নিৰ্জীৱ সামুকবোৰ, বগা শংখবোৰ। যাৰ গৰ্ভত লুকাই আছে মংগল উৰুলি, হৃদয়ৰ বিননি আৰু বহুটো কিবা...। সেইবাবেই অপূৰ্ণাই ভালপায়নে এই সামুকবোৰ।

দিগন্ত ফুকনক আমি দাদা বুলিয়েই মাতিছিলো। হাইস্কুলত আমাতকৈ চাৰি বছৰমান ডাঙৰ আছিল। আমাক গীত শিকাইছিল বছৰেকীয়া স্কুল সপ্তাহত। আৰু তেতিয়াই হয়তো যৌৱনৰ কোনোবা এটি ক্ষণত অপূৰ্ণাই মনে প্ৰাণে ভালপাই পেলাইছিল দিগন্তক আৰু দিগন্তই অপূৰ্ণাক। দিন বাগৰিল। সিহঁতৰ অন্তৰীয়তাই ৰূপ ল'লে জীৱনৰ প্ৰতিশ্ৰুতিৰে। সি মাত্ৰ তাইক কৈছিল 'ভালদৰে পঢ়া-শুনা কৰা। এতিয়া তুমি তোমাৰ ফালে মই মোৰ ফালে। যেতিয়া উপযুক্ত হ'ম, লৈ আহিম তোমাক তলসৰা বকুল গছকাই।' সেই দিগন্তই এতিয়া নৌ বিভাগত কাম কৰে। তালৈ তাই মাজে সময়ে দুই এখন চিঠি পত্ৰো আদান-প্ৰদান কৰিছিল। বছ ইমানেই।

সেই দিগন্ত দা ভজি অপূৰ্ণাহঁতৰ ঘৰলৈ আহিব প্ৰেমৰ ধুইক সাক্ষী কৰি দুই মন এক হৈ মেলি দিব সিহঁতৰ জীৱন নাওঁ। তাইৰ বিয়া হ'ব কথাটো ভাবিয়েই মোৰ মনত এক অবুজ শিহৰণ জাগিল।

কিয় জানো মোৰ মন গহনত অতীতৰ সৰু সৰু কথাবোৰে দোলা দি গ'ল।

সদায় পথুলি আমি অপূৰ্ণাহঁতৰ ঘৰলৈ গৈছিলোঁ। সিহঁতৰ বাৰীত তেতেলী, বগৰি আৰু যে ক'ত কি ফুলমূলৰ গছ আছিল। বাৰীতেই ধনীয়া গছ, উঘালিলেই হয়। কণ বস্তা হোৱাকৈ জলকীয়া দি বগৰি ঢেকীত খুন্দি কলপাতত লৈ খাবলৈ কি যে মজা লাগিছিল। তাতে অপূৰ্ণজনীৰ কথানো কি কবা। মাততকৈও জীয়েক কাজী, কথা এবাৰ আৰম্ভ হ'লে শেষেই হ'ব নোখোজে। ইমান সাদৰী এই জনী। বাৰীৰ একেবাৰে শেষত থকা মাছৰ বৰপুখুৰীটো আৰু দক্ষিণৰ আলিটোৰ হলা কঠাল জোপাৰ গুৰিটোৱেই হ'ল আমাৰ কথাৰ মহলা মৰাৰ ঠাই। আবেলি সূৰ্য্যৰ কিৰণ পৰি পুখুৰীটোৰ পানীবোৰ জিলমিলাই উঠে। শীতৰ সেমেকা ৰ'দে যেন আগন্তুক বসন্তৰ বতৰে মনত বাহি দিয়ে। দূৰণিত নীলা পাহাৰখন আৰু তাৰ চূড়াত আকাশৰ চুমা খোৱা ভংগীয়ে যেন এক চঞ্চল ৰোমাণ্টিকৰ সৃষ্টি কৰে। আৰু তাৰ সিপাৰত, দিগন্তৰ সিপাৰত হয়তো আন এখন পৃথিৱী। দিগন্ত....।

অপূৰ্ণাহঁতৰ ঘৰলৈ গৈ কি দেখিলোঁ; বাপৰে! ইমান মানুহ, ইমান আয়োজন। অপূৰ্ণাজনী এনেই সাদৰী। তাতে এনুৱা খবৰ। এফালে ইফালে এবাৰ সিফালে উভল খুভল তাৰেৰে আজি তাইৰ মুখত কথাই নোলায়। মোৰ ভাব হ'ল সঁচাকৈয়ে তাই বৰ সৌভাগ্যৱতী। যাক মনত এবাৰ আঁকিলে তাকেই বাস্তৱতো পাব। যি হওঁক এনেকুৱা সৌভাগ্যৱতী ছোৱালীজনী মোৰ বান্ধৱী। তাৰ বাবে মই গৌৰৱান্বিত। লাহে লাহে সন্ধ্যা নামি আহিল। পুনৰ প্ৰভাতত দেখা হোৱাৰ প্ৰতিশ্ৰুতিৰে দিনমণি বিদায় মাগিলে পৃথিৱীৰ বুকুৰ পৰা। অপূৰ্ণাৰ মাকে মন্দিৰত শংখৰ নিনাদ তুলিলে। ধূপ ধুনাৰ সুবাসেৰে গোটেইখন ঘৰ পবিত্ৰ তীৰ্থ ভূমি যেন লগা হ'ল। মাত্ৰ বাকী ৰ'ল—'কেতিয়া দেখিবলো চেনাইৰ মুখনি' ভাব। এনেতে এখন টেলিগ্ৰাম আহিল। সেইখন পঢ়িয়েই খুড়া মাটিত বহি পৰিল। কিনো সেইখন খুলি খপিয়াই লোৱা দি লৈ অপূৰ্ণাই দুটামান আখৰ পঢ়িয়েই জ্ঞান হেৰুৱাই পেলালে। কথাটো বুজ লৈ গম পালোঁ যে কোনোবা সন্ত্ৰাসবাদীয়ে দিগন্ত না অহা গাড়ীখনতে বোমা দিলে। যাৰ ফলত গাড়ীৰ আটাইবোৰ মানুহেই মৃত্যুৰ মুখত পৰিল। আন দিনা বাতৰি কাকতত পঢ়াৰ দৰে আজি কিন্তু মই এই ঘটনাটো স্বাভাৱিক ঘটনা হিচাপে ল'ব নোৱাৰিলো। ■

"নিজৰ ভিতৰত শক্তিৰ পুং নাথাকিলে অৰ্থাৎ নিজৰ আত্মবল নাথাকিলে বাহিৰৰ পৰা হেজাৰ উৎসাহ উদ্দীপনা দিয়া হওক, সি সেইবোৰ গ্ৰহণ কৰিব নোৱাৰে। দেশৰ বা সমাজৰ বা নিজৰ অতি সংকটপূৰ্ণ মুহূৰ্ততো সি আত্মৰক্ষাৰ বাবে প্ৰয়োজনীয় অগ্ৰগামী সাহসিক দিহা লব নোৱাৰে। কাৰণ, মূলতে তাৰ সেই শক্তি নাই। শাল কাঠৰ নাও পানীত অলপ ঠেলি দিলেই সি নিজৰ ভিতৰৰ শক্তিৰে আগবাঢ়ি যায়। কাৰণ, তাৰ মূলত আগবঢ়া আত্মশক্তি আছে। কিন্তু মদাৰ কাঠৰ নাওঁৰ সেই শক্তি মূলতঃ নাই বাবে, থাকিলেও সি আগবাঢ়িব নোৱাৰে। আমি অসমীয়াৰ নেতৃত্বৰ মূলত অগ্ৰগামী হোৱা আত্মশক্তি নাই বাবে অসমৰ আজি এই ঘোৰ দুৰ্দ্দশা।"

অম্বিকাগিৰী ৰায়চৌধুৰী

(গল্প)

# এটি আবৰ্জনাৰ মৃত্যু

অনিল কুমাৰ শৰ্মা

কলেজৰ পৰা আহি সুনন্দ বাচষ্টেণ্ডত থিয় হৈ ৰ'ল। আজি তৰ প্ৰেকটিকেল ক্লাচ কৰি আহোঁতে বহুত পলম হৈ গ'ল। সি বৰ্তমান বি এচ্ চি দ্বিতীয় বাৰ্ষিকত পঢ়ি আছে। সাধাৰণতে তাৰ প্ৰেকটিকেল ক্লাচ চাৰি বজাত শেষ হয়। কিন্তু আজি Chemistry Practical ৰ Salt এটা Analysis কৰোঁতে 4-45 বাজে। সেয়েহে তাৰ পলম হৈ যায়।

ইতিমধ্যে বাচষ্টেণ্ড ব্যস্ত হৈ পৰিছে। অফিচ-কাছাৰীৰ পৰা অহা মানুহবোৰে বজাৰ-সমাৰ কৰি নিজৰ দিশৰ বাচ-মটৰত উঠিবলৈ লৈছে। বাদামৱালা-ফেৰিৱালা আদিয়ে নিজৰ লগতে পৰিয়ালবো ভৰণ-পোষণ দিয়া সকলো বস্তু বেচিবলৈ যাত্ৰীসকলৰ মাজত ঘূৰি ফুৰিছে। এই সময়তেই যি দুই পইচা সিহঁতে আৰ্জিব পাৰে। সুনন্দই গাড়ীলৈ বাট চাই থাকোঁতে কেতিয়াবা ইজনে-সিজনে কোৱা শুনে— 'আজি ভাই একেবাৰে বিক্ৰি নাই। মাত্ৰ ১২ টকা। আনজনেওঁ কয় মোৰো ভাই নাই। ঘৰতো একো খাই অহা নাই। মা-দেউতাহঁত যোৱা ৰাতিৰে পৰা লঘোণে আছে।' মুহূৰ্ততে সিহঁতৰ ব্যথাভৰা জীৱনৰ করুণ কাহিনী। সেই কাহিনী শুনিবলৈ কোনো মানুহৰ আহৰি নাই। সকলোৱে নিজৰ নিজৰ সুখ, সুবিধা, ক্ষমতাক লৈয়ে ব্যস্ত। সমাজত কেনেদৰে প্ৰতিপত্তি বাঢ়িব পাৰে তাৰ চিন্তাত নিমগ্ন হয় অধিক সময়। কোনেও নুশুনিলেও সি মাজে সময়ে সিহঁতৰ কথা বিলাক শুনি থাকে। হাজাৰ হলেও সিও দুখীয়া পৰিয়ালৰে সন্তান। কেতিয়াবা তাৰ দুই-এটকাৰ বিনিময় মন যায়। কিন্তু সি নোৱাৰে। সি ভাবে দুখীয়াইহে কিজানি দুখীয়াৰ দুখ বুজি পায়। আজিৰ স্বাৰ্থলোভী সমাজত দুখীয়াসকল সচাঁকৈয়ে মূল্যহীন হৈ পৰিছে। সি ভাবে মানৱ সমাজৰ পৰা ধনী দুখীয়াৰ প্ৰভেদ কেতিয়াবা আঁতৰি যাব। কেতিয়া দুবেলা দুমুঠি দুখীয়াসকলে পেট ভৰাই খাবলৈ পাব। তাৰ দুচকুত এখনি সুন্দৰ পৃথিৱীৰ ছবি ভাঁহি উঠিল।

হঠাৎ সুন্দৰ সুৰেৰে গোৱা লোকগীত এটা শুনি তাৰ চিন্তাত যতি পৰিল। সি দেখিলে মলিয়ন আৰু ফটাছিটা কাপোৰ পিন্ধা অন্ধ ডিবোতা এখনীয়ে একজনী ন-দহ বছৰীয়া (সম্ভৱ তাইৰ জীয়েক) ৰ হাতত ধৰি গান গাই গাই ভিক্ষা মাগি ফুৰিছে। হাতত থকা সৰু পাত্ৰটোত কোনো কোনোৱে পাচ-দহ পইচা আঁতৰৰ পৰা (অস্পৃশ্য হোৱাৰ ভয়ত) দলিয়াই দিছে।

ইতিমধ্যে সুনন্দহঁতৰ ফালে যোৱা গাড়ীখন হৰ্ণ বজোৱাত সি গাড়ীত উঠি দুৱাৰমুখতে ৰ'ল। সি দেখিলে গাড়ীৰ ভিতৰতো তাই ভিক্ষা মাগি ফুৰিছে। কিন্তু কোনোৱে তাইলৈ ঘূৰিয়ে চোৱা নাই। একজন ভদ্ৰলোকে কোৱা কথা তাৰ কাণত পৰিল— "এই আবৰ্জনাবিলাক সমাজৰ পৰা কেতিয়া আঁতৰি যাব। কাম কৰি খাব নোৱাৰে। ফটা কাপোৰ পিন্ধি চেহেৰা দেখুৱাই ফুৰিছে লাজ সন্মান নাই। সুনন্দই মানুহজনক কথা শুনাম বুলি ভাবিছিল। কিন্তু নক'লে। ছোৱালী ভিক্ষা নিদিয়া নিদিবি। অন্ধ মানুহজনীয়ে কাম কৰি খাব লাগে। তাঁহঁতৰ ঘৰলৈ কাম কৰিবলৈ মাতি নিনিয় কিয়? অন্ধ হৈ জন্ম লোৱাতো তাইৰ দোষ নেকি? চকু থাকিও তহঁতৰ দৰে অন্তৰ অন্ধ লোকসকলে তাহাঁতকৈও কিমান নিকৃষ্ট কাম কৰি আছ সেইটো ভাবি নাচোৱ কিয়?

তাই দুৱাৰমুখলৈ আহিল। সি দুৱাৰমুখতে থকা কাৰণে ছোৱালীজনীয়ে তাৰ ওচৰত হাত পাতিলে। কিন্তু সি কি কৰিব। তাৰ ওচৰত ভাৰাটোৰ বাহিৰে আন পইচা নাই। ছোৱালীজনীৰ শুকান নিস্তেজ মুখখন দেখি তাৰ বেয়া লাগি গ'ল। বেচেৰী। দুই দিনমান কিজানি একো খাবলৈ পোৱা নাই। সি যি হয় হ'ব বুলি ভাবাৰ পৰাই এটকা দিবলৈ লৈছেহে মাথোন

এনেতে গাড়ী চলিবলৈ ধৰাত কনডাক্টৰে এই ছোৱালী নাম বুলি থেলা মাৰি দিলে। ছোৱালীজনী ছিটিকি দুৰত পৰিল। ইকি, হায় ভগৱান তিৰোতাজনী দেখো গাড়ীৰ চকাৰ তলত।

মা..........। এটা বিকট চিঞৰ মাৰি সুনন্দ সাৰ পাই উঠিল। সেই চিঞৰত সাৰ পাই মাক তাৰ ওচৰলৈ দৌৰি আহিল। আক কি হ'ল সুধিলে। কিন্তু সি কোনো কথা ক'ব পৰা নাই। ইঙ্গিতেৰে মাকক পানী এগিলাচ আনিবলৈ ক'লে। পানী গিলাচ খাই কিছু সুস্থ হোৱাত সিদিনাৰ ঘটনাটো সপোনত দেখাৰ কথা কলে। মাকে ক'লে— তই ঘটনাটোক লৈ বেছিকৈ চিন্তা কৰিছ। নিতৌ তেনেকুৱা ঘটনা কিমান ঘটিব লাগিছে তাৰ হিচাপ কোন ৰাখিছে। তই মই ৰাখিলে কি হ'ব। তাক শুই থাকিবলৈ কৈ মাক পুনৰ শুই পৰিল। সি চিন্তা কৰিব ধৰিলে। মাকো সেই মানুহ সমূহৰ শাৰীত পৰিল নেকি? তাৰ ভুলৰ বাবেই তিৰোতাজনীৰ মৃত্যু হ'ল নেকি? সি মাক তাইক পইচা নাই বুলি ক'লে কি হ'ল হেতেন? অন্ততঃ এটি প্ৰাণ বাচি থাকিলহেঁতেন। নে পৃথিৱীৰ পৰা দয়া-মমতা-ভালপোৱাবোৰ নোহোৱা হৈ গ'ল?? নাই সি ভাবিব নোৱাৰিলে। অসহায় ছোৱালীজনীৰ গগণ ফলা চিঞৰবোৰে তাক চৰিওফালৰ পৰাই আগুৰি ধৰিলে। ■

---

# দুটি লিমাৰিক

মানবেন্দ্ৰ চৌধুৰী

## কেইটিমান আপদীয়া পদ্য

(১)
টংকেশ্বৰ তামুলী
তামোল খাই একাৰী
অফিচৰ চকীখনত বহী
ফাকিমাৰে দুকুৰী।

(২)
কুটুবুদ্দিন আহমেদ
কুপনৰ বাপেক
সি দেখাত হ'ল
একেবাৰে ক্ৰেককেট।

(৩)
ভেবেলা
চহৰীয়া
সি হ'ল ঘৰটীয়া।
ঘৰতে থকা তাৰ কাম
নহলে হৈপীয়েকে,
গালতে লগাই দিয়ে দুচাতমান।

## ইণ্টাৰভিউ

(১)
দিবলৈ গলো ইণ্টাৰভিউ
চাকৰি কৰিম বুলি
পাচ কৰিলো বিভিনতো
ভালকৈ দেখি মেলি।
এতিয়াহে আহিল ভাইভা
কিনো কৰিম মই আইতা ?

(২)
ইণ্টাৰভিউ ৰুমত সোমালো
চকি এখনত বহিলো
লাগিল নহয় বুলো,
এতিয়াহে আচল দেখাতো।

(৩)
এজনে ক'লে ভাইটি
টকা অলপ দিয়াহি
দিম তোমাক মই
নগদ গদিয়া চাকৰিটি।

(৪)
এতিয়াহে আহিল ৰাম ৰাম
যেক্তত আছে এনমান
দিবলৈ লাগে পঞ্চাহ হেজাৰ মান।

(৫)
নকৰো মই চাকৰি
হম মই বেপাৰী
বেপাৰী হব নোৱাৰিলো
নেউতাৰ হোটেলতে বহি খমহি।

গল্প

# ৰিক্সাৱালা

সিদ্ধাৰ্থ কুমাৰ শৰ্মা
স্নাতক ১ম বৰ্ষিক (বিজ্ঞান)

গাড়ীখনৰ পৰা নামিয়েই স্বস্তিৰ নিশ্বাস এৰিলো। মনতে ভাবিলো গাড়ীৰ সংখ্যা যিমানেই বাঢ়িছে গাড়ীবোৰতো ভিৰ সিমানে বাঢ়িছেহে। দেশৰ জনসংখ্যা এনেদৰে বাঢ়ি গলে ভৱিষ্যতে কি যে হ'ব ভগৱানেহে জানে।

"ঐ ৰিক্সা যাবি?"—তেকা ৰিক্সাৱালাজনক বৈ থকা দেখা পাই সুধিলো। কাৰণ ইয়াৰপৰা মই যনৈকে যাবলৈ ওলাইছো তালৈ গাড়ী খুব কমেই যায়। দুখন কেন্টাৰ দিনটোত চবিবাৰ যান অশ্ব যোৱা কৰে তলে ওপৰে সমান মানুহ লৈ। সময়ৰ একো থিকেই নাই সিঁহতৰ। সেয়েহে গাড়ীৰ ভিৰ খাই গাড়ীত যাবলৈ আৰু মোৰ মন নগ'ল।

"কলৈ যাব বাবু?" সি মোক ওলোটাই প্ৰশ্ন কৰিলে।

"হালধাটলৈ যাম। ভাড়া কিমান হ'ব?"-মই তাক সুধিলো।

"২০ টকা বাবু।"-সি ক'লে।

"২০ টকা? এইখিনি বাস্তাতেই ২০ টকা?" মই আচৰিত হ'লো। আজিকালি দোকান ওলাবলৈ যাবই নোৱাৰি। বস্তুৰ জুই চাই দাম। আৰু এতিয়া এই খেনা ৰিক্সাবোৰেও আচৰিত ধৰণে ভাড়া শুনোৱা হৈছে। মই মনতে ভাবিলো।

"বাবু ২০ টকাৰ কমত একেবাৰে যাব নোৱাৰো চাওঁক, দিনটোত পাওঁ আমি দুটা বা এটা ভাড়া। তাতে আকৌ যেতিয়াবা একেবাৰে ওচৰ ঠাইৰ পাওঁ। আৰু এইখিনি টকাৰে দুসাজ খাব লাগে। আপুনিচোন জানেই বস্তুৰ দাম কেনেকুৱা। এই ৰাস্তাটোত বোকা দেখিছে। এই বোকাই বোকাই যাব লাগিব। যেতিয়া বৰষুণ দিয়ে, তেতিয়া ঘৰতে থাকিব লাগে। তেতিয়া এসাজ ভাতৰ কাৰণে পেটত গাঁঠি দিব লাগে। আপোনালোক ধনী বুজা মানুহবোৰে এনেকৈ কয়নে?"

হয়েতো; নিজৰ মনতে কথাবোৰ জুকিয়াই চালো। যেতেবাই থিক কথাকেই কৈছে। এনেহেন দিনত আমি চলাটোৰেই টান হৈ পৰিছে। আৰুনো এই শ্ৰেণীটো কি? আজি শুনিম চৰিওফালে বানপানী খেতি বাতি উটুৱাই নিছে। বানপানীৰ বাবে ৰাস্তা ঘাট বন্ধ। ফলত বাহিৰৰ পৰাও চাপ্লাই দিব পৰা নাই। গতিকে বস্তুৰ দাম দুগুণ। কালি শুনিম প্ৰথৰ ব'দ। বৰষুণ নাই। পথাৰৰ মাটি ফাটি মেলিছে। খেতি বাতি শুকাই গৈছিল। ৰচ বস্তুৰ দাম দুগুণ। বাঃ আমাৰ দেশ উন্নতিৰ পথত।

"বাবু যাবনে নাযায়?" ৰিক্সাৱালাৰ মাতত্হে সম্বিত ঘুৰাই পালো।

"বাৰু ব'ল, ২০ টকাই তোক দিম।" হাতৰ স্যুটকেছটো ৰিক্সাখনত থৈ উঠি বহিলো।

এচাটি সুন্দৰ মৃদু বতাহ বৈছিল। গাড়ীত অহা জাপৰত বতাহৰ মাদকতাও কৰবাৰ পৰা আহি টোপনিটোৱেও মোক হেঁচি ধৰিছিল। কিন্তু মই টোপনি যাব পৰা নাছিলো। কিহে ৰাস্তা। একো একোটা আঁকোৰণিত দেহৰ সমস্ত অংগ যেন সুলকি পৰিব এনেহেন বোধ হৈছিল। ভাবিলো টোপনি যোৱা আৰু নহ'ব। ৰিক্সাৱালাটোৱে ৰিক্সা চলোৱাত ব্যস্ত। বেচেৰাৰ সচকৈয়ে বৰ কষ্ট হৈছিল। এবাৰ কুকুৰ এটা আগত পৰাত সি বেলটো বজাই দি খুৱালে-"ঐ কুকুৰ চইদ্‌ হ।" অনুমান কৰিলো ল'ৰাটোৰখুব বেছি ১৬/১৭ মান বয়স হ'ব। তাৰ লগত দুটিমান কথা পাতিবলৈ মন গ'ল।

"ঐ ৰিক্সাৱালা, তোৰ নামটো কিনো?" মুখৰ পৰা অজানিতে ওলাই আহিল।

"কতুল বাবু।"-সি ক'লে।

"বেচ ধুনীয়া নাম দেই। তোৰ ঘৰত কোন কোন আছে বাৰু?"-কিয় জানো মন গ'ল তাৰ বিষয়ে

জানিবলৈ।

"বাবু আমাৰ ঘৰৰ বিষয়ে জানিনো কি কৰিব। আমি হ'লো দুখীয়া মানুহ। দুখীয়াৰ ঘৰত থাকে দুখ, আৰুনো কি থাকিব। তথাপিতো আপুনি জানিব বিচাৰিছে যেতিয়া শুনক। মোৰ ঘৰত আছে মা, ভাইটি আৰু ভনী এজনী।"

মই তাক পুনৰ সোধাৰ আগতে সি ওলোটাই মোক সুধিলে মই ক'ৰ পৰা আহিছো কি কৰো। তাৰ হ'ল তাৰ কাহিনীত যেন ডাঙৰ কিবা এটা লুকাই আছে আৰু ঘটনাটো লুকাবলৈ মোক সি ওলোটাই প্ৰশ্ন কৰিছে। তাৰ কথাৰ উত্তৰত মই তাক ক'লো যে মই এজন F.C.I.ৰ চাকৰিয়াল আৰু আজি ৰবিবাৰ বাবে নিজৰ ঘৰ হলধালৈ আহিছো। গুৱাহাটীৰ পৰা অহা গাড়ীত আহি শালমাৰা চ'কত নামি এয়া তোৰ বিশ্ৰাম আহি আছো। বচ ইমানেই।

"তোৰ দেউতাৰ নাই নেকি?"-মই তাক সুধিলো।

মোৰ বাবে বাবে তাৰ হৈছিল তাৰ বিশ্ৰা চলোৱাৰ অন্তৰালত কিবা কাহিনী লুকাই থকা বুলি।

"বাবু দেউতাৰ কথা নক'ব। আমি ভাবি লৈছো দেউতা মৰা বুলি। আমাৰ হিয়াত দেউতাৰ কোনো ঠায়েই নাই। -সি ক্ষোভেৰে ক'লে।

"কিয়? নিজৰ দেউতাকক জানো কোনোবাই ইমান ঘৃণ কৰে। তেনেকৈ জানো কয় দেউতাকৰ কথা।" মই তাক মৰম মিহলি কণ্ঠেৰে ক'লো।

"বাবু এইবোৰ দীঘলীয়া কাহিনী। তথাপি আপুনি জানিব বিচাৰিছে যেতিয়া শুনক।"

"দেউতাই কাম কৰিছিল মোৰহাটত। পুলিচ কনিষ্টবল বিষয়া। এখন সুন্দৰ সংসাৰ আমাৰ। দেউতাই মাহত এবাৰ মানকৈ আহি মাক টকা পইচা দি যায়। মায়ে আমাক দেউতাৰ দৰে শাসন কৰিছিল। মাতৃ হৃদয়ৰ মৰম দিছিল। এদিন মই মেট্ৰিক পাছ কৰো। খবৰ শুনিয়ে দেউতা আহিছিল ঘৰলৈ। দ্বিতীয় বিভাগত পাছ কৰা কাৰণে সেইদিনা দেউতাই গাঁৱৰ মানুহক চাহ মিঠাই খুৱাইছিল। মনটো সেইদিনা ইমান যে ভাল লাগিছিল। কলেজত পঢ়িব পাৰিম, এদিন চাকৰি কৰিম, আৰুবে কত কি কল্পনা। কিন্তু মোৰ যে এই কল্পনা কল্পনা হৈয়ে ৰ'ল। হয়তো নিয়তিয়ে মোৰ কল্পনাবোৰ ভাল পোৱা নাছিল। বিজ্ঞাপনৰ এমাহৰ মূৰত দেউতা আকৌ আহিছিল। কিন্তু লগত এজনী অচিনাকী ছোৱালী লৈ আনিছিল। অলপ পিছত জানিলো সেয়া হেনো দেউতাৰ নতুনকৈ বিয়া কৰোৱা তিৰোতা। সেইদিনা মাৰ লগত দেউতাৰ বহুত বাক-বিতণ্ডা লাগিছিল। মাই প্ৰতিবাদ কৰিছিল মাৰ বিনা অনুমতিত কিয় আকৌ এজনী বিয়া কৰাব। মাৰ কথা শুনি দেউতাই মাক বহুত মাৰিছিল। আৰু আমাক এৰি গুচি গৈছিল। সেইদিনা আমি তিনিও ভাই-ভনীয়ে মাথো কান্দিছিলো।

মাৰ হাতত যিখিনি সাঁচতীয়া ধন আছিল সেইখিনি শেষ হোৱাত আমি সকিওটাই দুদিন শুদা পেটে থকিব লগা হ'ল। শেষত উপায় নাপায় মই তৃতীয় দিনা গাঁৱৰে মানুহ এজনৰ বিশ্ৰাখন চলাবলৈ লওঁ। দিনটোত মানুহজনক দিব লাগে বিশ্ৰাখনৰ বাবদ সহ টকা।

মই তাৰ কথাবোৰ নীৰৱে শুনি গৈছিলো। মনটো সঁচাকৈ বেয়া লাগিছিল। বেচাৰাই কি আশা কৰিছিল আৰু কি পালে। এয়া জানো এজন পিতৃৰ কৰ্তব্য। পিতৃ হৈ জানো ইমান নিৰ্দয় হ'ব পাৰে।

"বাবু হালধা পালো।" তাৰ মাতত মই কল্পনা ৰাজ্যৰ পৰা দিঠকলৈ আহিলো।

"অ, পালোৱেইচোন।" চুটকেচটো হাতত লৈ নামিলো। পকেটত হাতখন সোমাই এখন পঞ্চাশ টকা তাৰ হাতত গুজি দি ক'লো, "এই গোটেই খিনিয়েই ৰাখ।"

সি প্ৰতিবাদ কৰি ক'লে "নাই নালাগে বাবু।" মই কিন্তু তাক জোৰকৈয়ে দিলো। সি লগে লগে টকাখিনি লৈ বিশ্ৰাখন ঘুৰাই পুনৰ অহা বাটে মোক মাত দি গুচি গ'ল।

মই ভাবিছো সি হয়তো এতিয়া চ'কটোলৈকে যাব। বৈ থাকিব মোৰদৰে যাত্ৰীৰ অপেক্ষাত। চকুৰে মনিব পৰালৈকে মই তাক চাই থাকিলো। কোনে জানে তাৰ ভাগ্যত কি লিখা আছে। এয়া ভাগ্যৰ চকনৈয়াত অজি কতুল হ'ল খতুল বিশ্ৰাৱালা।

গল্প

# নিশিঠ তৃষ্ণা

ভৱানন্দ ডেকা

ফাগুণৰ এটি উকত্তা লগা দিন। চৌদিশে কেৱল মুকলি। নষ্টা পাহাৰবোৰে যেন নীৰৱে উচুপিছে। মাজ পথাৰত থকা শিমলু জোপাই সিহঁতৰ লাজ নিবাৰণৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছে। গোটেই পৰিবেশটোকেই কিবা এটা অবুজ শক্তিয়ে অনুপম কৰি তুলিছে। চৰিত্ৰফালে পল্লৱহীন গছবোৰে প্ৰকৃতিৰ নিতাৰ লগত বতাহৰ তালে তালে হাঁহি জানি প্ৰকৃতিৰ এইঅয়নত আগভাগ লৈছে। আবক্ত শিমলু ফুলবোৰ অস্তিত্বৰ পোহৰত দূৰৰ পৰাই জিলিকি আছিল। সময় তেতিয়া ৰাতিপুৱা। ৰাজপথত কলেজীয়া ল'ৰা-ছোৱালীৰ ভিৰ। ফাগুনৰ নিলাজী বতাহজাকে গোটেই লৰা ছোৱালীবোৰকে যেন উকৰাইছে নিব। পাহাৰৰ পাঁতি থকা সঁফুৰহ দবাৰ পৰা এটা মিঠা আমেজ লগা সুবাস ভাহি আহিছিল।

সদাই মাত দিয়াৰ দৰে সেই দিনাও অনিতাই মাকক মাতদি কলেজলৈ বুলি বাওঁনা হ'ল। প্ৰধান আলিবাটটোৰ অলপ ভিতৰত সিহঁতৰ ঘৰ। দেৱজিৎ বৰুৱাৰ একমাত্ৰ সন্তান অনিতা বৰুৱা। বহু সম্পত্তিৰ মালিক এই দেৱজিৎ বৰুৱা। ব্যৱসায় কৰে। ঘৰত বেছি সময় নাথাকেই। ব্যৱসায়ৰ কামত বোম্বাইতেই বেছিভাগ সময় থাকে। এই দেৱজিৎ বৰুৱাবেই ছোৱালী অনিতা বৰুৱা। উশৃংখল যৌৱনে আমনি কৰা এক খুনীয়া গাভৰু। দেহৰ ভাঁজে ভাঁজে যৌৱনৰ উত্তাপ। মৃদু খোজেৰে গৈ আছে। অনিতাই। এটা সময়ত তাইৰ ভৰিয়ে প্ৰধান আলিবাটৰ ফুটপাত স্পৰ্শ কৰিলে। অলপ দূৰ গৈছেহে এনেতে হঠাৎ পিছফালৰ পৰা মাৰুতি ভেন এখন আহি তাইৰ ওচৰতে বৈ দিলে। অনিতাই ঘূৰি চাই দেখিলে গাড়ীৰ ভিতৰত তাইৰ অতিকৈ চিনাকী মানুহ জনেই আহিছে। তাই মিচিকিয়া হাঁহিৰেই সম্ভাষণ জনালে। মানুহজনৰ নাম ৰঞ্জিত। ৰঞ্জিত মজুমদাৰ। এজন ডগল ডেকা ল'ৰা। অনিতাৰ চিনাকী হবৰ আজি তিনিবছৰেই হ'ল। দেউতাকেই তাইক ৰঞ্জিতৰ লগত চিনাকী কৰি দিছিল চিনাকী হোৱাৰ পিছত ৰঞ্জিত কেইবা দিনো অনিতাইঁতৰ ঘৰলৈ গৈছিল। এনেকৈ প্ৰায় দুমাহ মানৰ পিছত ৰঞ্জিত আৰু অনিতাৰ মাজত এক বেলেগ সম্পৰ্কই গঢ় লৈ উঠিছিল। অনিতাৰ ঘৰত এই কথা কোনেও গম পোৱা নছিল কলেজৰ পৰা কেতিয়া আহিবা? ৰঞ্জিতে অনিতাক প্ৰশ্ন কৰিলে।

দুটা মান বজাত। তাই চুটিকৈয়ে উত্তৰ দিলে। ৰঞ্জিতে গাড়ীৰ চিটৰ তলৰ পৰা টোপোলা এটা উলিয়াই অনিতাক ক'লে— "দোকানী জনক মই ভাবিবেলা মাতা বুলি কবা। মই যাওঁ এতিয়া।" ৰঞ্জিতে গাড়ী ষ্টাৰ্ট কৰি তাৰ পৰা সাউৎকৰে গুচি গ'ল।

অনিতাই মাথো কি হোৱাৰ পিনে একেথৰে চাই থাকিল এটা সময়ত ৰঞ্জিতৰ গাড়ী অনিতাই চকুৰে মনিব নোৱৰা হ'ল। তাই মুখ ঘুৰাই আনিলে। টোপোলাটো বেগত ভৰাই ললে। পচোঁৱা বতাহ জাকে বাৰে বাৰে তাইৰ শাৰীখনত জোঁত লগাই ধৰিছিল। তাই শাৰীখন ঠিক কৰি লৈ পুনৰ খোজ পেলালে। বতাহৰ কোবত বিজুলী তাঁৰত সোঁ-সোঁৱাই শব্দ হৈছিল। অনিতাই এনেয়ে এবাৰ ওপৰ ফালে চালে, বিজুলী তাঁৰত পৰি থকা এযোৰ ভটিন চৰাই আকাশৰ কোনোবা দিগন্তলৈ উৰি গ'ল। অনিতাৰ বেগত থকা টোপোলাটোলৈ মনত পৰিল। এনেকুৱা টোপোলা বহুদিন তাই নিছে। ৰঞ্জিতে দিয়ে আৰু তাই নি কলেজৰ সন্মুখৰ পান-দোকানী জনক দিয়ে। টোপোলাটোত কি থাকে তাই নেজানে। অনিতাই গৈ চাৰি আলিৰ চ'কটো পালে। এই চ'কটো পাৰ হলেই সিহঁতৰ কলেজ। তাই চাৰি আলিটো পাৰহৈ ললে। এনেতে তিনিজন পুলিচ আহি তাইক ৰ'বলৈ ক'লে।

অনিতাই বৈ দিলে। এজন পুলিচে ক'লে— "বেগটো খোলচোন ভণ্টি।" তাই বেগটো খোলা মাত্ৰেই পুলিচ এজনে তৎক্ষনাত টোপোলাটো উলিয়ালে আৰু ক'লে ভণ্টি তুমি আমাৰ লগত থানালৈ ব'লা। অনিতাৰ অত্যন্ত ভয় লাগিছিল। ভয়ে ভয়ে তাই পুলিচ জনক সুধিলে "মই কিয় থানাত যাব লাগে"? পুলিচ জনে ক'লে—" থানাত পালেই গম পাবা।" এতিয়া বলা আমাৰ লগত। পুলিচজনে আৰু বিশেষ কথা নক'লে, সিহঁতৰ গাড়ী অহাত আটাই কেইজনে অনিতাক গাড়ীত তুলিলৈ থানালৈ দুই কিলোমিটাৰ। এটা সময়ত সিহঁতৰ গাড়ী থানাৰ কম্পাউণ্ডত সোমাল। আটাই কেইজনে গাড়ীৰ পৰা নামিল। এজন পুলিচে গৈ টোপোলাটো থানাৰ অ'চিজনক দিলে। এটা সময়ত অনিতাক অ'চিজনৰ সন্মুখত হাজিৰ কৰা হ'ল। অ'চিয়ে অনিতাক প্ৰশ্ন কৰিলে— "তোমাৰ নাম কি?" তাই ভয়ে ভয়ে উত্তৰ দিলে— "অনিতা বৰুৱা।"

: দেউতাৰৰ নাম কি?

: দেৱজিৎ বৰুৱা।

দেৱজিৎ বৰুৱা? অ'চিয়ে আশ্চাৰ্য্যজনক ভাবে অনিতাৰ ফালে চালে। দেৱজিৎ বৰুৱাক তেখেতে ভালদৰেই চিনে। অনিতাই পুনৰ ক'লে, "হয়, দেৱজিৎ বৰুৱা।

কিছু সময় অ'চিজনে কিবা চিন্তা কৰিলে তাৰ পিছত ক'লে তোমাৰ ঘৰ জোৰা পুখুৰী গাঁৱত নহয় জানো?

: হয়। অনিতাই উত্তৰ দিলে।

: তোমাক এই টোপোলাটো কোনে দিছে?

: এজন ল'ৰাই।

: কি নাম ল'ৰাজনৰ?

: নেজানো। কিন্তু মই ল'ৰাজনক চিনি পাম। মোক আগতেও এনেকৈ কেইবাদিনো এনেকুৱা টোপোলা দিছে। অনিতাৰ কিয় জানো বঞ্জিতৰ নামটো ক'বলৈ তাইৰ ইচ্ছা নহ'ল।

: তুমি ল'ৰাজন আমাক চিনাই দিব পাৰিবা?

: পাৰিম। তাই ক'লে।

: এইটো নি তুমি কাক দিব হয়?

: আমাৰ কলেজৰ সন্মুখৰ পান দোকানী জনক।

: বাৰু তুমি এতিয়া যোৱা কাইলৈ বাতিপুৱা তোমাৰ দেউতাৰাক লৈ আহিবা।

: কিন্তু দেউতা এতিয়া ঘৰত নাই। বোম্বাইত আছে।

: বাৰু আমি টেলিগ্ৰাম পঠিয়াম। কাইলৈ তুমিয়ে আহিবা। আমাক তুমি ল'ৰাজনক চিনাই দিব লাগিব।



ভাৱক্ৰান্ত মন এটা লৈ অনিতাই থানাৰ পৰা বাহি ওলাই আহিল। ঘৰ পাই কানি কাপোৰ সলাই বিছনাত বাগৰ দিলে। তাইৰ মনত বহুতো চিন্তাই তোলপাৰ লগালে। টোপোলাটোত বাৰু কি আছিল? কিবা নিচাযুক্ত বস্তু আছিল নেকি? কিন্তু ৰঞ্জিতে জানো সেইবোৰৰ ব্যৱসায় কৰিব? পুলিচে বাৰু তাক কিয় চিনাই দিব কৈছে? ইত্যাদি বহুতো প্ৰশ্নই অনিতাক হেচা মাৰি ধৰিলে। তাই ভাবি ভাবি কোনো এটা

প্ৰশ্নৰে সঠিক উত্তৰ বিচাৰি নেপালে। মাকে ভাত খাব মতাত তাই বান্ধৱী ঘৰত গৈ ভাত খাব লগে বুলিও খাব নোৱাৰিলে। ভোক নাই বুলিকৈ তাই ভাত নাখাই উঠি আহিল। আবেলি অনিতাই কাপোৰ কানি পিন্ধি ওলাল: মাকে ক'লৈ যা বুলি সোধাত তাই উত্তৰ দিলে, একজনী বান্ধৱীৰ ঘৰত যাম। তাই ঘৰখেনকৈ ঘৰৰ পৰা ওলাই আহিল। সিহঁতৰ ঘৰৰ কাষৰ আমজোঁপাত পৰি চৌধা কাউৰী এটাই কা কা কৈ বহুবাৰ চিঞৰি আছিল। অনিতাৰ মাকে এটা শিল দলি পঠিয়ালে: ঘৰৰ কাষত কাউৰীয়ে তেনেকৈ মাতিলে হেনো ঘৰৰ কিবা অঘটন ঘটে। সেই বাবেই অনিতাৰ মাকে কাউৰীজনী খেদি পঠালে। তাই কা-কা-কৈ আকৌ ওচৰৰে জুনা গছ এজোপাত পৰিলগৈ।

প্ৰধান আলিটো পায়েই অনিতাই বিস্ৰা এখনেৰে বঞ্জিতৰ ঘৰ পালেগৈ। বঞ্জিত তেতিয়া এনেয়ে বিছনাত বাগৰ দি আছিল। অনিতাই দুৱাৰত টোকৰ দিয়াত সি দুৱাৰ খুলি অনিতাক দেখি অবাক হ'ল। লগে লগেই তাইক কোঁচৰে সাবটি ধৰিলে। অনিতাই মৃদু প্ৰতিবাদ কৰি ক'লে— এৰি দিয়া, কোনোবাই দেখিব। বঞ্জিতে এৰি দিয়াত তাইশে বিছনাতে বহিল। কিবা দৰকাৰ হৈ আহিছানে এনেয়ে আহিছা? বঞ্জিতে অনিতাক সুধিলে:

"—এনেয়ে আহিলো! মানুহৰ ঘৰত মানুহ ফুৰিব আহিব নোৱাৰি নেকি?" তাই ওলোটাই প্ৰশ্ন কৰিলে।

: "মানুহৰ ঘৰত মানুহ ফুৰিব আহিব পাৰি। কিন্তু তোমাৰ নিচিনা ছোৱালীক বিনা দৰকাৰে আগতে এনেদৰে ফুৰিব অহা দেখা নাই।"

: দেখুৱাবৰ বাবেই আজি আহিলো আকৌ।

পেন্ট-চাৰ্ট পিন্ধি এতিয়াও ফুৰিব যাও।

: ক'লৈ যাবা?

: পাহাৰৰ দাতিৰ ফালে।

: পাৰ্কত নোযোৱা?

: পাৰ্কত ভাল নালাগে। তাতোকৈ পাহাৰৰ সৌন্দৰ্যহে ভাল লাগিব।

: বাদ দিয়া তোমাৰ পাহাৰৰ সৌন্দৰ্যৰ কথা। পাৰ্কৰ ইমান ধুনীয়া সৌন্দৰ্য ভাল নালাগে অথচ পাহাৰৰ সেই ডেঙৰ ডেঙৰ হৈ ওলাই থকা শিল বোৰৰ সৌন্দৰ্য ভাল লাগে। বাৰু তাত গৈ তুমি কি কথা কবা কোৱা। আমাৰ দুয়োৰো মনৰ কথা পাতিবা নে অন্য কথা।

: মোৰ মনৰ একুৱা হুঁইৰ কথা তোমাক কম। কথাষাৰ কৈ অনিতাই দীঘল কৈ উশাহ টানিলে।

এটা সময়ত সিহঁত দুয়ো গৈ পাহাৰৰ কাষ পালে। পত্ৰবিহীন গছবোৰৰ বাবে গোটেই পাহাৰ খনেই মুকলি মুকলি লাগিছিল। সিহঁত দুয়ো পাহাৰৰ এটা শিলত বহি ললে। কিছু সময় কাৰো মুখত মাত নাই। মৌনতা ভঙ্গি অনিতাই মাত লগালে বঞ্জিতদা মোক যে তুমি টোপোলা বিলাক দিব দিয়া তাত কি থাকে বাৰু?

বঞ্জিত এই প্ৰশ্নৰ উত্তৰৰ বাবে সমূলি প্ৰস্তুত নাছিল নেয়ে সি ওলোটাই প্ৰশ্ন কৰিলে কিয়?

: কিয় সুধিছা তুমি?

: মোৰ দৰকাৰ আছে।

: কি দৰকাৰ তোমাৰ।

: আছে দৰকাৰ, তুমি ক'বলৈ কিয় টান পাইছা? কোৱানা তাত কি থাকে।

: কিছুমান বিদেশী মুদ্ৰা। বঞ্জিতে কথাটো ফাঁকি দি সাৰিব বিচাৰিছিল। কিন্তু নহ'ল।

: তুমি সম্পূৰ্ণ ফাঁকি দিছা, বিদেশী মুদ্ৰা হলে মোক পুলিচে তেনেকৈ নোসোধে।

পুলিচে। পুলিচে কি সুধিছে তোমাক? অনিতাৰ মুখত পুলিচৰ নাম শুনিয়েই বঞ্জিতে উত্তেজিত হৈ পৰিল: অনিতাই বতিপুৰাৰ গোটেই ঘটনাটো বিবৰি ক'লে। তাৰ পিচত প্ৰশ্ন কৰিলে কোৱা বঞ্জিতদা টোপোলাটোত কি আছিল? বঞ্জিত গোটেই মানুহটোৱেই ক'লা পৰি গৈছিল। তেজবোৰ যেন গোটা মাৰি বৰফহে হৈছিল। কোৱানা বঞ্জিত দা। অনিতাৰ মাতত বঞ্জিতৰ তন্ময়তা ভাগিল। সি লাহেকৈ ক'লে সেইটো হিৰইনৰ টোপোলা আছিল নিতা।

কি? হিৰইনৰ নাম শুনি অনিতা চক খাই উঠিল। তাই প্ৰায় চিঞৰাৰ দৰেই কৈ উঠিল। বঞ্জিত দা তুমি ইমান নীচ কামত হাত দিলা। ইমান তললৈ নামিলা। দেউতাই শুনিলে তোমাক কি ভাবিব। যিবিলাক কাম, দেউতাই ঘিণ কৰে সেই কামকে তুমি কৰিছা। মই তোমাক ঘিণ কৰো বঞ্জিত দা। কথাখিনি কৈ অনিতাই হুকহুকাই কান্দি দিলে। চিঞৰি কবৰ মন গৈছিল বঞ্জিতৰ মই নীচ কামত হাত দিয়া নাছিলো নিতা।

মোৰ অভাৱৰ সুযোগ লৈ তোমাৰ দেউতাৰাই মোক ইমান নীচ কামত ব্যৱহাৰ কৰিছিল। তোমাৰ দেউতাৰাই মোক ইমান তললৈ নমাই দিলে। ভদ্ৰ সমাজৰ তেখেত এজন আগশাৰীৰ লোক। অথচ তেৱেঁই 'ড্ৰাগছ' হিৰইন আদিৰ ব্যৱসায় কৰে। আনৰ আগত তেওঁ ড্ৰাগছৰ বিৰুদ্ধে ডাঙৰ লেকচাৰ দিয়ে আৰু সেই মানুহ জনেই বাহিৰৰ চকুত ধূলি দি ইমান নীচ কাম কৰে। মোকো তেওঁ ইমান নীচ হবলৈ শিকালে। অনিতাৰ আগত খুলি কবৰ মন গৈছিল যদিও কোনো কথা নক'লে।

কিছু সময় পিচত অনিতাই কম্পা বন্ধ কৰি বঞ্জিতলৈ চাই শুধিলে, এতিয়া পিছে কি হব বঞ্জিত দা। কাইলৈ টো মই তোমাক পুলিচক দেখুৱাই দিব লাগিব আৰু তোমাৰতো নিশ্চয় এই অপৰাধৰ বাবে জেল হব। পুলিচক মোৰ নামটো কৈছা নেকি? বঞ্জিতে শুধিলে।

ঃ নাই কোৱা।

ঃ দোকানী জনৰ কথা কৈ দিছা?

ঃ কৈছো।

ঃ কোনো কথা নাই মই মোৰ বাট নিজে ঠিক কৰি লম।

ঃ কিন্তু কেনেকৈ?

বাদ দিয়া সেইবোৰ এতিয়া। চাওঁ এইফালে আহাচোন।

অনিতা বঞ্জিতৰ ওচৰ চাপি আহিল। সি প্ৰথমে হাতখনেৰে তাইৰ চুলিখিনি ঠিক কৰি দিলে। তাৰ পিচত অনিতাৰ ওঠত মৃদু চুম্বন এটি আঁকি দিলে। লাজত তাই ৰঙা চিঙা পৰি গ'ল। কিন্তু এয়া কি? হঠাৎ বঞ্জিতে দুয়োখন হাতেৰে অনিতাৰ ডিঙিটোত জোৰেৰে চেপি ধৰিলে। তাই হাত ভৰি আচাৰি চটফটাই থাকিল। কিছু সময়ৰ পিচত অনিতাৰ দেহ নিঠৰ হৈ পৰিল। তাইৰ মুখেৰে কিছুমান বিজলুৱা পানী বাহিৰ হৈ আহিল। চকু দুটা ডাঙৰ কৈ মেলি আছিল। বঞ্জিতৰ হাত তেতিয়া তাইৰ ডিঙিৰ পৰা এৰা পৰিল। সি লৰা লৰিকৈ অনিতাই পিন্ধি অহা চাদৰ খনেৰেই তাইৰ ডিঙিটোত ভালদৰে পাক লগাই গছ এডালত তাইৰ দেহটো ওলোমাই থৈ আহিল। ঘৰ পাওঁতে বঞ্জিতৰ সন্ধ্যা লাগিছিল। সি বাকচৰ পৰা ৰিভলভাৰটো উলিয়াই গুলী ভৰাই ললে। পেণ্টৰ পকেটত সেইটো সুমুৱাই লৈ চকৰ ফালে বাওঁনা হ'ল। চকৰ চিনাকী দোকানী এজনৰ লগত কথা পাতি থাকোতেই নিশা 'ন' বাজিল। সি কলেজৰ ফালে খোজ পেলালে। কলেজৰ সন্মুখ পাই সি ইফালে সিফালে চাই কাকো নেদেখি পাণ দোকানখনৰ ফালে আগবাঢ়িল। পাণ দোকানী বীৰেণে তেতিয়া দোকান বন্ধ কৰাৰ যোগাৰ কৰি আছিল। এনেতে বঞ্জিত দেখা পাই কিবা ক'ব খুজিছিল মাত্ৰ এনেতে বঞ্জিতৰ ৰিভলভাৰ গৰজি উঠিল। দুটা গুলী বীৰেণৰ বুকুৰে পাৰ হৈ গ'ল। গুৰি কটা গছৰ দৰে বীৰেণ ঠাইতে বাগৰি পৰিল। সেই ৰাতিয়েই বঞ্জিত ডিব্ৰুগড়লৈ গুচি গ'ল।

দুদিনৰ পিচত দেৱজিৎ বৰুৱাই টেলিগ্ৰামখন পালে। পাহেই তেওঁ বোম্বেৰ পৰা গুচি আহিল আৰু সেইদিনাই পুলিচে বিচাৰি বিচাৰি অনিতাৰ মৃত দেহটো উদ্ধাৰ কৰিলে। ডেডবডিটো পোষ্টমৰ্টেমৰ কাৰণে হস্পিটাললৈ নিয়া হ'ল। সেই সময়তে দেৱজিৎ বৰুৱা থানাত উপস্থিত হ'ল আহি। অ'চিজনে দুখেৰে ক'লে ৰৰ বেয়া খবৰ এটা আছে বৰুৱা। বৰুৱা অলপ অবাক হোৱাৰ দৰে হৈ ক'লে কি বেয়া খবৰ। অ'চি জনে পুলিচ এজনক বৰুৱাক হাস্পতাললৈ লৈ যাবলৈ নিৰ্দেশ দিলে। পোষ্টমৰ্টেম কৰা হৈছে মাত্ৰ এনেতে বৰুৱা উপস্থিত হলগৈ। মৃত জীয়েকৰ মুখখন দেখি বৰুৱা আৰু থৰ নোৱাৰিলে। কোঠাৰ ভিতৰতেই হুকহুকাই কান্দি উঠিল। সুন্দৰী অনিতাৰ ধুনীয়া মুখখন তেতিয়া পচা আপেল এটাৰ দৰে হৈ পৰিছিল। ডেডবডি ঘৰলৈ নিব উলিয়ালে। এটা সময়ত অনিতাৰ ডেডবডি গাড়ীত তোলা হ'ল। চৰম দুখ বুকুত লৈ দেৱজিৎ বৰুৱায়ো লাহে লাহে খৈপত ভৰি দি তললৈ নামি আহিল।

(গল্প)

# আশাৰ এভুমুকি

শ্যাম চৌধুৰী

আক মাত্ৰ দুদিন পিছতেই আকৌ এটি নতুন বছৰে ভুমুকি মাৰিবহি। বন্ধুবৰ্গৰ নতুন বছৰৰ শুভেচ্ছা পত্ৰবোৰে কেনেদৰে ৰ লাগি চাই আছে বাহিৰলৈ আৰু যে মোলৈ...। সিহঁতবোৰে যেন মোৰ বাবেই অপেক্ষা কৰি আছে, কিজানিবা লগত যাবলৈ মোৰ সতে আশাৰ শুভবলৈ। নাই, মই যে নোৱাৰিম সিহঁতক আশাৰ ওচৰলৈ নিব। আচলতে আশাৰ এই সখীয়া আবেগবোৰৰ প্ৰতি কোনোদিনে সহজ হব পৰা নাছিলো। আশাৰ এনেকুৱা গধুৰ চিন্তাই স্মৃতিৰ পলিতাডাল আৰু ভালদৰে জ্বলাই দিছিল মোৰ হৃদয়ত নিশ্চয়কৈ। এটি মাত্ৰ নতুন বছৰ তাতেই ইমান উথল মাথল। কিহৰ! এইবোৰ চিন্তাৰ কাৰণেই তাই সমাজৰ পৃথক, সমাজৰ নতুন দৃষ্টি তাইৰ ওপৰত। এনেকুৱা সখীয়া আবেগ উত্তেজনাবোৰ মোৰো সমূলি ভাল নলগা হ'ল। কিয় জানো।

নতুন বছৰৰ আগমনে তথাপি মোৰ প্ৰাণটোত কিছু চঞ্চলতাৰ মাদকতা সানি আৰু কিছু উতনুৱা কৰিব বিচাৰিছে। আজি বাৰে বাৰে আশাই দেহত, প্ৰাণত ভুমুকি মাৰিছেহি। আশা অবিহনে জীৱনটো মৰুৰ বালিচৰৰ দৰে শুকান শুকান আজিও লাগি আছে মোৰ হৃদয় জীৱন। নতুন বছৰৰ আগমনত উত্থলা মৰমবোৰ ধৰি ৰাখিবৰ বাবে, আশাৰ বাবে আজি এখিলা উকা কাগজত প্ৰাণৰ কাতৰ মৰমবোৰ ঢালি ঢালি নতুন বছৰত, নতুন সপোনেৰে নতুন পৃথিৱী এখনত মিলনৰ দিন অতিবাহিত কৰাৰ হেঁপাহেৰে প্ৰাণৰ চিন্তা গধুৰ কথাৰ মোহনা পাতিবলৈ মন গ'ল। হাতত কলমটি লৈ ভাবিছো, কি লিখিম! কেনেকৈ লিখিম! লিখাৰ সাহস প্ৰেৰণা দেখোন হেৰাই পেলাইছো। ইমান নিঃসঙ্গতাৰে জানোছা মানুহ জীয়াই থাকিব পাৰে! আৰু মই বাৰু কিমানদিন জীয়াই থাকিম এনেদৰে নিঃসঙ্গতাৰে। কিছু কেতিয়াবা কালতীত সৈতত আপোনজনক হেৰাই যোৱাৰ দৰেই স্মৃতিৰ ক্লান্তিময়তা। নিৰাশাৰে আৰু হতাশাৰে আৰবা এই সময়বোৰ কেনেদৰে পাৰ কৰো, কেনেদৰে পাৰ কৰো এই বিষাদময় নিঃসঙ্গতা। আশাৰ সান্নিধ্যহীন জীৱন কি যে বিষাক্ত হৈ উঠিব পাৰে সেয়া বুজাৰ সাহস কণো হেৰাই পেলাইছো বহু অতীততে। তথাপি আশাৰ স'তে জীয়াই থকাৰ প্ৰবল হেঁপাহেৰে সুখৰ চেকুন থকা এখন নতুন পৃথিৱীৰ বাবে চলাথ কৰি আছো নিজানত, অকলে, গোপনে। পাম জানো বিচাৰি সেইখন মনে বিচৰা আশাৰ দেশ।

আজি কিমান দিনে আশাক দেখা নাই, মনটোত আশাই হাঁহাকাৰৰ প্ৰবল জোৱাৰ তুলি আছে আৰু, আৰু আকৌ নামি গৈছে জ্বৰেকৰ কাৰণে। যদিহে মোকো সেই জোৱাৰে উটুৱাই লৈ গ'লেহেঁতেন সেই আশাৰ দেশখনলৈ, আশাৰ পৃথিৱীখনলৈ। আশা কিজানিবা মোৰ বাবে অধীৰ হৈ পৰিছে অপেক্ষাত আৰু মই, মযো ইয়াত আশাৰ বাবে হাড় কপোৱা প্ৰচণ্ড শীতৰ বতাহ আকৰ কেনেদৰে হেলাৰঙে পাৰ কৰি দিছো সেয়া জানো সময়ে বুজিব! কিদৰে মনটিক শান্তনা যোগাম বাৰু, চাৰিওফালে দেখোন উদাস, নিমাত নীৰৱ। আজি তিনিটা বছৰে উদাস, কান্ত, হতাশাই মোৰ জীৱন চাৰিওফালে সুউচ্চ প্ৰাচীৰেৰে অৱৰুদ্ধ কৰি দিছে সুখ আনন্দৰ সেই অতীতৰ দিনবোৰক চিৰ ঘুণীয়া ভাৱে। আশৰে সতে কেনেদৰে পাৰকৰি দিছিলো সেই বিগত দিনবোৰ ৰোমন্থন কৰিলেই সপোনৰ ৰহস্যৰ দোল যেন লাগে। আশাৰ সেই শব্দহীনতা ওষ্ঠমুখখনৰ মাজত থকা হাঁহিৰ মদকতা কিমান যে মধুৰ! আশাৰ সেই শব্দহীনতাৰ মাজতো লুকাই থকা হৃদয়ৰ সেই সৰলতাখিনি জানো কোনোৱাই উলাই কৰিব পাৰে। সেইখিনি মহানতাৰ বাবেই আজিও আশাৰ সীমাহীন জনপ্ৰিয়তা। লগৰ

বন্ধুকেইজনৰ সতে হয়তো সিদিনাই আশাই ইমান হাঁহিবে অৰ্গল কথা পাতিছিল। আশাৰ হাঁহিয়ে সেই বিদায়ৰ সময়চোৱা কেনে মধুৰতাৰ পাতল প্ৰলেপ সানিছিল। আচলতে আশাই আগতে কোনোদিনে তেনেদৰে হাঁহা নাছিল বাবেই মোৰ বন্ধু কেইজনে অবাক হৈছিল। হয়তো সিদিনাই আশাই জীৱনৰ সঞ্চিত হাঁহিবোৰ হিয়া উজাৰি দিব বিচাৰিছিল। বোধ কৰো তাইৰ আৰু কোনোদিনে হাঁহিৰ প্ৰয়োজন নহ'ব। সেই ধীৰ স্থিৰ, মাৰ্জিত আশাই হাঁহিবে অৰ্গল কথাপাতি সিদিনা সকলোকে তাই বিমোহিত পেলাইছিল। আগৰদৰে পাঠীৰ ওচৰলৈ আগবঢ়াই দিয়া সুযোগ বিনি তাই সিদিনাই তাই মোৱা ট্ৰেইনখনতে চিৰদিনৰ লৈ গ'ল মোৰ পৰা ওচৰত মাক বাপেক আৰু সেই খুড়াকজন নথকাহেঁতেন তাই সিদিনাই বুকুৰ উমেৰে সাঁচি ৰখা হৃদয়ৰ সাঁচা সপোনবোৰ হিয়া উজাৰি দি গ'লহেঁতেন। কিন্তু....।

আশাৰ বেমাৰ, হৃদয়ৰ বেমাৰ। তাইৰ কলিজাটোৰ কোনোৱা অংশ ফাটোছা মোৰ মৰমেই খাই পেলাইছিল অজানিতে, আবেগৰ অচিনাকী পুলকত উস্থনাইছে। ট্ৰেইনখনৰ সেই নীৰৱ উকিটোৱে মোৰ প্ৰেমৰ সজল পৃথিৱীখনলৈ অচিন বাতৰিবে আগজাননীৰে সতৰ্ক কৰি দিয়া যেনেই লাগিছিল। নাই, আশা আৰু ঘূৰি নাহিল। আৰু মোৰ হৃদয়ৰ নিভৃতকোণত সাঁচি ৰখা অযুত আশা হৃদয়ৰ মাজতে মচ খাই গ'ল। এচাটি শীতল বতাহে কোঠাটোত তেনেতে কিবা বিচাৰি খিড়িকীৰে পুনৰ ওভতি গ'ল, মোক আন্ধাৰত ডুবাই একমাত্ৰ পোহৰৰ সাৰথি চাকিটি নুমাই থৈ। পুনৰ সূৰ্যোদয়লৈ আৰু, আৰু মোৰ বিষণ্ন দিন লৈ বাট চাই বলো নীৰৱে অকলশৰে।



(গল্প)

# বিষাদৰ ছাঁ

মিচ্ মঞ্জু দেৱী
স্নাতক ৩য় বাৰ্ষিক

ফাগুন মাহৰ স্নিগ্ধ জোনাক নিশাৰ এটি শান্ত পৰিবেশ, বাহিৰত জুৰ মলয়া। নিৰ্জন কোঠাটোত বহি মণিয়ে তাইৰ পাৰ হৈ যোৱা দহটা বছৰৰ আগৰ কথাকে ভাবি আছে। সন্ধিয়াৰ জোনাকৰ পোহৰ এচমকা খিৰিকী ফাঁকেৰে আহি কোঠাটো বেছিকৈ পোহৰ কৰি তুলিলে। ঘৰৰ সন্মুখৰ কৃষ্ণচূড়া জোপাত এটি অজান চৰাইয়ে চিঞৰি উঠিছে। চিঞৰ কাণত পৰাত, খিৰিকীখন খুলি তাই দেখিলে পূৱ আকাশত জোনটো অধাফুলা গোলাপৰ কলিৰ দৰে পোহৰ বিলাবলৈ সাজু হৈছে। যদি এই দীপ্তিময় জোনটোক এচপৰা ক'লা ডাৱৰে আৱৰি ধৰে; তেন্তে পৃথিৱীখন এন্ধাৰ হৈ পৰে। যদি ভালপোৱাৰ মাজত বিচ্ছেদ ঘটে, তেন্তে বেদনাশ্রু নামি আহে। কি বিচিত্ৰ এই সংসাৰলীলা। এই কথা ভাবি স্মৃতিয়ে তাইক দুৰ্বল কৰি তোলে। জীৱনত সুখী হ'ব বুলি ভাবিছিল তাই। কিন্তু নোৱাৰিলে। কিয়? কি দোষ কৰিছিল?? কি পাপ তাই কৰিছিল, যাৰ ফলত উদ্ভৱ হোৱা এক বেদনাই তাইৰ সমস্ত কল্পনাৰমুখৰ ৰাজ্যখন মৰিমূৰ কৰি পেলালেহি। আনদিনৰ দৰে আজিও তাই নিজকে বাৰে বাৰে প্ৰশ্ন কৰিলে। উত্তৰ কিন্তু তাই নাপায়। পৃথিৱীখন তাইৰ ওচৰত ৰহস্যময় যেন লাগিল। জীৱনটো যেন এটা বিৰাট দুৰ্বোধ্য সাঁথৰ তাইৰ বাবে। সময়ে তাইক ফাঁকি দিলে। এক বিৰাট ফাঁকি!

অসহায় দৃষ্টিৰে কোঠাটোৰ চাৰিওফালে তাই এবাৰ চাই পঠিয়ালে। প্ৰতিটো বস্তুৱে যেন তাইক নীৰৱে সহানুভূতি জনাইছে। উস কি যে হৈ গ'ল।

এদিন মণি নামৰ ছোৱালী এজনীয়ে ভাবিছিল কি সুন্দৰ, কি মধুৰ এই জীৱনটো। আৰু আজি মণি নামৰ একেজনী ছোৱালীয়ে ভাবিছে কি কুৎসিত এই জীৱনটো। তাইৰ সকলো স্বপ্ন, সকলো কল্পনা ভাঙি চুৰমাৰ হৈ গ'ল। অথচ এই কল্পনাৰ, এই স্বপ্ন বাস্তৱত ৰূপ দিবলৈ কি চেষ্টা তাই কৰা নাছিল। তাই মৰমৰ দেউতাকক আঘাত দি হলেও তাই তাক পাবলৈ আশা কৰিছিল। তাৰেই ফল স্বৰূপে পালে মথোন শূন্যতা, বেদনা। জীৱনে তাইক প্ৰতাৰণা কৰিলে। মৃদুল আৰু প্ৰিতমে তাইক ফাঁকি দিলে। সিহঁত গুচি গ'ল। নিষ্ঠুৰ। ভীষণ নিষ্ঠুৰ।

শিৱসাগৰ জিলাৰ কোনোবা এখন গাঁৱত মণিহঁতৰ ঘৰ। স্থানীয় হাইস্কুলৰ শিক্ষক দেৱকান্ত বৰুৱাৰ একমাত্ৰ জীয়ৰী মণি সৰুৰেপৰা লাহ বিলাহত ডাঙৰ হোৱা ছোৱালী। সৰুতে মাতৃৰ বিয়োগ ঘটাত মণিয়ে মাতৃৰ মৰম কি বস্তু বুজি নাপালে। অৱশ্যে সেই সকলোখিনি অভাৱ পূৰ দেউতাকৰপৰা পাইছিল। এনেদৰে তাই হাঁহি খেমালীৰে শৈশৱকাল পাৰ কৰি দিছিল। যৌৱন কালত ভৰি দিয়া মণিয়ে দেউতাকৰ বহু আশা আকাংক্ষা বুকুত বান্ধি এদিন কলেজত নাম ভৰ্ত্তি কৰিছিল। স্কুলৰ কঠিন শাসনৰ আবেষ্টনীৰ পৰা কলেজলৈ ওলাই আহি দেখিছিল পৃথিৱীখন বহুত বহল। হাঁহি আৰু আনন্দৰ উজ্জ্বল বণ্যাত মণিয়ে নিজকে উটুৱাই দিছিল।

প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি মণি এতিয়া কলেজৰ উঃ মাঃ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। মণি কেৱল পঢ়া শুনাতে চোকা নাছিল; তাই ভালদৰে গান গাব জানিছিল। মণিহঁতৰ কলেজৰ স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ মৃদুল। মৃদুলে সুন্দৰ গান গাব জানিছিল। এই সূত্ৰত মণি আৰু মৃদুলে চিনাকী হৈছিল। কলেজৰ ফাংচন আদিত দুয়ো একেলগে গান গাইছিল। ইয়াৰ মাজত এদিন দুয়ো দুয়োৰ ওচৰ চাপি গ'ল। হিয়াই হিয়াই চিনাকী হ'ল। মৃদুলৰ মৰমে মণিক প্ৰেম বাউল দি মাতিবলৈ ধৰিলে। আবেগৰ জোৱাৰত সিহঁতে নিজকে পাহৰি গ'ল। পাহৰি গ'ল চৌপাশৰ জগতখনক— মাক দেউতাকক। মণিৰ দুচকুত অযুত স্বপ্ন নিযুত আশা। কিন্তু নিয়তীৰ নিষ্ঠুৰ চক্ৰনিত এই সপোন ৰাজ্যৰ পৰা উভতি আহিবলৈ তাইৰ বেছিদিন লগা নাছিল। এটা ঠুনুকা কাচৰ দৰে ভাঙি চিঙি

চুৰমাৰ হৈছিল মণিৰ ভৱিষ্যত। তাইৰ অজানিতে হোৱা অবৈধ মিলনৰ বাবে জন্ম হৈছিল প্ৰিতমৰ। সিহঁতৰ পোৱা নোপোৱা, হাঁহি কান্দোনৰ নীৰৱ সাক্ষী আছিল এই দেৱশিশুটো। মৃদুলে মণিক বিয়া কৰাম বুলি প্ৰতিশ্ৰুতি দি নিৰুদ্দেশ হ'ল। অথচ মণিয়ে প্ৰতিমুহূৰ্ত্তে বিচাৰিছিল তাইৰ কাষত মৃদুলৰ উপস্থিতি। তাৰ পিছত এদিন মৃদুলে দূৰণিৰ পৰা জনালে যে তাৰ লগত তাইৰ কোনো সম্পৰ্ক নাই। মণিৰ মূৰৰ ওপৰত আকাশখন যেন ভাঙি পৰিল। তাইৰ এনে লাগিল পৃথিৱীখন যেন হঠাতে বৰ সৰু হৈ গ'ল। তাই লাহে লাহে সকলোৰে লাঞ্ছিতা বঞ্চিতা হৈ আহিবলৈ ধৰিলে। গাঁৱৰ মানুহেও সিহঁতক একঘৰীয়া কৰিলে।

লাজ অপমানত জৰ্জৰিতহৈ দেৱকান্ত বৰুৱা বাহিৰলৈ নাক উলিয়াব নোৱাৰা হ'ল। তেওঁৰ বংশত কলংক সনা একমাত্ৰ সন্তান মণিৰ বাবে তেওঁ বৰ অনুতপ্ত হ'ল। এইবোৰ কথা চিন্তা কৰি কৰি হঠাৎ হৃদৰোগত আক্ৰান্তহৈ বৰুৱাৰ মৃত্যু হ'ল। মণিয়ে জীয়াই থকাৰ শেষ আশ্ৰয়কণো হেৰুৱালে। মণিৰ মনত পুঞ্জীভূত হৈ থকা বেদনাবোৰ যেন পাৰ ভাঙি ওলাই আহিব। তাই চাৰিওফালে ঘোৰ অন্ধকাৰ দেখিলে। তাইৰ জীৱনলৈ শেষ বাৰলৈ নামি আহিল এচমকা ক'লা ডাৱৰ।

প্ৰিতম এতিয়া লাহে লাহে ডাঙৰ হৈছে। সি সকলো বুজা হৈছে। সি মাকৰ ওচৰত সদায় অভিযোগ কৰে। ভাল কাপোৰ এজোৰ তাক লাগে, ভালকৈ এমুঠি খাবলৈ সিও বিচাৰে। কিন্তু মাকে দিয়ে কৰ পৰা? দুবেলা দুমুঠি ভাতৰ কাৰণে তাই চিন্তা হৈ পৰিছে। এফালে তাইৰ শাৰুক জীৱন, যেনে তেনেকৈ লোকৰ ঘৰত কাম কৰিবও নোৱাৰে। পুতেকো দিনত দিনে উৎপতীয়া হৈ পৰিল। লগৰ সমনীয়াৰ লগত খেলিবলৈ গলে তাক কোনেও লগ নিদিয়ে। সিহঁতৰ লগত সদায় কাজিয়া— সি দুখীয়া ঘৰৰ পৰা, ফটা-চিটা কাপোৰ পিন্ধে, তাৰ দেউতাক নাই, সি হেনো জাৰজ সন্তান বুলি সকলোৱে জোকায়। তেতিয়া প্ৰিতমে কান্দি কান্দি মাকৰ ওচৰত অভিমান কৰে। মণিয়ে উপায়হীন হৈ কেতিয়াবা তাক সাৱটি ধৰি কান্দে, কেতিয়াবা বুজায় আৰু কেতিয়াবা মনৰ খেদাখতে তাক মাৰধৰ কৰি দিনটো নোখোৱাকৈ কান্দিকাটি শুই থাকে।

অকালতে জীয়াৰাৰী হোৱা মণিৰ চিন্তাৰ ওৰ নাই। প্ৰিতমে কেতিয়াবা মণিক দেউতাকৰ কথা সুধি সুধি ব্যতিব্যস্ত কৰি তুলে। প্ৰিতমক তাই কি বুলি সান্ত্বনা দিব ভাবি নাপায়। তথাপি কয়— "সোণ, দেউতাৰৰ আৰু ট্ৰেনিং শেষ হ'বৰ হোৱা নাই। মণিৰ সান্ত্বনা প্ৰিতমৰ বাবে মনোৰঞ্জক নহয়।

এইদৰে দিন বিলাক এটি দুটি কৰি আগবাঢ়ি গৈ আছে। কোনোবা এটি সন্ধিয়া পৰত প্ৰিতমক লগত লৈ ঘৰৰ সন্মুখত থকা ফুলনিখনৰ মাজে মাজে ঘূৰি ফুৰিছিল। এটা সময়ত মণি একেথিৰে চাই ৰৈছিল। এই সুন্দৰ ফুলবোৰৰ পাপৰি সৰি পৰাৰ দৰে তাই তিলতিলকৈ নিজকে নিঃশেষ কৰি দিছে মানসিক দংশনত। অসংখ্য ভাবে কেইটোপালমান তপত চকুলো প্ৰিতমৰ হাতত সৰি পৰিল। তেতিয়া প্ৰিতমে তৎক্ষণাত কৈ উঠিল, "মই সকলো বুজিছো মা। তুমি মোক আৰু কিমান দিন এইদৰে ফাঁকি দি থাকিবা? মই দেউতাৰ কথা সুধিলে তুমি কোৱা এইবাৰ বিহুত আহিব সোণ ট্ৰেইনিংৰপৰা। এইবোৰ কথা কৈ তুমি মোক ভুলুৱাই আছিলা। প্ৰিতমৰ কথা শুনি মণি থিৰেৰে থাকিব নোৱাৰি "প্ৰি......ত......ম" বুলি কৈ বুকুৰ মাজত সুমুৱাই লৈছিল জোৰেৰে।

সেইদিনা ৰাতিৰ পৰা প্ৰিতমৰ জ্বৰ। মণিয়ে দিনে ৰাতিয়ে শুশ্ৰুষা কৰিলে। ডাক্তৰ আহিল, কিন্তু তাৰ জ্বৰ ভাল কৰিব নোৱাৰিলে। জ্বৰৰ ভমকত কৈ উঠিল – দেউতা তুমি আহিছা। মামা! দেউতা তুমি আহিছা! মামা! দেউতা আহিছে, মইও দেউতাৰ ওচৰলৈ যাওঁ, মা। আৰু সঁচাকৈয়ে ৰতিপুৱা প্ৰিতম চিৰদিনলৈ শুতি গ'ল দেউতাকৰ ওচৰলৈ। সেইদিনাই আছিল ৰঙালী বিহু। ঘৰখনলৈ নামি আহিছিল কেৱল বিষুমান বিষাদৰ ছাঁ।

অৱশেষত প্ৰিতমেও তাইক এৰিলে। এবা, জীৱনত তাই সকলো পাইছিল কিন্তু সেই সকলো বিলাক আজি শেষ হৈ গ'ল। আজি তাই কিহৰ আশাত জীয়াই থাকিব? তাইৰ যে এজনোৱেই নাই। সকলো কালৰ প্ৰচণ্ড ঢৌৱেনীয়াত উটি ভাঁহি গ'ল। নাই তাই আৰু ভাবিব নোৱাৰে। সেইদিনা তাই হিয়া ধাকুৰি থাকুৰি খুউব কান্দিছিল। কান্দোনৰ পাৰ ভাঙি গৈছিল। তেতিয়া বাহ্ৰ কাষৰ বিজুলী চাকিবোৰ জ্বলি উঠিছিল।

# ৰাষ্ট্ৰীয় সংহতি শিৱিৰত কেইটিমান নিশা

অঞ্জনজ্যোতি বেজ

ভিন্ন জাতি, ভিন্ন ভাষা, ভিন্ন ধৰ্মৰ দেশ ভাৰতবৰ্ষ। একালে কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ, আনফালে গুজৰাটৰ পৰা অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চললৈ প্ৰতিটো জাতি, ধৰ্ম, ভাষা, বৰ্ণৰ সমন্বয়ত গা-দলি উঠিছে ভাৰতবৰ্ষ। যাৰ বাবে কোৱা হয় ভাৰতবৰ্ষক ঐতিহ্য আৰু সমন্বয়ৰ এখনি ৰংগভূমি বুলি।

কিন্তু আজি আমাৰ দুৰ্ভাগ্য, নানা কাৰণত আমাৰ সমন্বয়ৰ ৰংগভূমি ভাৰতবৰ্ষত ছিঙি যোৱাৰ উপক্ৰম হৈছে প্ৰতিটো ভাষা, ধৰ্ম, জাতি, বৰ্ণৰ মাজত থকা সংহতিৰ এনাজৰীডাল। ৰাজনৈতিক দলবোৰৰ মাজত বিভেদ, ৰাজ্যৰ পুৰ্ণগঠন, অৰ্থনৈতিক বৈষম্য আদিবোৰেই ইয়াৰ মাই কাৰণ।

আনফালে বিপন্ন এই সংহতিৰ এনাজৰীডাল ৰক্ষাৰ বাবে আকৌ কিছুমান সংগঠনে চলাইছে আপ্ৰাণ চেষ্টা। বিশেষকৈ দেশৰ উঠি অহা যুৱ শক্তিক এই ধ্বংসমুখী পৰিস্থিতিৰ বিপক্ষে যুঁজ দিবলৈ এই সংগঠনবোৰে চেষ্টাৰ ত্ৰুটি কৰা নাই। এনেকুৱা এটা সংগঠন কেৰালাৰ "কাবাইন যুৱজন কলা সমিতিয়ে" অনপ্ৰতে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগ আৰু মানৱ সম্পদ উন্নয়ণ দপ্তৰৰ সহযোগত কেৰালাতে আয়োজন কৰে এটা ৰাষ্ট্ৰীয় সংহতি শিৱিৰৰ। এই শিবিৰটোলৈ আমন্ত্ৰণ কৰা হৈছিল দেশৰ প্ৰতিখন ৰাজ্যৰ বহু যুৱক-যুৱতীক। অসমলৈও তেওঁলোকে আমন্ত্ৰণী পত্ৰখন প্ৰেৰণ কৰিছিল গুৱাহাটীৰ এটা আগশাৰীৰ দুঃসাহসিক সংগঠন 'পেজ্ৰ ফ'নাহ'ৰ নামত। তাৰপৰাই নিৰ্বাচিত হয় অসমৰ পৰা অংশগ্ৰহণকাৰী দলটো, য'ত সাতজন সদস্যৰ ভিতৰত মইয়ো নিৰ্বাচিত হওঁ। বাকী আন সদস্যসকল আছিল



সাংবাদিক তথা পৰ্বতাৰোহী হেমন্ত বেজবৰুৱা, বিপুল দাস, ধীৰাজ দত্ত, জোনালী দাস, কল্পনা মজুমদাৰ আৰু বন্দশ্ৰী মজুমদাৰ।

যি নহওঁক, ২২ ডিচেম্বৰৰ (১৯৯৫ চনৰ) মাজনিশা আমি যাত্ৰা কৰিছিলো গুৱাহাটীৰ পৰা কোচিন এক্সপ্ৰেছ যোগে কেৰালাৰ কাচাৰাগড জিলাৰ কানয়াংগাৰ নামৰ ঠাইখিনিলৈ। য'ত আমাৰ শিৱিৰ

অনুষ্ঠিত হোৱাৰ কথা। ইঁহি ধেমালিৰে ভৰা বেল যাত্ৰাৰ প্ৰতিটো পল অতিক্ৰম কৰি ২৬ ডিচেম্বৰৰ দুপৰীয়া আমি উপস্থিত হৈছিলো কানয়াংগাৰ নামৰ এটি সৰু ষ্টেচনত। মাজতে আমি এই কানয়াংগাৰীলৈ যাবলৈ 'পলঘাট'ত সলনি কৰিছিলো আমাৰ বেল। যি নহওক, আমি এই সৰু ষ্টেচনটিত নমাৰ লগে লগে শিবিৰৰ কিছুমান স্বেচ্ছাসেৱকে আমাক লৈ গ'ল প্ৰায় এক কিলোমিটাৰ দূৰত থকা শিবিৰলৈ। আগদিনা হৈ যোৱা খ্ৰীষ্টমাচৰ জাকজমক তেতিয়াও তাত শেষ হোৱা নাছিল। আনকি তাৰ প্ৰযোজৰ আমি দেখিবলৈ পাইছিলো শিবিৰটো। আমি শিবিৰস্থলীত সোমাইয়েই অস্থায়ী কাৰ্যালয়ত নামধাম পঞ্জীয়ন কৰি গা-পা ধুই লওঁ ভালদৰে। তাৰ পিছত দিনৰ আহাৰ খাই চাৰিদিনৰ দীঘলীয়া বেল যাত্ৰাৰ ভাগৰ পলুৱাবৰ বাবে আমাৰ নিৰ্দিষ্ট কোঠাত থকা বিচনাতে এৰি দিওঁ আমাৰ ভাগৰুৱা শৰীৰবোৰ।

হঠাৎ সাৰ পাই খোলা খিৰিকীখনেৰে দেখিলো বাহিৰত ভীষণ অন্ধকাৰ। আনফালে বন্ধ কোঠাৰ বাহিৰৰ পিনে উৎসৱমুখৰ পৰিৱেশ। ততকিয়াকৈ গোটেইকেইজন উঠি মুখহাত ধুই লওঁ। ইতিমধ্যে অইন অইন ৰাজ্যৰ অংশগ্ৰহণকাৰীৰ কোলাহলত কঁপি উঠিছে চৌপাশ। তাৰ মাজতে প্ৰচৰৰে এটি প্ৰেক্ষাগৃহত কেইজনমান বিশিষ্ট ব্যক্তিৰ উপস্থিতিত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয় আমাৰ শিবিৰৰ। এই উদ্বোধনী সভাতে আমাৰ লগত চিনাকি কৰি দিয়ে শিবিৰৰ মুখ্য পৰিচালক হিচাপে আমন্ত্ৰণ কৰি অনা ভাৰতবৰ্ষৰ এজন বিশিষ্ট ব্যক্তি ড° এচ এন চুব্বাৰাওক। যি ভাৰতবৰ্ষৰ প্ৰতিজন যুৱক-যুৱতীৰ মাজত 'ভাইজী' নামেৰে বিখ্যাত। এইজনা ব্যক্তিক বহুতে তেওঁৰ মহান গুণবোৰৰ বাবে মহাত্মা গান্ধীৰ দ্বিতীয় অৱতাৰ বুলিও কয়।

যি নহওঁক উদ্বোধনী সভাৰ পিছতে আমাৰ শিবিৰৰ প্ৰথমটো কাৰ্যসূচী সৰ্ব ধৰ্ম প্ৰাৰ্থনা আৰম্ভ হয়। মন প্ৰাণ হৰি নিয়া এই প্ৰাৰ্থনাৰ পিছতে অনুষ্ঠিত হয় সাংস্কৃতিক সন্ধিয়াৰ। এই কাৰ্যসূচীবোৰৰ মাজেৰে অইন অইন ৰাজ্যৰ পৰা অহা যুৱক-যুৱতীসকলৰ লগত একাত্মিকতা গঢ়ি উঠে। সাংস্কৃতিক সন্ধিয়াত প্ৰতিখন ৰাজ্যই নিজ নিজ ধলুৱা সংস্কৃতি আদি প্ৰদৰ্শন কৰিবলগীয়া হয়। আমি প্ৰধানতঃ বিহুৰেই প্ৰদৰ্শন কৰিছিলোঁ প্ৰতিদিনে হোৱা সাংস্কৃতিক অনুষ্ঠানবোৰত। অৱশ্যে তাৰ মাজতে বহু, বীৰাজ, বনগীত আৰু জোনালীয়ে ভজন, সত্ৰীয়া নৃত্য, একক অভিনয় আদিও কৰিবলৈ সুযোগ পাইছিলো। যিকোনো Group discussion, বা বক্তৃতা আদিত ভাগ লৈছিল হেমন্ত, বিপুল আৰু কল্পনা মজুমদাৰে। এনেদৰে নানা কাৰ্যসূচীৰ মাজেৰে আমি শিবিৰতে আদৰো ১৯৯৬ চনটিক। '৯৫-ৰ ৩১ ডিচেম্বৰৰ গোটেই নিশা আমি প্ৰতিজন শিবিৰৰ লৰা ছোৱালীয়ে নানা ধৰণৰ নাচ গানেৰে উজলাই তোলো চৌদিশ। আমাৰ লগত স্থানীয় লোক সকলেও ভাগ লৈ বিদায় দিছিল '৯৫ ক আৰু আদৰি লৈছিল '৯৬ক।

এক জানুৱাৰী '৯৬। এফালে নৱবৰ্ষৰ আনন্দ আৰু আনফালে শিবিৰৰ অন্তিম দিনৰ শোকত প্ৰত্যেককে ন যযৌ ন তস্থৌ অৱস্থা। সিদিনা প্ৰত্যেককে প্ৰমাণ পত্ৰ প্ৰদান কৰে কেৰেলাৰ বহুমান বিশিষ্ট ব্যক্তিয়ে। সুদূৰ আমেৰিকাৰ পৰা আহি শিবিৰত ভাগ লোৱা 'সংগলকৈ' এই সভাতে বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত সভাতে প্ৰতিদিনে বিভিন্ন অঞ্চলত অনুষ্ঠিত হোৱা একতা বেলী, আৰু সাংস্কৃতিক সন্ধিয়াত আমাৰ অসমে দেখুওৱা পাৰদৰ্শিতাৰ বাবে লাভ কৰো বিশেষ সন্মান।

যি নহওক, এটা সময়ত বিদায়ৰ চকুলো মচি মচি আঁতৰি গ'ল প্ৰতিটো পল। সকলোৰে চকুত 'আমি সকলো ভাই ভাই' হৈ থকাৰ প্ৰতিশ্ৰুতি যেন প্ৰতিফলিত। আমিও শিবিৰ ত্যাগ কৰোঁ যদিও বিশেষভাৱে আমাৰ অসমৰ বলটিক পিছদিনা গুৱাৰতে থকা 'ঠী বীচ', 'ধীৰল ফৰ্ট' আদি চাইলৈ লৈ যোৱাৰ বাবে স্থানীয় মানুহবোৰে তেওঁলোকৰে মনুহ এখনত ৰাতি ৰাখে। তাৰ পিছত পিছদিনা 'ঠী-বীচ' সহ বিভিন্ন ঠাই চাই নিশা গুৱাহাটি অভিমুখী বেলত বহোঁ। আমাক বিদায় দিবলৈ ষ্টেচনৰ বহু গুণমুগ্ধ লোক ভৰি পৰে। প্ৰত্যেকৰে চকুত চকুপানী দেখি আমাৰো বনশ্ৰীইতৰ অশ্ৰু সিক্ত নয়ন জিলিকি উঠে। আমি আচৰিত হৈছিলো একমাত্ৰ অসমৰ প্ৰতি তেওঁলোকৰ আন্তৰিকতা দেখি। যেতিয়া দীঘল উকি এটা মাৰি বেলখন ষ্টেচন এৰে তেতিয়া প্ৰত্যেকে একেমুখে প্ৰেটফৰ্মত দিয়া শ্লোগানটো আজিও বাৰে বাৰে মোৰ কাণত বাজি উঠে–

'কেৰালা হে মা গৌহাটি, অপ্‌না দেশ অপ্‌না মাটি।'

# আজিৰ সাহিত্য আৰু সাহিত্যিক

ৰাজু ভূঞা
বি. এচ. চি (ইলেক্ট্ৰনিকচ)

বৰ্তমান কালত উপন্যাসক বাদ দি অন্য বিষয়ৰ গ্ৰন্থসমূহ অত্যন্ত জনপ্ৰিয় হৈ উঠিছে। অধিকাংশ মানুহে অন্য গুৰুত্বৰ বিষয়ৰ কিতাপ বেছিকৈ পঢ়ে। ইলেকট্ৰনিকচ্ মাধ্যমে কিছুপৰিমাণে হ'লেও উপন্যাস-গল্পৰ কিতাপৰ ভৱিষ্যৎ অন্ধকাৰ কৰিছে। কাৰণ, উপন্যাস আৰু গল্পৰ একোটা কাহিনী ইলেকট্ৰনিক মাধ্যমৰ যেনে টেলিভিশন, ভিডিঅ'ৰ যোগেদি প্ৰচাৰ হ'ব পাৰে। কিন্তু অন্য বিষয়ৰ গ্ৰন্থক তেনেদৰে প্ৰচাৰ কৰিব নোৱাৰে। ইলেকট্ৰনিক মাধ্যমৰ সেই সীমাবদ্ধতাই এই ক্ষেত্ৰত গ্ৰন্থৰ ভৱিষ্যৎ উজ্জ্বল কৰিছে। কিছুসংখ্যক উপন্যাসিক আৰু গল্পকাৰ টেলিভিশন আৰু চিনেমাৰ প্ৰতি অধিক আকৰ্ষিত হৈছে। জনপ্ৰিয়তা আৰু ধনৰ আকৰ্ষণত তেওঁলোক প্ৰকৃত পথৰ পৰা আঁতৰি গৈছে।

উপন্যাসৰ মূল বিষয় হ'ল মানুহ। কিন্তু সেই মানুহ আজি আদৰ্শভ্ৰষ্ট। তাত্বিক, দৰ্শনবিদ্যা আৰু জীৱনবোধৰ মূল আদৰ্শৰ পৰা আজি বিচ্ছিন্ন হৈ পৰিছে। বিখ্যাত সাহিত্যিক মিলান কুন্দেৰাৰ 'আৰ্ট অৱ দী নভেল' নামৰ কিতাপখনত লেখিছে আজিৰ মানুহ কাৰিকৰী বিদ্যা, ৰাজনীতি আৰু ইতিহাসৰ দাস হৈ পৰিছে। তেনেবোৰ বিশাল শক্তিৰ প্ৰভাৱত মানুহৰ সৃজনীক্ষমতা প্ৰায় বিলুপ্তিৰ পথত।

সাহিত্য জগতত বৰ্তমান তীব্ৰ আধুনিকতাৰ (পোষ্ট মডাৰ্নিজিম) প্ৰভাৱ পৰিছে। আজিৰ কবিতা সম্পূৰ্ণ ব্যক্তিগত অনুভূতিত পৰিণত হৈছে। কবিৰ নিজস্ব কথা আৰু কাহিনীৰে কবিতা ভাৰাক্ৰান্ত হৈ পৰিছে। সমাজৰ প্ৰতিচ্ছবি কবিতাত ফুটি নুঠে। আজিৰ কবিসকলে ভাবে যে তেওঁলোকৰ ব্যক্তিগত জীৱনৰ লগত, ব্যক্তিগত সমস্যাৰ লগত, পাঠক সমাজ জড়িত হৈ পৰক। সেইকাৰণেই তেওঁলোকৰ কবিতাৰ লগত মানুহে সম্পৰ্ক হেৰুৱাইছে। এনে ঐকান্তিক আৰু চিন্তাশীল লিখকে সমাজত মানৱৰ মূল্যবোধৰ পুনঃপ্ৰতিষ্ঠাৰ বাবে অবিৰামভাৱে নিজকে ব্ৰতী কৰাটো বাঞ্ছনীয়। প্ৰত্যেক বছৰে উন্নত মানদণ্ডৰ সাহিত্য আলোচনীৰ সংখ্যা হ্ৰাস পাইছে। তাৰ স্থান অধিকাৰ কৰিছে অতি জনপ্ৰিয় যৌন সম্পৰ্কীয় টি ভি আদিৰ আলোচনীয়ে। জোনাকী, অৰুণোদয় আদি আলোচনী আজি পাবলৈ নাই। সাহিত্য প্ৰেমীৰ বাবে ই এক অশুভ সংবাদ। তাৰ স্থান অধিকাৰ কৰিছে বাতৰিকাকতে। বাতৰিকাকত বৰ্তমান এক অতি শক্তিশালী জনমাধ্যম। লিখকসকলে সমাজত শৃংখলা আৰু মূল্যবোধ প্ৰতিষ্ঠাৰ বাবে নিজকে ব্ৰতী কৰিব পাৰে। তেওঁলোকে বিবেচনা কৰিব পাৰে, ইংগিত দিব পাৰে। কিন্তু প্ৰত্যেকভাৱে সংবাদ যোগ দিব নোৱাৰে।

ভাৰতত আজি প্ৰসিদ্ধ লিখকসকলৰ ৰাতাৰাতি জীৱনত বিখ্যাত হোৱাৰ প্ৰবল প্ৰৱণতা পৰিলক্ষিত হৈছে। তেওঁলোকক সঘনে টেলিভিচনত দেখা যায়, দেখা যায় ৰাজহুৱা মঞ্চত। অধিক জনপ্ৰিয় হ'বৰ বাবে লিখকসকল বাহিৰলৈ ওলাই আহে। কিন্তু ই প্ৰকৃত সাহিত্য সৃষ্টিৰ হেতুৰ স্বৰূপ, কাৰণ সাহিত্যিকৰ যি নীৰৱ সূক্ষ্ম দৃষ্টিভংগীৰ প্ৰয়োজন সি হেৰাই যায়।

ফ্ৰান্সত এলবুৱাৰ কেমুৰ 'মিথ অৱ চিচিফাছ' গ্ৰন্থত হেমিংৱেই আত্মহত্যাৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিল। হেমিংৱেই শেষত আত্মহত্যা কৰিছিল। আত্মহত্যাৰ প্ৰৱণতা প্ৰায়ে নোহোৱাকৈ নাথাকে। কিন্তু মানুহৰ জীয়াই থকাৰ আগ্ৰহ আৰু প্ৰৱণতা আত্মহত্যাৰ তাড়নাতকৈ অত্যধিক। তথাপি মানুহৰ জীৱনৰ পৰা সকলো আশা নিৰ্বাপিত হ'ল বুলি ভবাটো অসংগত।

কিন্তু সাহিত্যৰ মৃত্যু হ'ল বুলি কব নোৱাৰি, কাৰণ মানুহ আৰু সমাজ থাকে মানে সাহিত্য থাকিবই, যিহেতু সাহিত্যই এক মাধ্য যিয়ে জীৱন আৰু সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰে। উক্ত কাৰণ সমূহ সাময়িক, কাৰণ এইটো মৰ যায় আকৌ উন্নত মানদণ্ডৰ সাহিত্য সৃষ্টি হবই — আমি আশাবাদী।




মা আমি অসমলৈ যামেই / মা আমি দুটকীয়া চাউল খামেই
হ'ম আমি হ'ম মা— / এদিন অসমৰ মন্ত্ৰী।

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ "ৰাজনীতি বিজ্ঞান চ'ৰা'ৰ দ্বাৰা প্ৰকাশিত 'ৰাজনৈতিক সংবাদ'ৰ ২য় সংখ্যা (১৪/১১/৯৫)ত প্ৰকাশিত।

(গল্প)

# এটা সৰু পৰিয়াল

দীপিকা দেৱী

মহযুলি নামৰ গাঁওখনৰ কৰুণ আছিল এজন সহজ সৰল ল'ৰা। তাৰ ঘৰত মাক আৰু বায়েকৰ বাহিৰে আইন বুলিবলৈ কোনোও মানুহ নাছিল। কৰুণ বালক অৱস্থাত থাকোতে দেউতাকৰ মৃত্যু হৈছিল। সেয়ে দেউতাকৰ মৃত্যুৰ পিছত মাকে কৰুণক অতি কষ্ট কৰি পঢ়া খৰচৰ যোগাৰ ধৰিব লাগিছিল। মাক আৰু বায়েকৰ আশা আছিল, কৰুণে এদিন ডাঙৰ হৈ গাঁওৰ নাম উজ্বল কৰিব আৰু ঘৰৰ দুখ দূৰ কৰিব।

মাকে ৰাতিপুৱাই উঠি চাহ-পানী এটোপাল মুখত দি ঘৰৰ পৰা ওলায় যায় বেলেগৰ ঘৰত কাম কৰি দুই-পইচা পোৱাৰ সন্ধানত। আৰু এইদৰে দুপইচা অৰ্জণ কৰি কোনামতে ঘৰখন চলি আছিল। মাকে এইদৰে কাম কৰি ফুৰাৰ ফলত ঘৰৰ সকলো কামৰ দায়িত্ব বায়েকৰ ওপৰতে পৰিছিল। এইদৰে সাত-আঠ বছৰ পাৰ হৈ গ'ল। কৰুণে মেট্ৰিক পৰীক্ষাত ভালদৰে পাছ কৰাত স্কুলৰ পৰা স্কলাৰচিপৰ যোগ্য হ'ল। স্কলাৰচিপ পোৱাৰ পাছত কৰুণে কলেজত পঢ়াৰ কাৰণে চহৰলৈ আহিল। মেট্ৰিকৰ নম্বৰ ভাল থকাৰ বাবে অতি সহজে সি চহৰৰ কলেজত স্থান পালে। সি অতি চিন্তিত হৈ পৰিল যে কোনো চিনাকী নাই, কাৰ ঘৰত যাব বা ক'ত থাকিব........। তাৰ কথাবোৰ শুনি ল'ৰা দুজনে থিৰ কৰিলে যে এই গাঁওলীয়া ল'ৰাজনক সহজে ঠগাই তাৰ লগত থকা টকা-পইচা সিহঁতে নিব পাৰিব। তাৰ পিছত ল'ৰা দুজনে ৰাতিটো থাকিবলৈ ঠাই দিব বুলি মিছাই কৈ তাৰ পৰা টকা পইচা খুজি ল'লে আৰু ক'লে যে 'তুমি ইয়াতে কিছু সময় আমাৰ কাৰণে অপেক্ষা কৰা। আমি এই মাত্ৰই তোমাৰ থকাৰ ব্যৱস্থা কৰি আহোঁ।" কৰুণেও সিহঁতৰ কথাত পতিয়ন গৈ থাকি এটা মাৰি সিহঁতক সকলো টকা-পইচা উলিয়াই দিলে। ল'ৰা দুজন আঁতৰি যোৱাৰ পিছত কৰুণে মনতে ভাবিলে "যাহ'ক এটা চিন্তাৰ পৰাটো মুক্ত হ'লো আৰু মনে মনে সিহঁতক ধন্যবাদ জনালে।

এইদৰে নদীৰ পাৰত কৰুণে বহু সময় কটাই দিলে ল'ৰা দুজনৰ অপেক্ষাত। সন্ধ্যা নমাত নাইটিৰ পোহৰত পোটেই চহৰতে জোনাকী পৰুৱাৰ পোহৰৰ দৰে তিৰবিৰাবলৈ ধৰিলে। যিমানে ৰাতি হৈ আহিল সিমানে তাৰ চিন্তা বাঢ়িল। ল'ৰা দুজনৰ একেবাৰে দেখা দেখি নোহোৱাত আৰু তেতিয়াহে ল'ৰা দুজনে তাক ঠগালে বুলি ভাবি ভয়তে বুকুখন কঁপিবলৈ ধৰিলে। কৰুণে ভয়ে ভয়ে বহাৰ পৰা উঠি ল'ৰা দুজনক কিজানিবা বিচাৰি পায় সেই আশ লৈ আগবাঢ়ি যাবলৈ ধৰিলে। এইদৰে বহু সময়ৰ পিছত সিহঁতক বিচাৰি নাপায় অলপ সহায়ৰ আশাৰে এখন মানুহৰ খানদাত উপস্থিত হ'লগৈ। সি দুৱাৰত টুকৰিয়াই দিয়াত এজন বয়সীয়াল মানুহ ওলাই আহি কাক বিচাৰিছে বুলি সুধিলে। সি তাৰ লগত হোৱা ঘটনাটো বিৱৰি ক'লে। কৰুণৰ কথা শুনি মানুহজনৰ খুব দুখ লাগিল আৰু ক'লে— "ৰাতিটো বাৰু ইয়াতে থাকিবা।" বুঢ়াই তাক হাত ভৰি ধুবলৈ দি চাহ বনাই আনি খুৱাই থালে। বুঢ়াক অকলে থকা দেখি ঘৰত আৰু কোনো মানুহ নাই দেখি সি লোধাত বুঢ়াই দুখ মনেৰে নিজৰ কথাবোৰও তাৰ আগত ব্যক্ত কৰিলে—

মোৰো এজন ল'ৰা আছে। বৰ্তমান এতিয়া তেজপুৰতে এটা চৰকাৰী চাকৰি কৰে। এবছৰ আগতে তেজপুৰৰ ছোৱালী এজনীক বিয়া কৰাই তাতে সংসাৰ পাতিছে. মাজে মাজে অফিচৰ কামত আহিলে মোৰে খবৰ লৈ যায়। বুঢ়ীৰ চাৰি মাহ মান আগতে মৃত্যু হৈছে। সেয়েহে পেন্সনৰ পইচাৰে কোনোমতে চলি আছো। বুঢ়াই কথাবোৰ শেষ কৰি কৰুণৰ পিনে চাই ক'লে— "তোমাক আজি দেখি

মোৰ ল'ৰাটোলৈ বৰকৈ মনত পৰিছে সেয়েহে নিজৰ যেন লাগি সকলোবোৰ কথা ক'লোঁ। বেয়া নাপাবা বোপা।"

এইদৰে দুয়ো বহুতো কথা বতৰা পাতি ৰাতিৰ আহাৰ কৰি শুই পৰিল। ৰাতিটো বুঢ়াৰ ভালদৰে টোপনি নাহিল। পিছদিনা ৰাতিপুৱাই কমলে চাহ-পানী খাই যাবৰ বাবে সাজু হ'ল আৰু বুঢ়াক মাত লগালে। বুঢ়াই কমলক যাব ওলোৱা দেখি চকুপানী টুকি ক'বলৈ ধৰিলে— "তুমি বাৰু ইয়াতে থাকিব নোৱাৰিবানে?" মোক তুমি একো পইচা পাতি দিব নালাগে। ' 'তোমাৰো কলেজ কৰাত সুবিধা হ'ব।

বুঢ়াৰ কথা শুনি কমল আচৰিত হ'ল আৰু বুঢ়াৰ ভৰিত পৰি হুকহুকাই কান্দিবলৈ ধৰিলে। আৰু তেতিয়া বুঢ়াই কমলক হাতৰ পৰা উঠাই আনি সাবতি ল'লে। কমলে বুঢ়াৰ মৰমতে বুঢ়াৰ লগতে থাকিব ল'লে আৰু বুঢ়াৰ কামতে সহযোগ কৰিলে। কমলে কলেজলৈ যোৱাৰ উপৰিও বজাৰৰ কামো কৰা হ'ল। এইদৰে দুয়ো সুখে-দুখে দিন কটাব ধৰিলে। কমলে থকা খোৱা আৰু দয়ালু বুঢ়াৰ সকলোবোৰ কথা চিঠিৰ জৰিয়তে মাকলৈ জনালে।

প্ৰথম অৱস্থাত কমলে কলেজৰ ল'ৰা -ছোৱালীৰ পৰা নানা ধৰণৰ অসুবিধা পাইছিল। চহৰৰ ল'ৰা-ছোৱালীৰ দৰে সি চলাক চতুৰ নাছিল আৰু সহজ সৰল পাই সকলোৱে "হলা গছত বাগি কুঠাৰ মৰা"ৰ দৰে ৰেগিং আদিও কৰিছিল। এইদৰে ৰেগিংৰ ফলত হোৱা দুৰৱস্থা দেখি মাকন নামৰ এজনী ছোৱালীয়ে তাক সহায়ৰ বাবে আগবাঢ়ি আহি চিনাকী হৈছিল, আৰু তেতিয়াৰে পৰা দুয়োৰে মাজত বন্ধুত্ব গঢ়ি উঠিল।

ডাৱৰীয়া বতৰ। কমলে কলেজৰ পৰা আহি চাহ-পানী খায় আবেলি বজাৰলৈ ওলাই গ'ল। বজাৰ কৰি আহোঁতে বাটতে বৰষুণ পালে। বৰষুণ ক্ৰমান্বয়ে বাঢ়ি আহিল। বৰষুণৰ বাবে সি বেগাই খোজ কাঢ়িব পৰা নাছিল, তাতে আকৌ তাৰ লগত ছাতিও নাছিল। মাকনো বজাৰলৈ আহিছিল। কমলক দেখি তাই তাৰ ওচৰ চাপি গৈ সুধিলে— "হায়ে কমল।" কমলে দেখিলে মাকন আৰু তাৰফালে আগবাঢ়ি আহিছে।

মাকনে ক'লে— "একেবাৰে তিতি বুৰি, তাতে আকৌ হাতত বজাৰ কৰা বেগ। তোমাক একেবাৰে সাংসাৰিক যেন লাগিছে।" কমলে ক'লে— "মোৰ সংসাৰৰ কথা বাদ দিয়া। তুমি ক'ৰ পৰা আহিলা। ইমান বৰষুণত, সন্ধ্যা ইভিনিং ওৱাক।" "হ'ব হ'ব আগতে ছাতিৰ তলত সোমোৱা।"— বুলি কৈ মাকনে ছাতিটো কমলৰ মূৰৰ ওপৰত ধৰিলে। দুয়ো একেলগে গৈ থাকিল। মাকনে গৈ থাকোঁতেই কমলক, সি ক'ত থাকে, ঘৰত কোন আছে এনে ধৰণৰ সৰু সৰু প্ৰশ্ন কৰিলে কমলেও সংক্ষেপে উত্তৰ দিলে। এইদৰে কথাপাতি আহি থাকোঁতে সি ঘৰ পালে। কমলে মাকনক ক'লে— "এইটোৱে মোৰ ঘৰ।"

মাকনে— "হয় নেকি, যোৱা তেন্তে।" বুলি কৈ তাই নিজ বাটে খোজ ল'লে। কমলে ভাবিলে— ছোৱালীজনী সঁচাই বৰ মৰমিয়াল।

দিন বাগৰিল। এনেদৰে মাজে মাজে দুয়োৰো দেখা দেখি হয় আৰু সিহঁতে সুখৰ-দুখৰ কথাও পাতে। কমলৰ ঘৰুৱা কথাবোৰ শুনাৰ পিছত মাকনে মাক-দেউতাক আৰু তাইৰ সৰু পৰিয়ালটোৰ কথাও ক'লে।

ইফালে কমলে B.A পাছ কৰি আৰু পঢ়াৰ বাবে ইচ্ছা নকৰিলে। ঘৰৰ অৱস্থাৰ বাবে সি সাধাৰণ কোম্পানীৰ চাকৰিত সোমাল। চাকৰিৰ কিছু পইচাই সি মাকনইঁতলৈ পঠাই। কমলে চাকৰিত সোমোৱাৰ দুবছৰ পিছতে তাক আশ্ৰয় দিয়া বুঢ়া মানুহজন ঢুকাল। মৃত্যুৰ আগতে তেওঁৰ ঘৰটোৰে সৈতে মাটিখিনি কমলৰ নামত উইল কৰি দি থৈ যায়। কমলে কথাটো গম পায় ভাবিলে— "কোনোবা জনমত নিশ্চয় এই মানুহজন মোৰ পিতৃ আছিল।"

কমলে চাকৰি কৰা পিছত খেতিয়ক এজনলৈ বায়েকক বিয়া দিলে। মাকে স্ত্ৰী-জোঁৱাইক নিজৰ লগতে ৰাখিলে। পিছত মাকে কমলৰ বিয়া পাতিব খোজাত সি সকলোৰে অনুমতি লৈ মাকনকে বিয়া কৰালে।

বিয়াৰ পিছত মাকন কমলৰ লগত চহৰতে থাকিবলৈ ল'লে। কমলে প্ৰতি মাহে দৰমহাৰ পৰা কিছু টকা মাকলৈ পঠাই আৰু ঘৰখনো চলাই। মাকনে এগৰাকী সু-গৃহিণীৰ দৰে ঘৰখন শৃংখলাবদ্ধ ভাৱে চলাইছিল। মাজে সময়ে অফিচৰ বন্ধত সিহঁতে

গাঁৱলৈ যায় কিন্তু বেছিদিন নাথাকে। কিবা অজুহাত দেখুৱাই মাকনো ৰুনুৰ লগতে উভতি আহে। কিন্তু প্ৰতিবাৰে বোৱাৰীয়েকে থাকিবলৈ ইচ্ছা নকৰাত শাহুৱেকে তাইক সিমান ভাল নেপোৱা হ'ল।

এনেদৰে দিনৰ পিছত মাহ বাগৰি বছৰ পালে। কেইবছৰ মান পিছত ৰুনুল আৰু মাকনৰ মাজলৈ পিংকি আহিল। পিংকিৰ জন্মৰ খবৰ পাই গাঁৱৰ পৰা ৰুনুলৰ মাক আৰু বায়েক আহিল। মাক আৰু বায়েকক দেখি মাকনে মনত বৰ আনন্দ পালে আৰু কি কৰিব কি নকৰিব তেনেকুৱা লাগিল। সিহঁতৰ ঘৰটোৰ মাত্ৰ দুটা কোঠা। এটা কোঠাত ৰান্ধনীঘৰ কৰিছে আৰু শোৱা কোঠাটোৰ মাজেৰে এখন কাপোৰ আৰি মানুহ বহাৰো ব্যৱস্থা কৰিছে।

বায়েকে মাকক ক'লে— "মা, চাচোন আমি ভালদৰে এখন কাপোৰ পিন্ধিব নাপাও, অথচ মাকনক চা, তাই বেটিয়ে কাপোৰেৰে ঘৰ সজাইছে।

মাকেও জীয়েকৰ কথাত হয়ভৰ দি ক'লে—"অ'তো আকৌ, তই ঠিক কথাকে কৈছ।"

ৰুনুলে অফিচৰ পৰা অহাত মাকনে বজাৰ কৰিবলৈ বেগটো দি ক'লে— "মাইহঁতৰ বাবে মিঠাই আৰু মাছ-তাছ আনিবা, কাপোৰো আনিব লাগিব।" অথচ মাকনে জানে মাহৰ শেষত সিহঁতৰ বৰ টনা টনি হয়।

ৰুনুলে ক'লে— "এইবোৰ আনিবলৈ পইচা আছে জানো।" মাকনে ক'লে—"কিবা এটা ব্যৱস্থা কৰিব লাগিব। নহ'লে মাইহঁতে বেয়া পাব।" এইবুলি তাই হাতৰ সোণৰ খাৰু এপাত দি তাৰে কিবা কৰিবলৈ দিলে। ৰুনুলে প্ৰথমে সংকোচ কৰিছিল যদিও তাৰ বাহিৰে আন উপায়ো নাছিল, সি খাৰুপাত বন্ধকত থলে। মাক বায়েকক কথাটো গম দিয়া নাছিল। সিহঁতে চাহৰ লগত মিঠাই আৰু প্ৰতি সাজ ভাতত মাছ মাংস খাব দিয়া বাবে পুতেক বোৱাৰীয়েকে সদায় এনেদৰে খাই থাকে বুলি ভাবিলে আৰু মাকে ক'লে— আমিতো বছৰৰ মূৰতো এদিন এনেদৰে খাব নাপাও। তেনেতে পিংকিয়ে কান্দিবলৈ ধৰাত মাকনে তাইক লৰা লৰিকৈ কোলাত তুলি মৰমেৰে— অ' মোৰ পিংকি মতো বুলি কোৱা কথাষাৰো সিহঁতৰ সহ্য নহ'ল। মাকহঁতে ক'লে— জীয়েকৰ নাম থৈছে চা, পিংকি। মাকনৰ মনতো সেয়েকৈ গ'ল কিন্তু তাই একো উত্তৰ নিদিলে। ভাত-পানী খোৱা হোৱাৰ পিছত মাকনে সকলো কাম কৰি মাকহঁতৰ ওচৰত বহিল। ইটো সিটো কথাৰ মাজেৰে মাকে সিহঁতে সদায় এনেদৰে খায় নেকি বুলি সুধিলে আৰু লগতে ক'লে— "এতিয়াহে বুজিলো, মাকনে গাঁৱলৈ গ'লে সেইবাবেহে বেছিদিন নাথাকে।"

মাকনে কথাবোৰ শুনি কোনেও নেদেখাকৈ কান্দিব ধৰিলে আৰু ইমান কষ্ট কৰিও মাকহঁতক সন্তুষ্ট কৰিব নোৱাৰা বাবে মনত বৰ বেজাৰ পালে। শেষত মাক বায়েকহঁতে সিহঁতৰ লগতে চহৰত থাকিবলৈ থিৰাং কৰিলে। ৰুনুলেও বেছেৰহি একো ক'ব নোৱাৰি তাকে মানি ল'লে।

কেইদিনমান পিছত যেতিয়া দেপানি সিহঁতৰ ঘৰলৈ আহি খাৰুপাতৰ কথা ক'লে তেতিয়া মাকহঁতে কথাবোৰ গম পাই বোৱাৰীয়েকক ক'লে— "বোৱাৰী, তুমি সঁচাই মহান। তুমি আমাৰ বাবে ইমানখিনি কৰাৰ পাছতো আমি তোমাক ভুল বুজি আছিলো। আমি কাইলৈকে গাঁৱলৈ উভতি যাম। আমাক ক্ষমা কৰিবা।"

মাকনে শাহুৱেকৰ ভৰি চুই সেৱা কৰিলে। শাহুৱেকেও সুখী হোৱাৰ আশীৰ্বাদ দি গাঁৱলৈ গুচি গ'ল। ■

> সুন্দৰেই যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে
> সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে
>
> —জ্যোতিপ্ৰসাদ আগৰৱালা

(গল্প)

# মাৰুতি

প্ৰফুল্ল চন্দ্ৰ দেউৰী

বৰ আমনি লাগে। আমনি মানে সকলো সময়তে নহয়। পঢ়াৰ সময়ত কোনোবাই বেল বেলাই থাকিলেহে। বতৰটোও বৰ ভাৱৰীয়া, শেতেলীত পৰি থাকিয়েই দিনটো কি কি কৰিম ভাবিছো। পৰীক্ষাও পালেহি। কিন্তু কিমান পঢ়িম। কলেজখনো খোলা থাকিলে বেলেগ কথা। পঢ়া শুনা আৰু খেলাধূলাৰ মাজেৰে কলেজত দিনটো অতিবাহিত কৰি ভাল লাগে। কিন্তু কলেজবোৰতো বিভিন্ন কাৰণত ষ্ট্ৰাইকৰ ওপৰত ষ্ট্ৰাইক আৰম্ভ হ'বলৈ ধৰিছে। ভাবিলো। সিদিনা আধৰুৱা পৰিসংখ্যা বিজ্ঞানৰ অংক এটাকে কৰো। অংকটোৰ পাততে মেলিছেহে মাখোন, মালিকৰ ঘৰত কাৰোবাক গালি পৰা শুনিলো। মোকেই পাৰিছে নেকি? নাই, নহয়। শব্দৰ দৰে কানখন স্থিৰ কৰি গালিৰ কাৰণটোৰ বিষয়ে উমান ললো। এক্ষেত্ৰে ধৰিবলৈ নোৱাৰিলো। মোৰ ঘৰৰ পৰা পইচাও অহা নাই বাবে মালিকনিৰ ঘৰৰ ভাড়া দিব পৰা নাই। বিভিন্ন ধৰণৰ চিন্তা, মালিকনিয়ে কাৰোবাক পৰা গালি আদিয়ে অংকটোৰ পৰা মোৰ মনটো বহু দূৰলৈ উৰুৱাই লৈ গ'ল। হাতত ব্ৰাচ ডাল লৈ মুখ ধুবলৈ বুলি ওলাই গলো। ভাবিলো কি কৰো? ইফালে পানীও নাই। কেতিয়া আহে, কেতিয়া যায়। মনটো কি কৰো কি নকৰো লাগিল। অংকটো শেষ কৰাৰ আশা এৰি উলুবাৰীত থকা দাদাৰ ঘৰৰ পৰা এপাক আহো বুলি ঠিৰাং কৰিলো।

উলুবাৰী, মালিগাৱঁৰ পৰা বেছি দূৰ নহয়। কেণ্টাৰত তিনিটকা ভাড়া। দুপৰীয়াৰ আগতেই পাব লাগিব। বহুতদিন দাদাৰ ভাত খোৱা নাই। পতিকে ভাত খাব নিয়মিত নহয় বুলি ভাবপৰেই জনো। দেৰি হব বুলি নবাবলৰি কৰিও সহ বতাৰ আগতে, ওলাব নোৱাৰিলো।

মালিগাৱঁ চাৰিআলিত কেণ্টাৰৰ বাবে বৈ আছো। মোৰ সন্মুখেৰে কিমান কেণ্টাৰ পাৰ হৈ গৈছে হিচাপ নাই। মালিগাৱঁৰ ষ্টপেজত ভালদৰে ৰখাৱেই। মালিগাৱঁৰ মানুহবোৰক পাত্তা নিদিয়া যেন মোৰ অনুভৱ হয়। ৰখাৰ কিয়ত আগাবাৰীতেই সিহঁতে পান জাপানি জাপি অনে। যি সকলো পৰিছে সিহঁতে ওলমি আহিছে। অৱশেষত উলুবাৰীলৈ যোৱা কেণ্টাৰ ৰখাৰ লগে লগে উঠি ললো আৰু ড্ৰাইভাৰৰ পিছৰ চিটটোত ঠাই পালো। গাড়ী চলাৰ লগে লগে দুৱাৰমুখৰ পিনে চাই দেখিলো যে মানুহৰ ভিৰত বাহিৰলৈ একো নেদেখি। সকলোৱে নিজৰ নিজৰ যাত্ৰাৰ পথত। কাৰোবাৰ অফিচ, কাৰোবাৰ বজাৰ, কোনোবা অলহীৰ ঘৰলৈ বুলি।

কেণ্টাৰত বহিয়েই আগৰ পিনে চাই দেখিলো আমাৰ ক্লাছৰ লৰা-ছোৱালীবোৰে নম্বৰ লিখি ৰখা গাড়ীখন। ML 05- B3539। মাৰুতিখন দেখি সেইদিনা ঘটি যোৱা ঘটনাটোৰ স্মৃতি মনলৈ আহিল বেচেৰা মহাবিদ্যালয়ৰ কেৰাণীজন, সেই মাৰুতি খনৰ কিহৰ পুৰণি শত্ৰু আছিল? নিজৰ চৰিতত গৈ থকা অৱস্থাত খুন্দিয়াই পৈ যোৱাৰ কি অধিকাৰ আছিল বাৰু? মহাবিদ্যালয়ৰ সন্মুখত আৰু পেট্ৰল পাম্পত সেইদিনা কিমান মানুহৰ ভীৰ হৈছিল। মেডিকেললৈ নিয়াৰ আগতেই তেওঁৰ মৃত্যু হ'ল তেওঁৰ পত্নীয়ে কিমান হিয়া ধাকুৰি কান্দিছে, লৰা-ছোৱালী কেইটাইও অৱশ্যে মানুহ জীৱনটো অসাৰ। জীয়াই থকা অৱস্থাতহে সকলোৱে আপোন পৰ, স্বামী স্ত্ৰী ভাব হয়। মৃত্যুৰ পাছত এই সকলোবোৰ সংসাৰৰ মায়া-মমতা নাইকিয়া হৈ যায়। মানুহ মৰে সচা। কিন্তু নিৰ্দিষ্ট সময়ৰ মতেহে মৰে। এনেদৰে এক্সিডেণ্ট হৈ........ ইত্যাদি। এনেতে কণ্ডাক্টৰৰ হাত মোৰ পিঠিত পৰিল। প্ৰতিক্ৰিয়া হিচাপে মই কণ্ডাক্টৰৰ হাতৰ স্পৰ্শত এক প্ৰকাৰে ভয় খালে। পিছপিনে ঘূৰি

দেখিলো গাড়ীৰ কণ্ডাক্টৰ। লগে লগে পকেটৰ পৰা পাঁচ টকীয়া এখন উলিয়াই দিলো কণ্ডাক্টৰে এখন টিকেটৰ সৈতে দুটা টকা মোক ওভতাই দিলে। পুনৰ আগৰ ঠাইলৈ চালো মাৰুতিখন আৰু এবাৰ দেখাৰ আশাত। কিন্তু মাৰুতিখন কেতিয়াবাই ধূলি উৰুৱাই নিৰুদ্দেশ হৈ গ'ল। কাছাৰী ষ্টপেজ। মোৰ কাষৰ মানুহ জন নামি যোৱাত আন এজন আহি বহিল। মানুহজনক মই নিৰীক্ষণ কৰিলো। পিন্ধনত ধুতি আৰু পাঞ্জাবী ভৰিত হাৱাই চেণ্ডেল। মানুহজনৰ বয়স বেছি নহয়। দেখিলেই ধৰিব পাৰি যে গাঁৱলীয়া লোক। কাৰণ মই নিজেই গাঁৱলীয়া ন'বা। দুই তিনি বছৰ গুৱাহাটী মহানগৰীত থাকি মহানগৰীৰ কিছু ৰেহ- ৰূপ বুজি পাইছো। কেটাৰখন দ্ৰুতগতিত, মাজে মাজে ষ্টপেজ। শিলপুখুৰী পদ পথত কিছুমান লোকৰ দৌৰা দৌৰি মোৰ দৃষ্টি সমাগমৰ মোৰ পিছৰ মানুহজনৰ ওপৰত পৰিল। মানুহজন দৌৰিছে, পিছে পিছে আন এটি জুম। বুজিলো, মানুহজন চুৰ বা পকেট মাৰাৰ বাহিৰে আন কোনো নহয়। 'বোপা' সম্বোধনত মোৰ কাষৰ মানুহজনক মই বুজা কথাখিনিকেই বুজাবলৈ চেষ্টা কৰিলো। মানুহজনে প্ৰথমে অবাক হৈছিল যদিও মহানগৰীৰ ৰেহ-ৰূপ যে এনেকুৱাই আৰু দিন দুপৰতে চুৰ ডকাইত একেবাৰেই যে অসাধাৰণ কথা সেইটো বুজোৱাত তেওঁ অসাধাৰণৰ মাজেৰে ঘটনাটো সাধাৰণ বুলিয়েই মনস্থ কৰিবলৈ বাধ্য। এইদৰেই মোৰ আৰু মানুহজনৰ মাজত কথা বতৰাৰ আদান প্ৰদান হ'ল। মানুহজনৰ লগত হোৱা কথোপকথনৰ পৰা বুজিলো তেওঁ যে দিছপুৰত থকা সৰু পুতেক ৰামনাথ বৰদলৈৰ ওচৰলৈ আহিছে। শ্ৰীমান বৰদলৈয়ে দিছপুৰৰ কোনোবা এটা অফিচত কাম কৰে। দৰমহাও বেয়া নাপায়। মাহিলী ২৫০০.০০ (পচিশ)। যাহওঁক তেওঁ এটা পাচজনীয়া পৰিয়াল পুহি আছে।

সেই একেই ষ্টপেজ, হেন্দিমেনৰ একেই চিঞৰ, "উলুবাৰী দিছপুৰ, ভাঙাঘৰ মেডিকেল, উলুবাৰী দিছপুৰ ভাঙাঘৰ মেডিকেল।" কিছুমান লোকে নামিছে, কিছুমানে উঠিছে। এনেতে মোৰ কাষৰ চিটটোত এহাল যৌৱন প্ৰাপ্ত লৰা ছোৱালী বহিল। লৰা-ছোৱালীহাল দেখাত ধুনীয়া আছিল। তেওঁলোকৰ পোচাকৰ পৰাই তেওঁলোকৰ অভিজাতাৰ কথা গম পোৱা যায়। কেটাৰৰ ভিতৰত সিহঁত হালৰ দৰে পোচাক কোনো এজন মানুহে পিন্ধা নাই। গতিকে সেইটো এটা সিহঁতৰ গৌৰৱৰ কাৰণ। দুয়ো কথাত মগ্ন। মোৰ কাষত বহি থকা মানুহজনে তেওঁলোকৰ কথা বতৰা আৰু কাম কাজৰ পৰা ইতঃস্থতা বোধ কৰা যেন অনুভৱ কৰিলো। মৰ্ডান ল'ৰা-ছোৱালী হ'ল বুলি তেওঁলোকে বাচৰ আনলোক সকলক উপেক্ষা কৰিব লাগিছিল। মই মোৰ কাষত বহি থকা মানুহজনৰ ওচৰত লাজ-লাজ অনুভৱ কৰিলো। এনেতে মই উলুবাৰী ষ্টপেজ পালো।

গাড়ীৰ পৰা নামিয়েই এটা মানুহৰ জুম দেখিলো। ভাবিলো এপাক চাই যাওঁ কি হৈছেনো। ওচৰলৈ গৈ দেখিলো এজন আদ বয়সীয়া মানুহ তেজেৰে লুটুৰি-পুটুৰি হৈ পৰি আছে। তাৰ গাত ধৰি এজনী মানুহ কান্দি আছে। বোধকৰো সেই মানুহজনৰেই পত্নী। দুই এজনৰ মুখৰ পৰা জানিব পাৰিলো যে মাৰুতিয়ে এক্সিডেণ্ট কৰি থৈ গৈছে। গাড়ীৰ নম্বৰ ML- 05- B 3539। লগে লগে মোৰ মনটো উলুবাৰী পৰা উৰি আহি পেট্ৰল পাম্পত পৰিল। লগে লগে পুনৰ মনত পৰিল সেই কাহিনীটো, পেট্ৰল পাম্পত কেৰাণীজনক খুন্দিয়াই মাৰা সেই গাড়ীখন। কিন্তু কোনো এজনে সেই গাড়ীখন লৈ ড্ৰাইভাৰজনক কিবা এটা ব্যৱস্থা কৰাৰ সাহকন যোগাৰ কৰিব পৰা নাই কিয়? সকলোবোৰে মানুহক সেই ড্ৰাইভাৰজনে হাতৰ মুঠিত বন্দী কৰে কিবা এটা কৰিবলৈ কিয় সাহস গোটাব পৰা নাই? এজন দুজন নহয় ইয়াক কিবা এটা ব্যৱস্থা নকৰালৈ সি জীয়াই থকালৈ কিমানজন মানুহক এই সংসাৰৰ পৰা খেদিব ঠিক নাই। ভাবি ভাবি মোৰ বটাৰে খোজ কাঢ়িবলৈ ভয় লগা হ'ল। অতি সাৱধানেৰে মোৰ নিজৰ চাইডত খোজ কাঢ়িবলৈ ধৰিলো।

লাজ লাগে। গুৱাহাটী মহানগৰী, যাক লৈ অসমৰ বাকী বাসিন্দা সকলে গৌৰৱ কৰে। অৱশ্যে কৰিবই। ইতিহাস স্মৰণীয় কামাখ্যা মন্দিৰৰ পৰা আৰম্ভ কৰি বৰ্তমান অসমৰ ৰাজধানীও গুৱাহাটীতেই। এই সকলোবোৰ আজিকালি কিমান অঘটন ঘটি থাকে

ডাকটো মহানগৰীৰ বাহিৰে সাধাৰণ কাম বুলিয়েই ধৰি লৈছে। কিন্তু অসমৰ বাকী লোক সকলে এইবোৰ কাৰ্য সাধাৰণ ভাবে লবলৈ কুণ্ঠাবোধ কৰে আৰু অলপ টান পায়। অসমৰ কিছু কিছু অঞ্চলৰ পৰা গুৱাহাটী মহানগৰীত গাড়ী বিজাৰ্ভ কৰি কামাখ্যা দেৱীৰ দৰ্শন লবলৈ আহে। কিছু কিছু লোকে আজিলৈকে গুৱাহাটী মহানগৰীৰ মুখ খনকেই দেখা নাই। তেওঁলোকে মহানগৰীৰ ৰেহ-ৰূপৰ বিষয়ে একেবাৰেই নাজানে। আৰু সেই বাবেই এটা সাধাৰণ কাম গাওঁবাসী সকলৰ বাবে এটা ভয়ানক কাম হৈ পৰে। এজন মানুহ মাৰিবলৈ গাওঁ অঞ্চলত বাস কৰা লোকে ভয় কৰে। কাৰণ তেওঁ আগতেই চিন্তা কৰি লয় যে এজন লোকৰ জীৱন ধ্বংস কৰাটো কিমান পাপ। তাৰোপৰি সেই মানুহজনক মাৰাৰ লগে লগে নিজৰ বিভিন্ন ধৰণৰ শাস্তি ভোগ কৰিব লাগিব। ইত্যাদি। এখন দোকানত অলপ সময় বৈ ললো। দোকানৰ পৰা এটা অবেগ্ন বিস্কুটৰ পেক লৈ পুনৰ দাদাৰ ঘৰলৈ খোজ দিছো। এইবোৰ কথা ভাবি দাদাৰ ঘৰৰ গেটৰ সন্মুখেদিয়ে পাৰ হৈ গ'লো। শিহঁতিনৰ পৰা ডাক্তিজা লৰাটোৱে 'খুৰা' বুলি সম্বোধন কৰি মাত দিয়াত সম্বিত ঘুৰি আহিল। পুনৰ ঘুৰি আহি দাদাৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিলো।

"যি জাতিৰ জীৱন মুক্ত আৰু স্বাধীন, সেই জাতিৰ সাহিত্যৰো মুক্ত স্বাধীন আৰু অব্যাহত গতি। সেই সাহিত্যই নিৰ্ভয়ে নিঃসংকোচে কল্পনা আৰু ভাবৰ ৰাজ্যত স্বচ্ছন্দে বিচৰণ কৰিব পাৰে; সি কেতিয়াও কালে কদাপিও বিদেশী বিজাতিৰে সৈতে ভাব আৰু কল্পনাৰ আদান প্ৰদানত নিজৰ অস্তিত্ব হেৰুওৱাৰ ভয় কৰি নিজক সঙ্কুচিত কৰি নুখুৰে। পুখুৰীৰ বদ্ধ পানীহে অশুদ্ধ, অশুচি, কলুষিত হয় আৰু অশুদ্ধ হবৰ ভয়ত পুখুৰীৰ গৰাকী সদায় সন্ত্ৰস্ত সতৰ্ক থাকিবৰ আৱশ্যক হয়। নৈৰ সোঁত বলা পানীত সেই 'বালাই' নাই। তাত হাজাৰ মলি হাজাৰ আৱৰ্জনা পৰক, তথাপি সি অশুচি, অস্পৃশ্য বা কলুষিত নহয়। পৰাধীন জাতিৰ সাহিত্যক সেইদৰেখি সততে শুচি-বায়ুৱা ৰোগগ্ৰস্ত দেখা যায়; তাৰ সততে ভয়, পিছে বিদেশী ভাষাৰ সংস্পৰ্শত সি কলঙ্কিত আৰু অশুচি হৈ নিজৰ পৈতৃক প্ৰাণটি হেৰুৱায়।"

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

(প্ৰবন্ধ)

# কম্পিউটাৰ

নিৰঞ্জন ডেকা

আদিম যুগত মানুহে গণনা কৰিবলৈ হাত ভৰিৰ আঙুলি ব্যৱহাৰ কৰিছিল। তাৰ পিছৰ পৰা মানুহে লাহে লাহে নিজৰ সম্পত্তিৰ হিচাব ৰাখিবলৈ বিভিন্ন ধৰণৰ গণনা কৰা যন্ত্ৰ আদি উলিয়াব পাৰিছিল। এবাকচ, নেপিয়াৰ হাৰ পাচকেলৰ গণনা কৰা যন্ত্ৰ, লেই বনিজৰ গণনা কৰা যন্ত্ৰ, বেবেজৰ এনলিটিকেল যন্ত্ৰ, হলৰিথৰ টেবুলেটিং যন্ত্ৰ আদি উল্লেখযোগ্য। এই যন্ত্ৰ সমূহ গিয়েৰ, চকা লিভাৰ আৰু ছিদ্ৰযুক্ত কাৰ্ড আদিৰে সজা আছিল। এই বিলাকৰ গণনা কৰা বেগ অতি মন্থৰ আছিল এইবোৰ লাহে লাহে উন্নতি হৈ আহি বৰ্তমান আধুনিক যুগত কম্পিউটাৰৰ আৱিষ্কাৰ হয়।

আধুনিক কম্পিউটাৰৰ পিতৃ পুৰুষ হিচাপে চাৰ্লছ বেবেজক কব পাৰি। তেওঁ এজন ইংৰাজী গণিতজ্ঞ আছিল। তেওঁ স্বনিয়ন্ত্ৰিত এটা মেচিনৰ নক্সা তৈয়াৰ কৰে যাক Analytical engine বুলি কোৱা হয়। এই মেচিনৰ দ্বাৰা যোগ বিয়োগ, পূৰণ, হৰণ, আদিৰ উপৰিও তথ্য (Data) সংৰক্ষন কৰিব পৰাৰ সুবিধা আছিল। তেওঁৰ দিনত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অভাৱ থকাৰ বাবে তেওঁৰ কল্পনা বাস্তৱত প্ৰতিফলিত হোৱা নাছিল। তেওঁৰ মৃত্যুৰ পৰাই 1930 চনত হাভাৰ্ড বিশ্ববিদ্যালয়ৰ হাওৱাৰ্ড আইকেন আৰু গ্ৰেচ হুপাৰে আমেৰিকাৰ IBM (International Business Machine) কম্পেনীৰ হৈ গোন প্ৰথম বাৰৰ বাবে এটা বৈদ্যুতিক কম্পিউটাৰ সাজি উলিওৱাৰ কাম হাতত লয়; ১৯৪৪ চনতহে এই কম্পিউটাৰৰ সজা কাম সমাপ্ত হয়। তেওঁলোকে এই কম্পিউটাৰটোৰ নাম মাৰ্ক দিয়ে। এই কম্পিউটাৰ টোত ব্যৱহাৰ কৰা বৈদ্যুতিক তাঁৰৰ দৈৰ্ঘ প্ৰায়, মাইলৰ অধিক আছিল। ইয়াক চলোঁতে গণনাৰ কামত ব্যৱহাৰ কৰা হৈছিল। দ্বিতীয় মহাসমৰৰ সময়ছোৱাত প্ৰথম ইলেকট্ৰনিক কম্পিউটাৰ সজা হয়। তেতিয়াৰ পৰা বৰ্তমানলৈ সজা ইলেকট্ৰনিক কম্পিউটাৰ সমূহক কেইবাটিও পুৰুষত ভগোৱা হৈছে প্ৰথম পুৰুষৰ কম্পিউটাৰ বিলাকত প্ৰথমবাৰৰ বাবে থাৰ্মিয়নিক ভালভ ব্যৱহাৰ কৰা হৈছিল। ENJAX (Electronic Numerical Integrator and calculator) নামৰ কম্পিউটাৰটো এই ধৰণৰ আছিল। পেনচিলভেনিয়া, বিশ্ববিদ্যালয়ৰ জে.পি. একৰ্ট আৰু জে, ডব্লিউ মৰ্ছলিয়ে 1947 চনত এই কম্পিউটাৰটো সজে। ইয়াত প্ৰায় 18000 ভালভ আৰু 70,000 বৈদ্যুতিক ৰোধক ব্যৱহাৰ কৰা হৈছিল। ইয়াক চলাবলৈ 150 kw বৈদ্যুতিক শক্তিৰ আৱশ্যক হৈছিল। ইলেকট্ৰ, মেগনেটিক ৰিলে সজা কম্পিউটাৰতকৈ 1000 (একহাজাৰ) গুণে বেগী আছিল। ইয়াৰ ওজন প্ৰায় এত্ৰিশ টন আছিল। মাৰ্কিন সৈন্য বাহিনীৰ বৰটোপৰ গুলীৰ পথ সঠিককৈ গণনা কৰি উলিয়াবৰ বাবে এই কম্পিউটাৰটো ব্যৱহাৰ কৰা হয়। 1951 ; vi বেপাৰ, বাণিজ্য, ব্যৱসায় সম্পৰ্কীয় কামবোৰ আগবঢ়াই নিবৰ বাবে আমেৰিকাৰ ইউনিভাৰচেল কম্পেনিয়ে (Univac-1) নামৰ কম্পিউটাৰটো সাজি উলিয়ায়।

IBM কম্পেনীয়ে 1953 আৰু 1954 চনত যথাক্ৰমে IBM-701 আৰু IBM-150 নামৰ এই ধৰণৰ (Computer) কম্পিউটাৰ দুটা সাজে। প্ৰথম পুৰুষ কম্পিউটাৰ বিলাকত বিভিন্ন ধৰণৰ অসুবিধা আছিল। এই কম্পিউটাৰ বিলাক আয়তনত ডাঙৰ, চলাবলৈ বেছি পৰিমাণৰ বৈদ্যুতিক শক্তিৰ আৱশ্যক, বেছি সময় চলাই ৰাখিলে অত্যাধিক পৰিমাণত তাপ নিৰ্গত কৰিছিল। এই কম্পিউটাৰ বিলাকৰ জীৱন কাল কম আছিল। বৰ্তমানৰ তুলনাত সেইবিলাকৰ গতিবেগ মন্থৰ আছিল।

1948 চনত আমেৰিকাৰ লেবৰেটৰীত (Bell Laboratory) জন বাৰ্ডিন, ওৱালটৰ এইচ ব্ৰাটেইন আৰু উইলিয়াম বি চকলিয়ে ট্ৰেনজিষ্টৰ আবিষ্কাৰ কৰে। ট্ৰেনজিষ্টৰৰ আৱিষ্কাৰৰ লগে লগেই দ্বিতীয় পুৰুষ কম্পিউটাৰৰ আবিৰ্ভাৱ হয়। দ্বিতীয় পুৰুষ কম্পিউটাৰত ট্ৰেনজিষ্টৰ ব্যৱহাৰ কৰা হয়। ফলত কম্পিউটাৰ বিলাক আকাৰত সৰু, গণনাৰ বেগ বেছি

আৰু অধিক নিৰ্ভৰযোগ্য আছিল। প্ৰথম পুৰুষ কম্পিউটাৰ বিলাকতকৈ এই কম্পিউটাৰ বিলাকে অধিক জনপ্ৰিয়তা লাভ কৰিছিল। IBM-700, LEO MARK III, IBM 1401, ATLAS দ্বিতীয় পুৰুষৰ উল্লেখযোগ্য কম্পিউটাৰ আছিল। 1964 চনত তৃতীয় পুৰুষ কম্পিউটাৰৰ জন্ম হয়। এই বিলাক কম্পিউটাৰত আই,চি (IC= Integrated Circuit) ব্যৱহাৰ কৰা হৈছিল। আই, চিৰ শক্তি যথেষ্ট আছিল। ভালেমান ট্ৰেনজিষ্টৰ, ৰোধক, কেপাচিটৰে অনিয়ে কৰি পৰা কাম মাত্ৰ এটা আই, চি (IC) যে কৰিব পাৰিছিল। বিশুদ্ধ চিলকন স্ফটিকৰ অতি পাতল পাতেৰে এই আই, চি, বিলাক সজা হয়। আই, চি ব্যৱহাৰত তৃতীয় পুৰুষ কম্পিউটাৰ বিলাক দ্বিতীয় পুৰুষৰ তুলনাত আয়তন কম। গণনাৰ বেগ বেচি আৰু অধিক নিৰ্ভৰযোগ্য আছিল। এই বিলাক কম্পিউটাৰ, বিজ্ঞান আৰু বাণিজ্য সম্বন্ধীয় গণনা আদি উভয়তে ব্যৱহাৰ কৰা হৈছিল। দিন যোৱাৰ লগে লগেই আই, চি সজা পদ্ধতি উন্নতি হ'ব ধৰিলে, হাজাৰ হাজাৰ ট্ৰেনজিষ্টৰ, ৰোধক, কেপাচিটৰ আদিৰ কাম মাত্ৰ এটা IC ৰে সাজিব পৰা হ'ল, এনে ধৰণৰ আই, চিক মাইক্ৰ'প্ৰচেচৰ (MICRO PROCESSOR) বোলা হয়। 1971 চনত আমেৰিকাৰ ইনটেল কম্পেনীয়ে পোন প্ৰথম বাৰৰ বাবে মাইক্ৰ'প্ৰচেচৰ সাজি উলিয়াই। এই বিলাকৰ আকৃতি সৰু আছিল। মাইক্ৰ'প্ৰচেচৰ আৱিষ্কাৰে কম্পিউটাক চতুৰ্থ পুৰুষলৈ আগুৱাই নৈ যায়। এই কম্পিউটাৰ বিলাক গণনাৰ বেগ তীব্ৰ আৰু অধিক নিৰ্ভৰযোগ্য হৈ পৰিল। এই কম্পিউটাৰ বিলাক এখন সৰু টেবুলতে ৰাখিব পৰা হ'ল। এই কম্পিউটাৰ বিলাকৰ জনপ্ৰিয়তা যথেষ্ট পাইছিল। বৰ্তমান চতুৰ্থ পুৰুষৰ কম্পিউটাৰ বিলাকে ব্যৱহাৰ হৈ আছে। জাপানীসকলে পঞ্চম পুৰুষ কম্পিউটাৰ সাজিবলৈ হাতত লৈছে। এই Computer বিলাকত বৃহৎ সংখ্যক তথ্য (Data) সাচি ৰাখিব পৰাকৈ সাজিবলৈ সক্ষম হৈছে। এই কম্পিউটাৰৰ সহায়ত সকলো কামে কৰিব পৰা যাব। এই বিলাকক কৃত্তিম বুদ্ধি সম্পন্ন থকা কম্পিউটাৰ বুলি আখ্যা দিয়া হৈছে। বৰ্তমানলৈ এই কম্পিউটাৰ বিলাক ব্যৱহাৰ হোৱা নাই। কিছুদিনৰ ভিতৰত আমি এই কম্পিউটাৰবোৰ কাৰ্যত প্ৰয়োগ কৰিব পাৰিম।

কম্পিউটাৰৰ গঠনত মন কৰিবলগীয়া মুখ্য ভাগ তিনিটা। এই ভাগ তিনিটাৰে বিভিন্ন ধৰণৰ ভাগ আছে। মুখ্য ভাগ তিনিটা হ'ল ঃ



CENTRAL PROCESSOR UNIT

(i) ইনপুট গেট (Input Unit)

(ii) কেন্দ্ৰীয় কাৰ্যকিৰণ গেট বা চি. পি. ইউ. (Central Processing Unit)

(iii) আউটপুট গেট (Output Unit)

কম্পিউটাৰে কোনো এটা কাম নিজে কৰিব নোৱাৰে। ইয়াক কিছুমান প্ৰ'গ্ৰেম, ডাটা, আদি যোগান ধৰিব লাগে। তেতিয়াহে ই কাৰ্যকৰী হৈ উঠিব। এই সকলোবিলাক কম্পিউটাৰত ইনপুট আহিলাৰ দ্বাৰা যোগান ধৰা হয়। ইনপুট আহিলা সমূহ হ'ল–

Punched Card Reader, paper Tape Reader, Key Board Device Magnetic Ink Character Reader, Voice Data Entry Device, Audio Cassette, Magnetic Tape, Floppy Disc, Hard Disc ইত্যাদি।

কম্পিউটাৰৰ মুখ্য ভাগটো হ'ল কেন্দ্ৰীয় কাৰ্যকৰণ গেট। কম্পিউটাৰৰ সকলোবোৰ কাম ইয়াৰ দ্বাৰাই কৰা হয়। ইয়াক তিনিটা ভাগত ভাগ কৰা হৈছে। (i) নিয়ন্ত্ৰণ গেট (Control Unit) (ii) গাণিতিক গেট (Arithmetic logic unit) (iii) স্মৃতি গেট (Memory unit)।

নিয়ন্ত্ৰক গোটৰ সহায়ত কম্পিউটাৰৰ আন আন গোট সমূহক পৰিচালনা কৰা হয়। মুখ্য স্মৃতি গোটৰ প্ৰগ্ৰেম পৰা প্ৰ'গ্ৰেম এটাৰ নিৰ্দেশসমূহ আনি ই সিহঁতৰ বুজলৈ তাৰ ওপৰত ভিত্তি কৰি কোনটো গোটে কি ধৰণৰ কাৰ্য্য পালন কৰি তাৰ সিদ্ধান্ত লয়। কম্পিউটাৰে কোনো এটা কাম কৰিব লগীয়া হলে নিয়ন্ত্ৰণ গোটটোৱে কম্পিউটাৰ আন গোট সমূহক পৰিচালনা কৰে। খোৰতে কবলৈ হ'লে এই গোটটোৱে কম্পিউটাৰৰ সকলোবোৰ গোটক পৰিচালনা কৰে। আনহাতে গণিতিয় আৰু লজিকীয় গোট (ALU) যে কম্পিউটাৰৰ গণিতিক কাৰ্য্য, যোগ বিয়োগ পূৰণ হৰণ আদি কৰা হয়। তাৰোপৰি লজিকীয় যুক্তি অনুসৰিসিদ্ধান্তবোৰ ইয়াতেপোৱা হয়। বিভিন্ন গণনা কাৰ্যবোৰ এই গোটটোৰ দ্বাৰাই কৰা হয়। এই গোটটোৱে কম্পিউটাৰৰ নিৰ্দেশসমূহ চকুৰ আগত দেখুৱাই, ইয়াৰ পৰা আমিসকলো কাৰ্যপালনৰ নিৰ্দেশবো সেখিবলৈ পাওঁ। যাৰ ফলত আমাৰ কাৰ্য্যপালনবোৰ ভুল শুদ্ধ নিৰ্ধাৰণ কৰিব পাৰে। কম্পিউটাৰত কাৰ্য্য পালন কৰোতে কিছুমান কম্পিউটাৰৰ ভাষাত প্ৰগ্ৰেম কৰিব লাগে। তেতিয়াহে দিয়া নিৰ্দেশবোৰ বুজি পায়। কম্পিউটাৰৰ পৃথিৱীৰ সৰ্বপ্ৰথম প্ৰগ্ৰেমাৰ হ'ল মহাকবি বাইৰণৰ কন্যা ব্ৰিষ্ট Lovelace.

আউটপুট গোটৰ সহায়ত সমাধানবোৰ প্ৰকাশ পায়। আউটপুটৰ অহিলাৰ দ্বাৰা আমি ফলাফলবোৰ টেলিভিচনৰ দৰে দেখিব পাঁও আৰু সকলোবোৰ নকল কপি বনাই ৰাখিব পাৰে। যাৰ ফলত কম্পিউটাৰত কৰা কাৰ্যসমূহ গোটাই ৰাখিব পাৰো। আউটপুট অহিলা সমূহ হ'ল, V.D.U. (Visual Display Unit), Printer, Line,, Printer, dot matrix Printer, ploter Audio reponse unit ইত্যাদি।

আধুনিক যুগত কম্পিউটাৰে প্ৰথম স্থান লাভ কৰিছে। সকলোবোৰ কামতে কম্পিউটাৰ ব্যৱহাৰ হ'ব ধৰিছে। বিজ্ঞান, ব্যৱসায় বাণিজ্য আদিৰ উপৰিও কম্পিউটাৰ ঘৰতেও ব্যৱহাৰ কৰা হৈছে। যাৰ ফলত নিবনুৱা সমস্যা বৃদ্ধি পাব ধৰিছে। দহজন মানুহে কৰিব পৰা কাম এটা কম্পিউটাৰে কৰিবপৰা হৈছে। চিকিৎসা বিজ্ঞানত ব্যৱহাৰ কৰিব লৈছে। যিবোৰ কাম মানুহৰ বাবে অসম্ভৱ সেইবোৰ কাম কম্পিউটাৰৰ দ্বাৰা সম্ভৱ কৰি তুলিছে। ডাঙৰ ডাঙৰ হোটেল বিলাকতো কম্পিউটাৰৰ বৰটৰ সহায়ত বন্ধা-বঢ়া কামৰ পৰা আদিকৰি সকলো কৰা হৈছে। যাৰ ফলত যিবোৰ কাম মানুহৰ কাল্পনিক আছিল সেইবোৰ বাস্তৱত কৰিব পাৰিছে।

(কেইখনমান ইংৰাজী কিতাপৰ সহায় লৈ অনামিকা অনুবাদ)

# এখন দিনলিপিৰ ভিতৰত

হেমেন জ্যোতি নেওগ
স্নাতক তৃতীয় বৰ্ষ

(গল্প)

মাত্ৰ যোৱাকালি মৃগাংক ফুকনে অৱসৰ ল'লে চাকৰি জীৱনৰ পৰা। অফিচটোৰ আটাইবোৰ সহকৰ্মীৰ সহযোগত অনুষ্ঠিত হৈছিল ফুকনৰ বিদায় সম্ভাষণ সভা। চিৰকুমাৰ মৃগাংক ফুকনৰ চাকৰি জীৱনৰ অৱসৰে হয়তো কঢ়িয়াই আনিছিল গভীৰ বেদনা। সংসাৰত নিজা বুলিবলৈ কোনো নথকা ফুকনে খুব সম্ভৱ চাকৰিৰ ব্যস্ততাৰ মাজেৰে নিঃসংগতা নামৰ নিষ্ঠুৰ শব্দটোক পাহৰি আছিল।........

আজি বাতিপুৱাই খবৰটো বাষ্ট্ৰ হৈ পৰিলে। মৃগাংক ফুকনে আত্মহত্যা কৰিলে। অকিঞ্চন পৰাই লগে লগে লৰ মাৰিলে প্ৰিয়াংকা কুটীৰলৈ (মৃগাংক ফুকনৰ ঘৰটোৰে নাম প্ৰিয়াংকা কুটীৰ)। ভিতৰৰ চিপজৰী লৈ ওলমি আছে মৃগাংক ফুকন। কমটোত থকা আৰামী চকীখনত পৰি আছে এখন 'ডায়েৰী"। মেলি চালো। সুন্দৰ ভাবে অংকিত কৰিছে তেখেতৰ এটি চমু আত্মজীৱনী......।

নলিত ভড়ালী কলেজৰ আলোচনী সম্পাদক অঞ্জনজ্যোতি বেজে আজি কিছুদিনৰ পৰা মোক এটা গল্প লিখিবলৈ অনুৰোধ কৰি আছে। সময়ৰ অভাৱত আচলতে ঠিক সময়ৰ অভাৱ নহয় লিখাৰ এলাহত গল্পটো লিখা হোৱা নাই। সেয়েহে 'ডায়েৰী'খনৰ ভিতৰত আৱিষ্কাৰ কৰা মৃগাংক ফুকনৰ চমু আত্মজীৱনটোকে শ্ৰীমান অঞ্জনক দিবলৈ প্ৰয়াস কৰিলো। মৃগাংক ফুকনৰ কৰুণাত্মক কাহিনীয়ে যে পাঠক সমাজক কিছু পৰিমানে হ'লেও স্পৰ্শ কৰিব তাত সন্দেহ নাই। এতিয়া আহক মৃগাংক ফুকনৰ দিনলিপিখনলৈ।

## এক (মই কোন?)

মোৰ নাম মৃগাংক ফুকন। বৰ্তমান মই এটা চৰকাৰী কাৰ্যালয়ৰ এগৰাকী বিষয়া। দুমহলীয়া এটি ঘৰ আৰু এখন মাৰুতী গাড়ীৰে সৈতে মোৰ জীৱন। বিয়া......? এৰা, বিয়া অৱশ্যে কৰোৱা নহ'ল। কিয় নকৰালোঁ সেয়া অৱশ্যে আপোনালোকক অৱগত কৰোৱা ইচ্ছা মোৰ নাই। তথাপি মোৰ দিনলিপিত লিপিবদ্ধ কথাখিনি পঢ়ি চালেই আপোনালোকে খুব সম্ভৱ নুবুজাকৈ নাথাকে। অ' আৰু এটা কথা। যদিওবা মই এজন বিষয়া তথাপি আপোনালোকক চাকৰি দিয়াৰ ক্ষমতা মোৰ নাই দেই। জানেই নহয় যুগটো। যোৱাকালি হৈ যোৱা কেৰানী পদটোৰ সাক্ষাৎ গ্ৰহণত উপযুক্ত প্ৰাৰ্থী হিচাপে মই এগৰাকী যুৱকক নিৰ্বাচিত কৰি থৈছিলো। অপ্ৰিয় সত্য যে, যুৱকজনৰ পৰা মই অৱশ্যে গাড়ীত তেল ভৰোৱাৰ বাবে যৎসামান্য কিবা এটা (যোত) ল'ম বুলি ভাবি আছিলো। যুৱকজনো অৱশ্যে মান্তি হৈছিল। কিন্তু কি হ'ব? আজি হঠাৎ মন্ত্ৰী মহোদয়ে মোক ফোন কৰি জনালে যে সাক্ষাৎ গ্ৰহণত উপস্থিত থকা মিচ পাঙ্কালী শৰ্মাকহে যোগে চাকৰিটোত মকৰল কৰাব লাগে। মোৰ দৃষ্টিয়ে চচমাৰ ফ্ৰেম ভেদ কৰিব নোৱৰা হৈ পৰিল। খটনাটো কি? যোৱাকালি মন্ত্ৰীৰ লগত আলোচনা কৰিয়েই যুৱকজনক নিৰ্বাচিত কৰি থৈছিলো। আজি আকৌ.......! ছেঃ! ছোৱালীজনীয়ে এটা ৰাতিতে ছাঁপে মন্ত্ৰী মহোদয়ক ফিটিং কৰি দিলে। হ'ব পাৰে। কিনো ডাঙৰ কথা। মন্ত্ৰী এনেকুৱা চৰিত্ৰৰ অধিকাৰী নহ'লেনো এই কটা নিধক মৃগাংক ফুকনে চাকৰি পায়নে? নহ'লে হয়তো ইমান দিনে ভিক্ষা কৰিয়েই জীৱন কটাব লাগিলহেঁতেন। বাৰু, এইবোৰ বাদ দিয়ক। এতিয়া আহক মই চাকৰিত মকৰল হোৱা সেই দিনটোলৈ।

## দুই

(মৃগাংক-প্ৰিয়াংকাৰ কথোপকথন—১)

প্ৰিয়াংকা ঃ মৃগাংক, আজি তোমাৰ Interview কেনেকুৱা হ'ল?

মৃগাংক ঃ Interview এইবোৰ নামতহে। আজিকালিটো বেকিং নহ'লে একো নাই। এইবোৰ জানি শুনিও কিয় সুধিছা প্ৰিয়াংকা।

প্ৰিয়াংকা ঃ নহয় মৃগাংক। তোমাক চাকৰি এটা খুব প্ৰয়োজন। তোমালোকৰ ঘৰখনৰ কথা ভাবিলে মোৰ খুব দুখ লাগে।

মৃগাংক ঃ Please প্ৰিয়াংকা। এইবোৰ এতিয়া নুশিয়াবা আৰু। মই পগল হৈ যাম। মই কি কৰিম কোৱা?

প্ৰিয়াংকা ঃ তুমি চাকৰি ল'বই লাগিব। তোমাৰ বাবে মই যিকোনো কামকে কৰিম। প্ৰয়োজন হ'লে মোৰ সৰ্বস্ব.............

মৃগাংক (প্ৰিয়াংকাৰ মুখত ধৰি ) ঃ প্ৰিয়াংকা। (প্ৰিয়াংকাৰ ওঁঠত মৃগাংকৰ ওঁঠৰ পৰশ। কিছুসময় মৌনতা। মৃগাংকৰ চকুত চকুপানী। প্ৰিয়াংকাই আলফুলে মচি দিয়ে। মৃগাংকৰ বুকুৰ মাজৰ পৰা প্ৰিয়াংকা লাহে লাহে আঁতৰি যায়। মৃগাংকই স্থিৰ দৃষ্টিৰে চাই থাকে প্ৰিয়াংকালৈ)।

## তিনি

(মৃগাংক-প্ৰিয়াংকাৰ কথোপকথন-২)

মৃগাংক ঃ আজি মোৰ বাবে গোটেই পৃথিৱীখনেই নতুন হৈ পৰিছে প্ৰিয়াংকা। এনেদৰে চাকৰিটো পাম বুলি মই সপোনতো ভবা নাছিলোঁ। পৃথিৱীখন এতিয়াও ইমান দুৰ্নীতিমুক্ত বুলি মই কল্পনাই কৰিব পৰা নাছিলোঁ।

প্ৰিয়াংকা ঃ মানে?

মৃগাংক ঃ মানে আৰু কি? খোচ-খোচ নিদিয়াকৈ চাকৰিটো মই এনেদৰে পাম বুলি একেবাৰে ভবা নাছিলোঁ।

(প্ৰিয়াংকাৰ চকুত চকুপানী) (মৃগাংকই প্ৰিয়াংকাক সাৱটি ধৰিব খোজে। প্ৰিয়াংকাই বাধা দিয়ে) হাবে প্ৰিয়াংক তুমি..........।

প্ৰিয়াংকা ঃ মোক তুমি নুচুবা মৃগাংক। প্ৰিয়াংকাই সমস্ত সতীত্ব পৰহি ৰাতি মন্ত্ৰীৰ ওচৰত বিসৰ্জন দিলে মৃগাংকৰ (জোৰেৰে কান্দে)

মৃগাংক ঃ প্ৰিয়াংকা।

প্ৰিয়াংকা ঃ এৰা মৃগাংক। মোৰ সতীত্বৰ বিনিময়ত তোমাৰ এই চাকৰি। নহ'লে তুমি............।

মৃগাংকা ঃ এনে চাকৰি মোক নালাগে প্ৰিয়াংকা।

প্ৰিয়াংকা ঃ নহয় মৃগাংক। চাকৰিটোত Join কৰি তুমি মোৰ হেৰুৱা সতীত্বক সন্মান জনোৱা।

(প্ৰিয়াংকা লাহে লাহে আঁতৰি গৈ এটা সময়ত কেঁকুৰিটোত নেদেখা হৈ পৰিল। মৃগাংক এটা পেটিৰ দৰে নিথৰ হৈ ৰ'ল। তাৰ বাওঁে কুণ্ডীৰ, সোঁফে বিৰাট দ। চাৰিওফালে যেন মৰুবাজান। তাৰ মাজতে এটা পতংগৰ দৰে সি ছটফটাইছে।)

## চাৰি

(সামৰণি)

প্ৰিয় পাঠকবৃন্দ, আপোনালোকে হয়তো ভাবিব পাৰে ইমানৰ পিছতো মই চাকৰিটোত কিয় Join কৰিলো। আচলতে কি জানে? প্ৰিয়াংকাৰ সতীত্বক সন্মান জনাবলৈকে চাকৰিটোত Join কৰিছিলো। মই চাকৰিত Join কৰাৰ ঠিক কিছুদিন পিছতেই প্ৰিয়াংকাৰ লগত বিভাগীয় মন্ত্ৰীৰ কেলেংকাৰীৰ কথা বাহিৰ হৈ পৰিল। মন্ত্ৰীক অপসাৰণ কৰা হ'ল। সমাজত পতিতাৰূপে পৰিগণিত হোৱাৰ আগেয়েই প্ৰিয়াংকাই চিৰজীৱনৰ বাবে আত্মহত্যা কৰিলে।

এৰা, প্ৰিয়াংকাৰ ত্যাগৰ ফলতেই আজি মই এজন ডাঙৰ চৰকাৰী বিষয়া। এলেকাটোত থকা আটাইতকৈ ডাঙৰ ঘৰটোয়েই মোৰ। নামাকৰণ কৰিছো– ' "প্ৰিয়াংকা কুটীৰ।" মোৰ ঘৰৰ সন্মুখতেই নিৰ্মাণ কৰিছো প্ৰিয়াংকাৰ স্মৃতিস্তম্ভ এটা। তাইৰ স্মৃতিয়ে কেতিয়াবা বৰকৈ আমনি কৰিলে কেনেও নেদেখাকৈ স্তম্ভটোত জোৰেৰে সাৱটি ধৰি আলফুলে চুমা খাওঁ। আজি কিছু বছৰ আগতে মাৰ মৃত্যু হৈছে। একমাত্ৰ ভনীজনীক উলিয়াই দিয়া আজি প্ৰায় কুৰি বছৰ মানেই হ'ল। ভাইটিটোয়েও বিয়া বাৰু কৰাই বেলেগ হ'ল। এতিয়া ঘৰখনত কেৱল মই আৰু মোৰ নিঃসংগতা। হৃদয়ত প্ৰিয়াংকাৰ স্মৃতি। মূৰ্খৰ দৰে এতিয়াও অপেক্ষা কৰিছো প্ৰিয়াংকা ওভতি অহালৈ।

সময় যে, স্থিতাৱস্থাৰ বন্দী নহয় এই নিৰ্মম সত্যটোক উপলব্ধি কৰিছো প্ৰকাণ্ড আয়নাখনৰ কাষত থিয় হৈ। চুলিবোৰ সৰি প্ৰায় নোহোৱা হৈছে। যি কিছুমান আছে তাতো ৰূপালী প্ৰলেপ। চচমাযোৰ খুলি ল'লে বস্তুবোৰ স্পষ্টকৈ মনিব নোৱাৰো। অৱসৰ পাবলৈ আৰু মাত্ৰ ছয়মাহ আছে। প্ৰিয়াংকাৰ ত্যাগৰ ফল আৰু মাত্ৰ ছয়মাহ পিছতেই ধূলিসাৎ হৈ যাব। আৰু সেইদিনাখনেই......। এৰা অৱসৰ পোৱাৰ দিনাখনেই মই আত্মহত্যা কৰিম। হয়তো প্ৰিয়াংকাৰ আত্মাই মোৰ বাবেই অপেক্ষা কৰি আছে অকলশৰে.....।

মন্ত্ৰী মহোদয়ৰ আদেশমৰ্মে মিচ্ পাক্কালী শৰ্মাক চাকৰিটোত মকৰল কৰাব লাগিব। কোনে জানে? কিছুদিন পাছত হয়তো এই পৰাকী মন্ত্ৰীবো অপসাৰণ। তাৰ পাছত..........

# অসমৰ শিক্ষাব্যৱস্থাত খেল-প্ৰতিবেদন

নিতুল বৰ্মন
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

এজন ভাল খেলুৱৈৰ সৃষ্টিত স্কুল, কলেজ আদিয়ে উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। কিন্তু অসমৰ শিক্ষাব্যৱস্থাত খেল এটা ঐচ্ছিক বিষয়হে। ইয়াক এতিয়াও বাধ্যতামূলক কৰা হোৱা নাই। অতি দুখৰ বিষয় যে, আমাৰ দেশত খেল সম্পৰ্কে বিভিন্নজনে কেৱল কাগজে পত্ৰই অভিযোগ বা উপদেশ দিয়াহে দেখা যায়। কিন্তু ইয়াৰ বাস্তৱ কাৰ্যকাৰিতাৰ ওপৰত কোনেও গুৰুত্ব নিদিয়ে। মযো এজন যিহেতু ছাত্ৰ, গতিকে মই উপদেশ দিব পৰা হোৱা নাই বা মযো এজন ডাঙৰ খেলুৱৈ নহয়। মই নিজৰ ক্ষেত্ৰতেই উপলব্ধি কৰিছো যে, আমাৰ দেশত এজন উপযুক্ত খেলুৱৈ হোৱাৰ কোনো পৰিবেশেই নাই। আমি নিজৰ খোৱা-বোৱাৰ কথা চিন্তা কৰিব নে খেলৰ কথাই চিন্তা কৰিম? এই বিষয়ে আমাৰ চৰকাৰৰো কোনো ভ্ৰূক্ষেপ নাই।

অসমত বহুতো ছাত্ৰ সংগঠন আছে। তাৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থা এটা উল্লেখযোগ্য সংগঠন। কিন্তু এই সংগঠনটোৱেও ইয়াৰ বিষয়ে অকণো চিন্তা কৰা দেখা নাযায়। তেওঁলোক যদিও অৰাজনৈতিক সংগঠন, তথাপিও তেওঁলোকে ৰাজনৈতিক হেতা-ওপৰা, বিশৃংখলতা আদিৰ দ্বাৰাহে প্ৰভাৱান্বিত। এটা দায়িত্বশীল ছাত্ৰ সংগঠন হিচাপে তেওঁলোকে কেইজন খেলুৱৈ গঢ়ি তুলিছে সেই কথাৰ উত্তৰ দিয়া উচিত।

এতিয়া আমি আমাৰ কলেজৰ খেল ব্যৱস্থাৰ কথা আলোচনা কৰো আহক। ললিত চন্দ্ৰ ভৰলী কলেজৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছতে বহুতো কিবা কিবি কৰিম বুলি ভাবিছিলো। কিন্তু মোৰেই দুৰ্ভাগ্য নে ছাত্ৰ ছাত্ৰীৰেই দুৰ্ভাগ্য মই কেইখনমান খেল পাতি পুৰস্কাৰ দিয়াৰ বাহিৰে আন একো কৰিব নোৱাৰিলো। কিন্তু কিয়? আপোনালোকে নিশ্চয় প্ৰশ্ন কৰিব। ইয়াৰ উত্তৰ দিয়াতো মোৰ বাবে খুব কঠিন হব কাৰণ টকা-পইচা নাই বুলি কলে কলেজখনক হেয় কৰা হয় বা উপযুক্ত খেলুৱৈ নাই বুলি কলে ছাত্ৰ ছাত্ৰীক হেয় কৰা হব। ইয়াৰ উত্তৰ প্ৰধানত চমুকৈ দিলে সম্পাদক হিচাপে মযেই দোষী। মোৰ পুজিত টকা আছে কিন্তু সীমিত। খেলুৱৈ আছে কিন্তু সীমিত। আপোনালোকেই কওক, পাচ জন খেলুৱৈৰ দ্বাৰা মই কি খেল পাতিম? যি নহওক অকল সেইটো উল্লেখ কৰিলেই নহব খেলৰ সামগ্ৰীৰ নাটনি, খেলপথাৰৰ অভাৱ আদিও এই আসোঁৱাহৰ ভিতৰত পৰে।

এটা গৌৰৱৰ বিষয় যে, আমাৰ কলেজৰে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ ইয়াছিন মুন্নাই এইবাৰ বাধাপেৰিদ বৰুৱা আন্তঃ মহাবিদ্যালয় ভাৰ উত্তোলন প্ৰতিযোগিতাত সোণৰ পদক পাইছে। আজি সুদীৰ্ঘ ২৫ বছৰৰ মূৰত এয়াই আমি প্ৰথম সোণৰ পদক লাভ কৰিছো। তাৰবাবে ইয়াছিন মুন্নাৰ শুভেচ্ছা জ্ঞাপন কৰিলো।

শেষত, কলেজ কৰ্তৃপক্ষই অকণমান সময় তথা সা-সুবিধা ছাত্ৰ-ছাত্ৰীক যোগান ধৰিলে মই ভাবো আমাৰ কলেজত বহুতো উপযুক্ত খেলুৱৈ ওলাব। তথা ভৱিষ্যতে কলেজৰো এটা সুনাম হৈ যাব। এইখিনি কথা কলেজ কৰ্তৃপক্ষই অকণমান গুৰুত্ব দিব বুলি আশা কৰিলো।



# নিজান জুৰি এটি

নীলিমা গোস্বামী শৰ্মা
অধ্যাপিকা, অসমীয়া বিভাগ

মা
অ' মা
এই মাতত মুৰ দুলি চালো।

মোৰ সন্মুখত
মোৰ ভৱিষ্যত।

কবিতাই নিয়ক বা নিদিয়ক
শান্তি
কিন্তু এই মাতে
বোৱাব পাৰে
নিষ্ঠুৰ হৃদয়তো
প্ৰেমৰ
নিজান জুৰি এটি....।



# আকাংক্ষা

ধ্ৰুৱজ্যোতি হাজৰিকা

পাইছিলো বিচাৰি তোমাক,
হে মোৰ কল্পনাৰ প্ৰেয়সী
আহিছিলা তুমি মোৰ জীৱনলৈ
গোলাপ কলিটি হৈ;
পৰিছিলা সোমাই তুমি,
মোৰ বুকুৰ তেজাল অংশত।
ৰচিছিলো ক'ত কবিতা,
তোমাক জীৱনত লৈ
পাহৰি পেলাইছিলো মই কাঁইটেৰে ভৰা,
মোৰ জীৱন সৌৰৱণ
পাবনে বাক সাঁচকিয়ে তোমাক,
মোৰ জীৱনত।
থাকিবানে বাক সদায় গোলাপ কলিটি হৈ
মোৰ অন্তৰৰ বাগিচাত।



# ক্ষুধা

মিচ দিতিমণি বুঢ়াগোহাঁই
স্নাতক ২য় বৰ্ষ (কলা)

ক্ষুধাৰ তাড়নাত জীয়াই থকা শৰীৰবোৰ
বাঃ কি বিহান, কি অসহ্য চিত্ৰবোৰ।
জীয়াই থাকিবলৈ মাথোঁ সংগ্ৰাম কৰে
আধা ঢকাকৈ সিহঁতৰ শৰীৰবোৰ
প্ৰাচীন সভ্যতাৰ যেন প্ৰতীক স্বৰূপ।
মনুষ্যত্বহীন সমাজখনত সিহঁতৰ স্থান নাই
ধূলিৰে পোত খোৱাই যায় সিহঁতক
মাথোঁ নীৰৱে সহি যায় বিতৃষ্ণাবোৰ
প্ৰতিবাদ কৰিব নোৱাৰে, সিহঁত মূলহীন
নিদিয়ে প্ৰশ্ৰয় কোনেও।
আশ্ৰয় বিচাৰি বাকৰুদ্ধ হৈ ৰয়
দিনে দিনে বাঢ়ি যোৱা দেখে সিহঁতে
মানৱীয় প্ৰমূল্যবোধ অভাৱৰ সীমাৰেখাডাল
তথাপি সিহঁত নিৰুপায়।
সূৰুযৰ অগ্নিদৃষ্টিয়ে যেন পেটৰ জ্বালা
জ্বলাই দিয়ে
পেটৰ ক্ষুধাৰ জুই যেতিয়া দহে
আত্মগ্লানিয়ে আৱৰি ধৰে।
নিশাৰ অন্ধকাৰত শিয়ৰি উঠে সিহঁতৰ
অন্তৰাত্মা
তথাপি, স্বপ্ন দেখে জীয়াই থকাৰ
ৰক্তিম সূৰুযে ৰাঙলী আভাই
দিয়ে সিহঁতক জীয়াই থাকৰ প্ৰেৰণা।





# শোক তৰ্পণ

(বন্ধু আনন্দ কুমাৰ চাহৰ অকাল বিয়োগত)

অজন্ত কুমাৰ বৈশ্য
স্নাতক তৃতীয় বৰ্ষ

জীৱনৰ ৰংবোৰ—
বুলাবলৈ নৌ পাওঁতেই
আমাৰ হিয়াৰ ভিতৰত
দুখৰ কঁপনি তুলি,
তুমি গুচি গ'লা অকালতে!
তোমাৰ বিদায় বেলাত
মূক বেদনাত আহত হৈ
তোমাৰ পবিত্ৰ প্ৰতিচ্ছবিৰ
সন্মুখত বৈ—
হিয় ভেদি গলি গলি অহা
দুটোপোল চকুলোৰে
আত্মাৰ সদ্গতি কৰিলো কামনা!

# আহ্বান

হৃদয় কুমাৰ দাস
স্নাতক ২য় বাৰ্ষিক

মোৰ মৃত্যুৰ দিনা
তুমি আহিবা।
অত দিনৰ মৰম বোৰেৰে
মোৰ চিতা জ্বলাবা।
অশ্ৰুসিক্ত নয়নেৰে
মাথো এবাৰ
মেলি চাবা।
মোৰ ছবিটি মনত আঁকিলৈ
অন্তিম বিদায় দিবা।
তোমাক লৈ লিখা
মোৰ গীতবোৰ
হিয়াত সাঁচি থবা।
মই নাথাকিলেও
মোৰ মৰম খিনি
তাতেই বিচাৰি পাবা।



# সুদিন

সাৰদা ডেকা
স্নাতক ৩য় বৰ্ষ



দিগন্ত বিয়পা এটি স্নিগ্ধ পোহৰ
নাজানো আশাৰ নে নিৰাশাৰ।
উগুল থুগুল কৰে মন
পাম জানো হৃদয়ৰ ধন।
মনৰেৰ নহয় অন্ত
চৌপাশে ক্ষুধাৰ্তৰ কৰুণ কান্দোন
মাংস খোৱা শিয়ালৰ দৃষ্টিত
শেষ হ'ল মনৰ সপোন
নাজানো আৰু কিমান দিন
বাট চাব লাগিব সুদিন
পোহৰ বাখৰে সজাই
উঠিলব হৃদয় মন্দিৰ।

# জাগ্ৰত প্ৰহৰী

কবিতা দাস
১ম বাৰ্ষিক, স্নাতক (কলা)

নিতান্ত নিমগ্ন গভীৰ
ৰজনীৰ বুকুত,
জাগ্ৰত প্ৰহৰীৰ দৰে
আছো মই নীৰৱে।
মৌন স্বপনবোৰ
কেঠাৰ চকিতিৰ
জ্যোতিৰে জ্যোতিষ্মান
তেতিয়া—
কবিতাৰ কাননত বহি
কিমান লিখিম
কলিজা আজুৰি
হিয়াৰ ব্যথাৰি
মোৰ মন ময়ূৰী
সপ্ত সাগৰ, তেৰ নদী
পাৰহৈ কৰিলো যায়
হেৰোৱা বাটৰ আঁত ধৰি।
কুলু কুলু নিজৰাটিয়ে
নিতে স্বতঃস্ফূৰ্তঃ প্ৰকাশিছে
কৰুণ কাহিনী
আৰু বৰ্বৰতাৰ
কঠোৰ বজ্ৰঘাট।
তুমি জানো শুনিছা
জানো কিবা বুজিছা
থৈ গ'লো ইয়াতেই
প্ৰভাতীৰ আগমন,
ৰাজপথত কাৰ সেৱা
মৌন শব্দ শৃংখল
অবিৰত যাত্ৰা নিৰ্হতৰ...

# সময়ৰ প্ৰতি

জয়ন্তী ৰয়
স্নাতক ১ম বাৰ্ষিক (কলা)

হে কাল, মহাকাল
ধুমুহাৰ ৰাতি তুমি মোক লগত নিবা
পাৰো যদি মই
মেলি দিম মোৰ জীৱন গুভুলা পোঁৱা
জোনাকৰ মাজে মাজে, নহ'লে
নৈৰ প্ৰান্তে প্ৰান্তে
লাগিলে তাত মোৰ নালাগে থাকিব
তেজৰ শেষ বিন্দু কণিকা।
মই শুনিছো বহু কাহিনী
পঢ়িছো বহু বুৰঞ্জী
তাত লিখা আছে
যেনেকুৱা কাহিনী,
মই দেখিছো বহু জোনাকত
হেৰাই যোৱা, বহু জাহাজৰ
পালৰ টুকুৰা,
পাৰিলেও নিলিখো তাৰ ইতিহাস
নোৱাৰিলেও লিখিম তুলি ভৰা নবিকৰ
হাড়ৰ কবিতা।
মোক নেলাগে তুমি সোঁৱৰাই দিব,
শৰতৰ জোনাক ৰাতিৰ
আকাশ চাব,
পাৰিলে দেখুৱাই দিবা
পানীৰে উপচি পৰা বাৰিষাৰ পথাৰ
তাত মই প্ৰত্যক্ষ কৰিম তোমাক
আৰু শিৰলুত থুঁটিম
শাওণৰ কৃষকৰ তেজৰ কবিতা
মাথো তুমি মোক নিব'লে নাপাহৰিবা।

# আশা

মজিলা তুন নেচা
স্নাতক প্ৰথম বৰ্ষ (কলা)

জীৱন ধুমুহাত
উৰি ফুৰিছো মই এটি ধূলিকণা
নেদেখো মোৰ প্ৰাণৰ আপোন
দিঠকত নেপালেও, সপোনতে তুমি আহিবানে
এদিনৰ এনিশাৰ
তোমাৰ অব্যক্ত হিয়াৰ কথাই
সোঁৱৰাই যায় বাৰে বাৰে মোক।
আৰু নো কিমান দিন?
বন্ধ এখাৰ কোঠালিৰ বীণ
বুকুতে গুপুতে জ্বলি আছে
একুৰা জুই।
সান্ত্বনাৰে দিবানে মুচি
আহিনৰ আবেলিৰ চকুপানী।

# সপোন

মিচ কুন্তলা শইকীয়া

পাওঁ হেৰুৱা বেদনাত
আজি তুমি
কান্দিছা কিয়
চকুলো বোৱাই
চকুলোৰে জুই
দুগুণে জ্বলাই
চকুলো মচা
মচি সপোন ৰচা
সপোনে যে
বেদনাৰ জুই নুমুৱাই

# আক্ষেপ

মিছ চুবেইয়া বেগম
স্নাতক ২য় বৰ্ষ (কলা)

হৃদয় জানো দিব পাৰি
হৃদয় জানো ল'ব পাৰি
যদিহে এবুকু ভেঙ্গত তুৰি থাকে
শিলীভূত চকুপানী

বোকাৰ জেতুকা পিন্ধা আঙুলিৰে
সেউতাৰ শুকান মুখখনত থই
পটিবলৈ নাপালো মৰম
গোবোহা ফটা শীতৰ নিশা
আইৰ অন্তঠা ফুৰাই বন্ধা হোৱা চকুহালিত
বিচৰিব নাজানিলো স্নেহ

হই উকমিৰ লৰালি পুৱা
গৰখীয়া বাঁহী কোনো দুপৰ ভুৰণি
নাথাকে যদিহে পৰিত
তুলসী তলৰ বন্তি শিখা
নহলে যদিহে মনত
কাক দিওঁ হৃদয়
ৰাসায়নৰ উভয়মুখী বিক্ৰিয়াত মিলে জানো
অভিমানৰ নিমিলা অংক
ভালপোৱাক কেনেধৰে আঙুলি ধৰি
খোজ কঢ়াব
মইতো নাজানো।

(বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ '৯৪ত
প্ৰথম পুৰস্কাৰ প্ৰাপ্ত স্বৰচিত কবিতা)

# দিয়াহে আশীষ

ড° চন্দ্ৰপ্ৰভা দেৱী
অধ্যাপিকা অসমীয়া বিভাগ

২৩ আগষ্ট, চন ১৯৯৪,
আজিৰ পৰা
অসম সাহিত্য জগতৰ
এটি বলিষ্ঠ কলম
স্তব্ধ হৈ গ'ল চিৰদিনৰ বাবে।
স্তব্ধ হৈ গ'ল—
শীৰ্ণ নৌ হওঁতেই
অসম সাহিত্যৰ
এটি কেৱাল স্ৰোতস্বিনী!!
এয়ে
অঘটন ঘটন পটীয়সী নিয়তিৰ
নিৰ্মম খেলা!!
নিভীক অসমীয়া মাত-কথা
তথা
শুধ অসমীয়া সংস্কৃতিৰ সঞ্জীৱনী চলি
অসমীয়া সাহিত্য জীপাল কৰি তুলিলানে;
সন্ধানী দৃষ্টিৰে
অনুসন্ধান কৰি
অসমীয়া সংস্কৃতিৰ উৎ উলিয়াবলে
এটি উজ্জ্বল দীপ্তি
শেষ হৈ গ'ল নিমিষতে
চিৰকালৰ বাবে!!

★ ★ ★

সাহিত্য সাধনাৰ তপস্বী জীৱন
নমস্য প্ৰয়াত লীনা গগৈ
বিদেহী আত্মাৰ সদগতি কামনা কৰি
মাগিছো আশীষ
তোমাৰ সাহিত্য ৰাজিত
অৱগাহন কৰি
উদ্বুদ্ধ হওক আমাৰ মাজত
আৰু বহুতো লীনা গগৈৰ

# ৰক্তিম আভা

ঘনশ্যাম নেওগ
স্নাতক প্ৰথম বৰ্ষ

সহস্ৰ জনৰ ওঠত ধ্বনিত হয়,
ৰঙা-নীলা চিঞৰিয়ে খিতাপিলে কয়,
আকাশ নীল, গিৰি সেউজীয়া আৰু
প্ৰভাতী কিৰণ??
মিঠা, মিঠা, কিবা ভাল লগা......
সবাতোকৈ ধুনীয়া!!

কিন্তু, ক'তা,
মোৰ চেলে, নয়নে তেনে কোনো বাতৰি নজগায়।
মোৰ মস্তিষ্কই অহৰহ মাথো, চিঞৰী চিঞৰী কয়.........
আকাশ ৰঙা, গিৰী কোনো বীৰ শ্বহীদৰ নিস্পুপ সাক্ষৰ,
আৰু প্ৰভাতী কিৰণ......
ৰক্তিম আভাৰ আগমন...........।

সুৰাত মাতাল হৈ বহুজনে কৰে
কৰ্ণাঞ্জুনৰ আখৰা;
হিতাহিত জ্ঞান হেৰাই, ব্যভিচাৰী হয়
পাহৰি পৰম্পৰা।
হাতত আহিলে মোৰ প্ৰিয়পত্ৰ মনিৰা
ধকুৰী, ধাকুৰী কয়..........
মোক উদ্ধাৰ কৰা, উদ্ধাৰ কৰা
দেশদ্ৰোহী, জাতিদ্ৰোহী, সৌ-সিৰিলাকৰ পৰা।



# শিল্পী

পৰেশ চন্দ্ৰ ডেকা
স্নাতক ২য় বৰ্ষ

প্ৰথম যৌৱনৰ প্ৰেমত
যিয়ে মোৰ হৃদয় চূৰ্ণ কৰি গ'ল;
সিয়ে আজি মোৰ মানস পটিত
জীৱনৰ বাবে স্মৃতি হৈ ৰ'ল।

শিল্প সাধনা মোৰ সাৰথি
সিয়ে হৈ ৰ'ব মোৰ প্ৰগতি;
তুমি দি যাবা প্ৰেৰণা

এয়াই তোমাৰ ওচৰত প্ৰণতি।
শিল্পী মনক লাগে সমল
আশা, তুমি দূৰত থাকি যোগাবা,
তোমাক মই বাৰি যাম মনত
পাৰিলে এবাৰ মোক উভটি চাবা।

## "ৰক্তক্ত সূৰ্য্য"

জোনাকী দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

লুইতপৰত দেখি মাতৃৰ অপৰূপ মহিমাৰ,
দৃষ্টি পৰিল ভেৰোণীয়াহতঁৰ অহিত ভৰা সম্ভৰ,
উন্মত্ত হৈ উঠিল এজাক কৌৰৱৰ দল,
চিৰা-চিৰ কৰিলে মোৰ মাতৃৰ আঁচল।

অট্টহাসাত কম্পমান, মহাপ্ৰলয় আগমণ,
ধৰণীত হাহাকাৰ, অজস্ৰজনৰ আস্ফালন।
সিহঁতৰ পদধ্বনীত কঁপে আই-বসুমতি,
আন্ধে-প্ৰান্তে লুকাল পৰ্বতগণ্ডা যিকিঙটি।

আইৰ নিৰ্যাতন আৰু সহিব নোৱাৰি,
আবিৰ্ভাৱ হ'ল আজি সুদৰ্শন চক্ৰধাৰী।
কাটি-মাৰি কৰিব শেষ কৌৰৱৰ দল,
মহাৰথী হ'ব মাথোঁ 'ৰক্ত সূৰ্য্য' দল।



## "নিৰাশা"

ধীৰেন্দ্ৰ নাথ দাস (ধীৰু)
স্নাতক ১ম বাৰ্ষিক, কলা

হেৰ' হতভগীয়া—
কিনো ভৱা অকলে অকলে,
নিজৰ মাজতে ডুব গৈ
প্ৰেম-প্ৰেয়সীৰ সে নিজৰ?
কথা নাই বতৰা নাই;
ইঁহি নাই অনুভূতি নাই,
আছা যেখোন অকলে অকলে বহি!
স্নিগ্ধ জোনাকৰ—
পুৱতি নিশা,
নীৰৱে নিৰলে বহি
লভিছনো কিহৰ আমেজ??
পূৰ্ব্বাকাশৰ বিৰ বিৰ—
মলয়া বতাহে
সে কঢ়িয়াই আনিছে
তোমাৰ বাবে প্ৰেয়সীৰ বতৰা??
কলৈ কৰিছা—
নিৰ্জনতাত অপেক্ষা,
আহিব নেকি তোমাৰ প্ৰিয়া
দিবলৈ হিয়াৰ বতৰা???

☆ ☆ ☆ ☆

# তুমি এদিন আহিবাই

দিলীপ কুমাৰ ডেকা
স্নাতক ১ম বৰ্ষ (কলা)

তুমি এদিন আহিবাই
যি ভাৱে শীতৰ প্ৰভাতত নামি আহে ঘন কুঁৱলী
কাৰণ বিহীন ভাৱে বৰষুণৰ টোপাল পৰে
গোটেই নিশা জুৰি,
নিভৃত গোপনে যি ভাৱে মৃত্যু আহে
তুমি এদিন আহিবাই।
হৃদয়ৰ অপূৰ্ণ মায়া
কঠিন মায়া
এদিন ভাঙিবই,
যি ভাৱে নদী ভাঙে দুকুল
গোটেই ৰাতি সাৰে থাকে চণ্ডাল
শৰীৰত লাগকে ক্লান্তি।
মোৰ বিৰক্ত দুপৰীয়া, নিঃসঙ্গ আবেলি
মেঘহীন আকাশ এদিন
-ভাঙি চুৰ মাৰ হব
টোপনিৰ মাজেৰে হলেও তুমি এদিন আহিবাই ঠিক।



এজন খেতিয়কৰ মনৰ কথা

# বৰষা

ধীৰেন্দ্ৰ নাথ দাস
স্নাতক ১ম বাৰ্ষিক (কলা)

বৰষা! তুমি আহিবা।
হিল দ'ল ভাঙি
পথাৰ উপচাই
বটিত থ'ত যি পোৱা
তাকেই লৈ আহিবা
মোৰ বাবে।
সূৰ্যৰ প্ৰখৰ ৰ'দত
চূৰ্ণ বিচূৰ্ণ হোৱা;
মোৰ হিয়াত দপ দপকৈ
জ্বলি থকা জুই কুৱা নুমুৱাবলৈ
বৰষা তুমি আহিবা।
মোৰ অন্তৰত
গুণ থাই থকা;
বেদনা মোৰ গুচাবলৈ
শোকেৰে জৰ্জৰিত মোৰ মনত
আনন্দ দিবলৈ
বৰষা! তুমি আহিবা।
মই বাট চাই ৰম আশাৰে।

# মহামিলন

জুলী দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জননী জন্মভূমি ৰূপে গুণে সদা শক্তিময়িনী
মধুৰ হাঁহি শ্যামল শস্য খনিজেৰে
অমৃতৰ ভাণ্ডাৰ তুমি,
বুকুত জিলিকে গৌৰৱ পুত্ৰ তোমাৰ
চিৰকাল লুইতঁৰে পানী।
পাৰত সন্ধ্যা-শোভা দি আছে
হাজো-মক্কাৰ মিলনৰ থলি!!
লুইতে চাপৰিত জিলিকে সৰু বৰ শুভ্ৰ বালিচন্দা
সিবিলাক আদি পুৰুষৰ সৃষ্টিত,
মন-হাঁহুতিৰে বন্ধা!!
ন-ন, নতুন পুৰুষে আজি বান্ধে মানে একতা
যেনিয়ে চাঁও তেনিয়ে পাওঁ,
লাচিত বীৰ-কণকলতা!!
বন্দিনী নোহোৱা তুমি, নহয় 'মা' মোৰ কলঙ্কিণী
তোমাতেই জনম লভিছে কত বীৰ-বণঙ্গিনী
দাসত্বৰ শিকলী চিঙিম বুলি প্ৰতিজ্ঞাবদ্ধ হলো
হে মোৰ জননী জন্মভূমি!!
ধন্য লভিলো জনম, যত শঙ্কৰ-মাধৱৰ মিলন
বিষ্ণু-জ্যোতিৰ সুৰেৰে গাও আমি মহামিলনৰ গান!!

# আশা' পোচাকৰ কবিতা

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দেউৰী
উচ্চতৰ মাধ্যমিক
২য় বাৰ্ষিক, কলা বিভাগ

মোৰতো কোনো সাংঘাতিক কিবা এটা দিব লগা নাই
যথেন দুৰ্ভিক্ষ
অথচ এযোৰ পোচাকৰ মাজত হৃদয়খন আছে
তাকে প্ৰয়োজন হলে দিব পাৰো

অৱশ্যে সেতালত পাৰি দিব পাৰো প্ৰেমৰ পাটি
ইচ্ছা থাকিলে তাতেই বহিব পাৰা
আৰু বিচাৰি দিব পাৰো এতিয়া
কোন ঠাইত কঙাল হৃদয় আৰু প্ৰেম..........

মোৰতো কোনো সাংঘাতিক কিবা এটা দিব লগা নাই
অথচ আছে মোৰ আপোন হৃদয়
উষ্ণ একোডাল বাস্তৱ সোণালী শিকলি।
মাজে মাজে শঙ্কৰ্পনে সোমায় আহে বুকুলৈ দুখ
সোমাই আহে জীৱনলৈ বা-মাৰলি
কিশ জীৱনৰ দুৰাৰোগ্য অসুখ
অথচ জীয়াই থাকিব লগা হয়।
এনে সময়ত একোৱেই ভাল নালাগে
ভাল নালাগে প্ৰিয় বস্তুৰ অথবা আপোন প্ৰেমিকা
এনে সময়ত বিছাৰি ফুৰিব লগা হয় নিজকে
নিজৰ সতে ঘুৰি ফুৰিব লগা হয় বহু সময়ত
এনেকৈয়ে সংগ পাতি লওঁ এনে এক জীৱনৰ সতে
য'ত থাকে অনবিন আশা, আশা, কেৱল আশা..........

# প্ৰত্যাহ্বান

গগন পাঠক
স্নাতক ১ম বৰ্ষ, কলা

বিপ্লৱক নকৰিবা কলুষিত
যদি নাই তোমাৰ অন্তৰত
চিতাগ্নি জ্বলোৱাৰ শক্তি।
ধূসৰ আইনাৰে নেচাবা তাৰ
অপৰিকল্পিত পন্থ
যদি থাকে হৃদয়ত
অকল ভোগৰ অনন্ত লিপ্সা।
মেদিনীৰ বুকু ভেদি উনিয়াওঁতে
নেউটী লোণৰেৰ ইংগিত হয় যদি তোমাৰ ব্যক্তিত্ব
তেন্তে তুমি কিহৰ বিপ্লৱী?
বিপ্লৱীৰ নামত নানানিবা কালিমা
যদি মাথো এটি ধুমুহাই
খানখান কৰি নিয়ে হিয়া.....
তেন্তে—
অৱদমিত কৰা
তোমাৰ অন্তঃস্থলত দেখা দিয়া
বিপ্লৱীৰ অন্তৰ্নীয়া উন্মাদ—
চঞ্চল নৃত্য।



# ENGLISH SECTION

ARTICLE

# E-MAIL-AN OVERVIEW



*Samita Sarkar*

In the history of communication, if we look back, it was due to the invention of microprocessor chips, computers started getting compact and inter linked through modems and plain and telephone system.

In the age of computers, the latest specialized communication services were made possible due to the integration between computers and communication and one of the services is E-mail.

Literally E-mail means Electronic mail, also known as computer based message system (CBMS) which allows users at terminals to compare, send, receive, incorporate, forward, reply, archive, select and folder messages.

For performing all these functions you don't have to do anything too much. If you have a telephone and can afford a standard computer, no one can stop you from Global communication in anywhere in the world.

The advent of E-mail in the mid 60s was due to computer getting international in the form of a network through modems and plain old telephone systems and of course each subscriber must have an postal adress to send and receive information. It is possible to send 'key'ed or voluminous information from one computer to another, which is a registered subscriber of such a network. Informations reach very fast even at the speed of lightening.

Early E-mail system were organised around single time sharing or multi user

computer system. But since the 1970s E-mail facility is being extended over the networks.

The single system facility allows all the users of a shared computer system to exchange messages. Each user is registered on the system, has access to a mail box and an unique indentifier. This mail box is actually an entity maintained by the file management system and is in the form of a file directory.

In a typical configuration of E-mail, two major components are needed, one to handle mail within the system and another to handle mail over the network. Both share a common dix storage where mail boxes are maintained.

For single system mail referred to as native mail, three major modules are needed. Users will interact with native mail via terminals, hence terminal handling software are needed. Mail is stored as files in the file system, so file handling software is also needed. Finally there must be a native mail package that contains all the logic for providing mail related services to users.

To extend this system to network mail, two more modules are needed viz communication I/O logic and mail transfer logic.

In practice, the user interface for local and remote mail should be the same. If the user designates a local recipient, the message is stored in the local mail box and if it is for a remote recipient, the message gets transfered to the transfer module which in turn transmit it across the network.

A critical problem faced, in internetwork messaging is due to the different and highly varying adress structure used by different networks. Users of a particular network is familier with their own addressing schemes which has to be recast and formatted before sent to the other users of different network. This is carried out by using different gate ways without burdening the user with the knowledge of different addressing schemes and the conversion process to interlink to any of the existing networks. Due to constant Govt. liberalisation policies, lot of private companies are offering their own E-mail services. These private E-mail networks are like local islands and can be connected through connecting networks called gateways. Videsh Sanchar Nigam Limited has established such a gateway electronic mail service viz. (GEMS. 400) which is based on CCITT, x. 400 messaging standard. The GEMS. 400 of VSNL can interconnect various E-mail network within the country so that a subscriber to one network can send or receive E-mail from a subscriber of another network. It has also connected the various E-mail networks throughout the world.

As E-mail network can be large covering many cities, towns and countries as well. For eg. one E-mail hub could be in Bombay and other in Delhi. A suscriber in Bombay could

address information from his computer to that of another subscriber in Delhi. The information is collected at Bombay hub, transmitted to the hub in Delhi which is further transmitted to the address.

Sometimes a network can have a single hub. The Govt. of India has set up networks like INET (India Network), ERNET (Education and research network) or the RABMN (Remote Area Business Message Network) over which subscriber can send E-mail to each other. These networks will enable informations to be exchanged even among very remote locations.

In India for the last few years the E-mail syndrome is catching up and there are many sound reasons behind it. ERNET provides the researches with the access of libraries and other facilities can be exchanged over the network. Because of its high technology and services, in commercial organisations, offices, research labs, big educational institutes, the arrival of E-mail is being welcomed.

*COURTSEY : FEW FOREIGN MAGAZINES*

## SNIPPETS

- The geometrical pattern when a snake coils itself is called the *"Spiral of Archimedes"*
- William Tyndale coined the word *'scapegoat'*.
- The US film "Around The World In 80 Days" used 4 ostriches, 15 elephants, 17 bulls, 512 monkeys, 800 horses, 950 donkeys, 2488 buffaloes and 3800 sheep.

# Women and Economic Development

*Mrs. Ranjana Sen*

Economic development has no meaning unless it results in abolition of priviliges for the few and more justice for all mankind. In order to establish this justice for all mankind, it is necessary not only to build up up-to-date projects but to man them with efficient, happy and skilled labour force.

Labour force is an integral part of development. The utilisation of labour force mainly depends on the supply and demand for labour. The total number of workers in labour supply is highly affected by the behaviour of the marginal group, particularly women with their dual role of housewife and worker. Until recently, economic role of women, did not attract much attention of social scientists because of her dual role of worker and housewife. As early as eighteenth century, eminant scholars (Mill, Marx, Engles) stressed the importance of women's economic activity for their dignity and development. By the end late of 20th century economic role of women gained importance with the social scientists.

Proper use of human resources to the fullest extent is now being recognised by the national leaders. It is

true that humanbeing is like an uncut diamond; to make it a gem it is necessary to develop the potential skills and abilities of every individual, so that this in turn may raise the income and general living standards of the people. But it must be remembered that living standards and social justic cannot be ensured if there is a large number of unemployed persons, be they men or women.

The role of women in economic development in India forms an integral part of the prevailing socio-economic structure. Women constitute 50% of the total population in India. We need to know the women's role in economic development seperately, because; a good deal of women's work remains invisible. Its exact nature scope and intensity are not properly estimated. Though women are the key factor in the process of change and development, yet in many countries they are underestimated as in India. For example women in the traditional societies of Asia and Africa take equal part with men in producing food stuffs, in addition to their performance of endless household works, yet their works are not given due weightage. It is now felt that problems of poverty cannot be tackled without changing the socio-economic condition of women.

Infact women's participation in economic activity has some implications. It tends to reduce fertility and population growth thereby raising per capita income and consumption. Their participation in economic activity will also result in their greater access to educational opportunity and training. The importance of women's participation in socio-economic development has emerged not out of fundamental consideration but out of :

i) need to maximise out put in growth models,

ii) to reduce population growth, and

iii) to contain misery.

This means that the role of women in economic activity cannot be isolated from the process of development. Realising this fact, from sixth-five-year-plan development of women power has been given due recognition. It is true that prosperity will come in a country if its women are given participatory role in developmental programmes. Women should also acquire the knowledge and techniques necessary to enable them to play their part efficiently in the new economic sphere.

In recent years commercialisation, modernisation, export oriented development, growing reliance an private sector have all affected women adversely. Their retention in unorganised sector largely has put them in the catagory of reserved army. It so happens because of their illiteracy, lack of new skill, lack of new opportunity. Some other factors are also responsible for the decline in female participation in economic development. There are structural

changes in the economy, new industrial set up that sprang up are inhospitable to women, new industries are urban based and make it difficult for women to combine child care and domestic work. Inspite of all these difficulties faced by women in our country, it should be remembered that one cannot employ women in a haphazard way merely because they are on the verge of starvation without making an effort to raise and improve their standard of work, their outlook on life, their blind following of reactionary tradition. In the true sense, rationalisation processes, which are followed by many industrial set-up, mean the full utilisation of the labour force and machinery and elimination of 'wastage'. So elimination of unskilled women cannot be termed as 'discrimination against women'. Unskilled men are also eliminated from many factories and industrial set-up. Women are by no means the only victims. It so happens because the women, owing to their unskilled mode of working, do formagreater 'wastage' group than man.

It is now time that thought was given to the question of upgrading the women power, so that women can acquire new skill and knowledge to make them efficient in new economic set up. Women development programmes have been mainly undertaken by the Department of Women Development of the Ministry of Human Resources Development. This department has initiated the following programmes which will have long term effect on the improvement of socio-economic condition of women in rural and urban areas.

i) Women's training centres/ Institute for the rehabilitation of women in distress.
ii) Hostels for working women.
iii) Employment and income generating production unit.
iv) Short stay home for women and girls facing social and moral danger.

The Ministry of Rural Development has also a scheme for development of women and children in rural areas (DWCRA) for the benefit of the poor women.

Central Social Welfare Board is basically an institution working fore for the promotion of women's welfare and upliftment with the following schemes : (i) Socio-economic programme for women (ii) Education for adult women and (iii) Creches for children of the working and ailing mothers.

· The Khadi and Village industries commission has a number of schemes of general nature, which can be provided both for male and female.

All the above schemes indicates the 'promotion of women power' which is the main theme of all these schemes.

If women have to serve the society, by their participation in developmental work, if they want to be self-sufficient and bold, they should shake shackles of tradition, the Manu given role of always being the daughter, wife and mother, nothing more and nothing less, they must overcome all hurdles

and should try to improve their quality. For this sake vocational skill of women must be improved with education and training in relation to the economic needs of the country. In order to fullfil this aspect, women's status in society must be upgraded. Because the kinds of work they do, where, how, under what terms— all these are determined by women's position in society.

To-day women's contribution to the future of society should not be limited to child bearing and home keeping only. To make the world complete we need a complete women who has to step out and establish herself as individual first, a women second. Society is changing rapidly. Need of women's participation in economic development must be advocated, so that they can become more and more significant in the countries economy.

---

# CompuQuiZ

? In the early days of computers which five competitors were collectively called the 'BUNCH' ?
☛ BURROUGHS, UNVAC, NCR, CENTRAL DATA and HONEY WELL
? WHAT IS GIGO ?
☛ Garbage in, garbage out. This is said of a computer because if you feed in wrong data you get wrong information.
? What is MODEM ?
☛ A device which allows computers to "talk" to one another over the telephone. It turns computer signs into phone vibrations.
? What is a "Slave Computer" ?
☛ A computer operating under the control of another computer.
? What is meant by "FLOPS" ?
☛ Floating Pointing Operations per second.
? In which year did the word 'byte' become standard ?
☛ 1964. The 8-bit byte became standard with the IBM 360 Computer.
? What is the "S 100" ?
☛ A data bus.
? Who wrote the book "The Ninth Bridge Water Treatise" ?
☛ Charles Babbage.

# Causes of degradation of Environment and the future of mankind

*Prof. C. M. Kalita*
Dept. of Economics

The environment is on the verge of total depletion. For this Phenomenon, the nature is not responsible. The human society is responsible for this state of affairs. The histus between natural aspects and human activities may lead to degration of Environment.

The major causes of environmental depletion are anumerate below :

(1) Deforestation : Large Scale deforestation in thick jungles and hilly areas are keeping bold hills and nude fields. This results severe erosion of soil structure and leading to even destructive floods and landslide etc.

(2) Unplanned discharge of waste : various sources like industrial, agricultural, bio-logical wastage are thrown away here and there. A lot of ill effects are spreading out of such wastages.

(3) The handling of toxic chemicals : Dis-charge of

esidual chemicals by industrial plants s a major source of pollution. Deposition of nuclear waste by many leveloped countries inside the sea is reating havoc among the acquatic vorld. The marine lifes are facing a ilent disaster in near future.

(4) The haphazard growth of traffic on congested road is producing a phenomenon of self destruction in erms of air and noise pollution. The emission of Carbon monoxide can lead to a lot of deadly diseases. Including lung cancer in human body.

(5) Indiscriminate construction is also a potential contributor towards un-healthy atmosphere. The Bio-share is in trouble with the mushroom growth of towns and cities. These cities small and shanty towns are creating as totally unhygenic centres. Be it roads, wastage disposal, etc.

(6) Expansion of human settlements also contributes destruction of forest and structure of soil. This factor is also greatly responsible for denundation of forest and erosion of rock chain.

(7) Use of C F C and halogens are responsible for the creation of ozone hole. Chlor of lourocarbons (i.e. CFC) helps ventilation of ozone layer. Which again permits ultraviolet rays into the earth atmosphere, that is UV-B causes skin Cancer and cateract besides damaging crops, plants etc. CFC is used in air conditions and refrigerators.

(8) According to climatologist that cloud acts as a natural thermostat that keeps temperatures of ocean surfaces from rising above a certain level. But large scale emission of Carbon dioxide may lead to double the volume of such green house by the middle of 21st century. Which will raise the temperature of the earth by 17°F to 13°F. This will cause severe climatic disruptions.

The future of mankind is depend upon some essential actions. These actions are-as follows.

(1) Pollution of all sorts such as air, noise, water, earth must be stopped in a phased manner. Then fresh drinking water and fresh air can be inhaled by people.

(2) National Policy on education should ential environment as an active discipline in almost all stages.

(3) Environment laws should be stricter in sense and proper implementation of such laws is essential for preservation of forest.

(4) All pollutant industrial units must erect own wastage treatment plant.

(5) Environment should be people's movement. Even at houschold level action oriented plan of environment upgradation is of greater significance.

(6) A suitable environment Oriented scheme is sine-qua-non for development in all state, Central and local Government Offices, Schools, Colleges, Hospitals etc.

(7) The members of all village panchayats should follow these environmental improvement plans.

(8) The use of CFC and hologen

should be kept at the bay. It should not make in roads into the environment. Otherwise, the trauma of 'Ozone hole' will operate to extinct humanity all together.

(9) The governmental bodies should provide necessary emphasis on R and D through strengthening S and T base.

(10) Alternative technology should be invented and applied to wipe out the use of $CO_2$ which induces global warming.

(11) Antartica should be protected at global level.

(12) Extra early working system should be dewiged in crude oil carrying sea vassels, so that oil shick into seas can be halted.

(13) Dumping of waste in rivers by households in most of the developing countries should be stopped.

(14) Likewise dumping of nuclear and allied waste into the Sea by most of the developed countries must be stopped.

(15) Cremation ground should be accommodated with proper electrifici-fied devices.

(16) 'Bio-reserve' should get topmost priority in all countries development agenda.

(17) Plantation in coastal areas, river side, roadside strips, un-used lands should be taken on war footing.

(18) Integrating environment management and development.

(19) Strenthening the mechanism for ensuring corrective action.

